# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ২৮/১২/২০২০ সোমবাৰ

**আজি ইংৰাজী ২৮-১২-২০২০ তাৰিখে ৰাতিপুৱা ৯ঃ৩০ বজাত পূৰ্ব নিৰ্ধাৰিত সময়সূচী মতে অসম বিধান সভাৰ শীতকালীন অধিবেশন অনুষ্ঠিত হয় ঃ**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ১, শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ দুটা পাৰ্ট আছিল। এচ আই কেলেংকাৰী সম্পৰ্কে মই এটা কথা সুধিছিলো আৰু এটা পাৰ্টত গোটেই মই আমাৰ অসমৰ যিমান আৰক্ষী চকী বা পুলিচ ষ্টেচন আছে এইবিলাকৰ যি জৰাজীৰ্ণ অৱস্থা বা পোষ্ট খালী হৈ আছে এই বিষয়ে মই বেলেগ বেলেগ কৈ দুটা প্ৰশ্ন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰীৰ পৰা শদিয়ালৈ মই বিভিন্ন ঠাইৰ পৰা যিখিনি ৰিপোৰ্ট লৈছো, আমাৰ পুলিচ ষ্টেচন বিলাকৰ যিবিলাক ঘৰ বহুত জৰাজীৰ্ণ অৱস্থা। মই মোৰ সমষ্টিৰ কলগাছিয়াৰ পুলিচ ষ্টেচনৰ এটা উদাহৰণ দিছো, তাত পানী পৰে। কনিষ্টবল সকল থকাৰ ঠাই নাই। এটা ৰূমত ২০-২২ জন কৈ থাকে, কদৰ্য্যময় পৰিবেশ। বৰভিটা, মইনবৰী, বালিকুৰি আদিত আউটপষ্ট আছে। কিন্তু ইয়াত পুলিচ থকাৰ ঘৰ নাই। টিঙৰ বেৰা দি তেওঁলোক থাকে। তেওঁলোকৰ অস্ত্ৰ-শস্ত্ৰ বিলাক আনি এটা বক্সত বন্ধ কৰি ৰাতি বেলেগ এটা ৰূমত থ'ব লগা হয়। যিকেইজন এচ আই আছে তেওঁলোকে এটা ৰূমত পাঁচ-ছয়জন কৈ বহে। এই সমস্যাটো অকল মোৰ সমষ্টিতে নহয়। মই এদিন হাতীগাওঁ পুলিচ থানাত সোমাইছিলো, ভাৰাঘৰত চলি আছে। ১০-১২ জন মানুহ, ৫-৬ জন অফিচাৰ এটা ৰূমত বহি থাকে। তেখেত সকলৰ চকী-টেবুল ৰখাৰ ঠাই নাই। মই ভাৱো গোটেই অসমৰ প্ৰায় বিলাক পুলিচ ষ্টেচনতে কম বেছি পৰিমাণে এনে অৱস্থা হৈ আছে। উত্তৰত কিছু কাম হাতত লৈছে বুলি দিছে। এইটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ বিভাগ। ৭৩ খন আজি পাঁচ বছৰত হাতত লৈছিল তাৰে ৫০ খন মানহে সম্পূৰ্ণ হ'ল। তেখেত সকলে প্ৰায় ৪০০-৫০০ এনেকুৱা থানা তেওঁলোকে উল্লেখ কৰিছে। ৩৪৪ খন কৰিব লগা আছে বুলি উত্তৰত দিছে। মই ভাৱো গোটেই অসমৰ এই যি জৰাজীৰ্ণ অৱস্থা, পুলিচ সকল থকাৰ ঠাই নাই, লক আপ, বাথৰূম বিলাকৰ অৱস্থা নাই, ইনভেজটিগেশ্যনৰ কাৰণে বেলেগ ৰূমৰ ব্যৱস্থা নাই, কম্পিউটাৰাইজড্ কৰা হৈছে কিন্তু কম্পিউটাৰৰ কাৰণে বেলেগ কোঠালিৰ ব্যৱস্থা নাই। গতিকে এনেকুৱা ধৰণৰ অৱস্থাৰে থানা বিলাক চলি আছে। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ যিহেতু এইটো বিভাগ সেয়ে ১০০০ কোটি টকাৰ এটা ৰাস্তাৰ পইচা আনি যদি এই গোটেইখিনি থানাৰ বিল্ডিং, পুলিচৰ আবাস গৃহ নিৰ্মাণৰ বাবে ধাৰ্য্য কৰা হ'ল হেঁতেন হয়তো ইমানদিনে হৈ গ'ল হেঁতেন। গতিকে এইখিনি হ'বৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক মই প্ৰশ্নটো অনাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। পুলিচ বেৰেক আৰু থানা বিলাক বি জে পি চৰকাৰ হোৱাৰ

পিছতেই স্থাপন হোৱা নাই। এইবিলাক ভাৰতবৰ্ষৰ স্বাধীনতাৰ আগতেও আছে আৰু স্বাধীনতাৰ পিছতো আছে। আজি ৭০ বছৰে থানাৰ বেৰেকৰ কথা আৰু পুলিচ বিলাক কেনেদৰে থাকে এই কথাটো কোনেও চিন্তা নকৰিলে। এইটো বৰ দুখৰ কথা। আপোনাক ধন্যবাদ এইটো কাৰণেই দিছো যে মুখ্যমন্ত্ৰী শ্ৰী সোণোৱাল ডাঙৰীয়াই ২০১৬-১৭ বৰ্ষত মুখ্যমন্ত্ৰী হৈ পুলিচৰ মৈত্ৰী আঁচনিৰ অধীনত থানা আৰু বেৰেক বিলাক আধুনিকীকৰণ কৰাৰ যি ব্যৱস্থা হাতত ললে সেইটো কিন্তু তেওঁ আপোনালোকে প্ৰশ্ন নকৰাকৈয়ে হাতত লৈছে। তাত কোনেও প্ৰশ্ন কৰা নাই। স্বাধীনতাৰ ৭০ বছৰত যদি এখন এখনকৈ থানা বনাই গ'ল হেঁতেন আজি থানা বিলাকৰ অৱস্থা এনেকুৱা নহ'ল হেঁতেন। আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিজস্ব চিন্তাধাৰাৰে এতিয়া যিবিলাক থানা নিৰ্মাণ হৈছে তাত ইন্টাৰ'গেশ্যনৰ ব্যৱস্থা আছে, এ চি ৰুম, কম্পিউটাৰ ৰুম, যদি কোনো মহিলাৰ লগত শিশু থাকে তেন্তে সেই শিশুটিৰ কাৰণে ৰুমৰ ব্যৱস্থা ৰখা হৈছে। তেওঁ এইদৰে কামবিলাক আৰম্ভ কৰিছে। আপুনি কৈছে যে ২০০০ কোটি টকা লৈ একেদিনাই কৰি দিয়ক। কিন্তু তেখেতে এতিয়ালৈকে ৩৪৪ খন থানাৰ কাম হাতত লৈছে। তাৰ ভিতৰত ইতিমধ্যে ৭৩ খন থানাৰ নিৰ্মাণৰ কাম বৰ্তমান হাতত লৈছে। আপোনালোকে শুনি সুখ পাব যে ইতিমধ্যে ৪৬ খন থানা মৈত্ৰী আঁচনিৰ অধীনত সম্পৰ্ণৰূপে আধুনিকীকৰণ হৈ গ'ল। দ্বিতীয় পৰ্যায়ত আকৌ ৭৬ খন থানা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গ্ৰহণ কৰিছে। ৭৬ খন থানাৰ ভিতৰত ৪৬ খন থানা চৰকাৰে ইতিমধ্যে অনুমোদন দিছে। তাৰ কাম এতিয়া চলিব। বেৰেক বিলাকৰ ক্ষেত্ৰত যিটো কথা কৈছে যে গুৱাহাটীৰ বেৰেকত আটাইতকৈ বেছি পুলিচ থাকে। গুৱাহাটী পুলিচ ৰিজাৰ্ভৰ অৱস্থাটো আমি প্ৰত্যেকেই দেখিছো। সেই পুলিচ সকলৰ কথাটো বিবেচনা কৰি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ১৪০০ পুলিচ থাকিব পৰাকৈ তাত এটা অত্যাধুনিক পুলিচ বেৰেক কৰিছে। বৰ্তমান এইটো সম্পূৰ্ণ হোৱাৰ পথত। তাৰ উপৰিও আমাৰ প্ৰতিখন জিলাত ২০০ টা পুলিচ বেৰেক নিৰ্মাণৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ে ব্যৱস্থা লৈছে। এইটো ইমান সহজ কথা নহয়। ২০১৯-২০ ৰ বাজেটত এই কথা ঘোষণা হৈছে। পুলিচ ৰিজাৰ্ভ আধুনিকীকৰণৰ বাবে ৮৪ টা ফ্লেট নিৰ্মাণৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ব্যৱস্থা লৈছে। কাৰণ পুলিচ বিলাকে যেতিয়া তেওঁলোকৰ ডিউটী কৰি উভটি যায় তেওঁলোকে বেৰেকত বহুত বেয়া অৱস্থাত থাকে। পুলিচ বিলাক যাতে ভালদৰে থাকিব পাৰে তাৰবাবে মুখ্যমন্ত্ৰী মহোদয়ে ৮৪ টা আবাস গৃহ নিৰ্মাণৰ ব্যৱস্থা কৰিছে। মই ৩৫ বছৰ কাল ৰাজনীতিত থাকিলো। ৩৫ বছৰীয়া ৰাজনীতিত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এইটো এটা বৈপ্লৱিক পদক্ষেপ। অধ্যক্ষ মহোদয় এটা সময়ত মোৰ বিৰোধী দলৰ দলপতি হোৱাৰ সৌভাগ্য হৈছিল আৰু সেই সময়ত পুলিচ বেৰেক আৰু থানাৰ ওপৰত কিমানবাৰ চিঞৰিছো সেই কথা বিধান সভাৰ প্ৰচিডিঙচ্ চালে গম পাব। তেতিয়া কাৰো গা নলৰিল। সেয়ে মই মুখ্যমন্ত্ৰী শ্ৰী সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো।

**শ্ৰী ৰফিকুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি উত্তৰ দিছে ২০১৬-১৭ চনৰ পৰা কাম আৰম্ভ হৈছিল। ২০২১-২২ চন আৰম্ভ হ'ব, চাৰি-পাঁচ বছৰ হৈ গ'ল। এতিয়া ৫৩ খন থানাৰ কাম কৰিছে। যদি পাঁচ বছৰত আৰম্ভ কৰি ৫৩ খন হয়, এতিয়া মাত্ৰ ২-৩ মাহ সময় হাতত আছে। গতিকে আৰু যি ৩০০ খন থানাৰ কাম কৰিবলগীয়া আছে মই অনুৰোধ কৰিছো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে চকু দিলে নিশ্চয় পাৰিব। আপোনালোক যিসকল সহযোগী আছে তেখেতক সহায় কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, মই পুলিচৰ পোষ্টৰ কথা সুধিছিলো। ৪৩৫৬ টা পুলিচ আৰু যিসকল দায়িত্বত থকা এচ আই বা ইন্সপেক্টৰ আছে এই গোটেই বিলাক পদ খালী হৈ

আছে। বিভিন্ন জিলাত ২০০-২৫০ লৈকে পদ খালী হৈ আছে। গুৱাহাটীৰ পুলিচ কমিশ্যনাৰৰ তাত ৮০০ ৰ ও অধিক পদ খালী হৈ আছে। মোৰ পৰামৰ্শ হ'ল অতি সোণকালে এই পদ সমূহত নিযুক্তি দিব লাগে। গুৱাহাটীত যদি ৭০০-৮০০ পদ খালী থাকে তেতিয়াহ'লে নিৰাপত্তা কেনেদৰে দিব ? ইয়াৰ লগতে মাননীয় অধ্যক্ষ মহোদয় মোৰ এচ আই কেলেংকাৰীৰ ওপৰত এটা ইম্পৰটেণ্ট প্ৰশ্ন আছিল। এচ আই কেলেংকাৰীৰ তদন্ত কৰিছে। ৫৯ জন গ্ৰেপ্তাৰ কৰা বুলি তেখেত সকলে কৈছে। আমি লক্ষ্য কৰিছো যে এটা সীমালৈকে গৈ এই তদন্ত বন্ধ হৈ গৈছে। ঠাল-ঠেঙুলী বিলাক গ্ৰেপ্তাৰ হৈছে। শিপা য'ত গৈ পাব তাত গৈ বন্ধ হৈ যোৱা আমি লক্ষ্য কৰিছো। বিভিন্ন জিলাত এচ আই পৰীক্ষাৰ আগত প্ৰশ্ন কাকত ফাদিল হৈছে আৰু আগতে ৰিহাৰ্চেল কৰাই চিমিলাৰিটী থকা প্ৰশ্ন সমূহ প্ৰেকটিচ কৰাই পৰীক্ষাত বহিব দিয়া হৈছে। তাত আমাৰ নিচিনা বিধায়ক, ডাঙৰ ডাঙৰ বিভিন্ন দলৰ নেতাৰ নাম আহিছে তাঁলৈকে তদন্ত গৈ স্থবিৰ হৈছে। মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক চি আই ডি ৰ দ্বাৰা তদন্ত কৰি ৪৯ জনক গ্ৰেপ্তাৰ কৰাৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। বিভিন্ন বিভাগত যি দূৰ্নীতিৰ কথা আহিছে, এচ আই কেলেংকাৰীৰ ৰৌ-বৰালীৰ চি বি আইৰ তদন্তৰ কথা যদি আপুনি পঢ়িব বিচাৰে দিব পাৰো। এই পবিত্ৰ সদনত তেখেতে চি বি আইৰ শূন্য সহনশীলতাৰ কথা কয় গতিকে চি বি আই তদন্তৰ কথা ঘোষণা কৰি এই বস্তুটো যাতে নিৰ্মূল কৰিব পৰা যায় আৰু ভৱিষ্যতে যাতে এনে ধৰণৰ দূৰ্নীতি নহয় এইখিনি মই মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছো। মোৰ প্ৰশ্নত আছিল মোৰ সমষ্টিৰ দুটা আউট পোষ্ট জনীয়া বজাৰ আৰু গুগুবাৰি (খৰিচলা) ৰ কথা মই কৈছিলো। গতিকে মই প্ৰশ্নৰ জৰিয়তে অনুৰোধ কৰিছো সেই দুটা দিব। নিলাম বজাৰ থানাত মাত্ৰ পাঁচজন পুলিচ আছে। অসমত এনেকুৱা বহুত থানা আছে য'ত ৫-৬ জন পুলিচেৰে থানা চলি আছে। গতিকে অতি সোনকালে পুলিচৰ অসুবিধা সমূহ পূৰণ কৰি তেওঁলোকক নিযুক্তি দি, চি বি আইৰ তদন্ত দি দূৰ্নীতিৰ শিপা উঘালিবৰ কাৰণে ঘোষণা দিবলৈ মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৈছে যে এই দুই-তিনিমাহৰ ভিতৰত থানা সমূহৰ কাম সম্পূৰ্ণ কৰিব লাগে। কিন্তু এই দুই-তিনিমাহত থানা সমূহৰ কাম সম্পূৰ্ণ কৰাতো সম্ভৱ নহয় কাৰণ ইয়াত 'আলাউদ্দিনৰ চাকি' নাই যে ৰাতিৰ ভিতৰতে এখন এয়াৰ-কণ্ডিচনাৰ যুক্ত থানা, শিশু ৰখা কোঠালি, ৰিচিপচন ৰুম কৰিব পৰা যাব। চৰকাৰৰ এটা চীচটেম আছে। চীচটেমৰ মাজেদিহে চৰকাৰে কাম কৰিব। মই সদনত এটা আশ্বাস দিব বিচাৰিছো যে মৈত্ৰী আঁচনিখনৰ যোগেদি অসমৰ সকলো থানা পৰ্য্যায়ভিত্তিত আধুনিকীকৰণ কৰা হ'ব। মোৰ সমষ্টিৰ বেলশৰ থানা খন আধুনিকীকৰণ কৰা হোৱা নাই। কিন্তু আজি নকৰিলেও কোনোবা দিনা নিশ্চয় কৰিব। গৃহ বিভাগৰ উত্তৰ দি থাকিলো বুলিয়েই মই মোৰ সমষ্টিৰ থানাখন যে অন্তৰ্ভুক্ত কৰি লম সেইটো কথা নহয়। এচ আই কেলেংকাৰীৰ ক্ষেত্ৰত যেতিয়া প্ৰশ্ন কাকত ফাদিল হ'ল তাৰপিছত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ১৫ মিনিটৰ পিছত পৰীক্ষা বন্ধ কৰি দিছে আৰু চি আই ডি ক এনকুৱাৰী দিছে। চি আই ডি য়ে এনকুৱাৰী কৰাৰ পিছত প্ৰায় ৪৯ জন মানুহক গ্ৰেপ্তাৰ কৰিলে আৰু তেওঁলোকক চাৰ্জশ্বিট দিলে, পইচা আদায় হ'ল। পৰৱৰ্ত্তী সময়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ক এই পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব দিলে আৰু ইতিমধ্যে ৰিজাল্ট ও ওলাল। মুখ্যমন্ত্ৰী মহোদয়ে দিয়া প্ৰত্যেকটো কথাই তেখেতে পালন কৰিছে। এতিয়া ফিজিকেল টেষ্টৰ পিছত এই এচ আই খিনিৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। ঠিক সেইদৰে কনিষ্টবলৰ ও নিযুক্তি হ'ব। আমাৰ থানাত পুলিচ কম হোৱাৰ কাৰণটো হৈছে চিভিল পুলিচৰ সমস্যা অসমত কম। আমাৰ ইয়াত

এক্সট্ৰিমিষ্ট প্ৰণ এৰিয়া কাৰণে বেটেলিয়ান অৰ্থাৎ আৰ্ম ফোৰ্চৰ সংখ্যা বেছি। গতিকে আজি আমাৰ অসমত চিভিল পুলিচ যিমান হ'ব লাগিছিল সিমান হ'ব পৰা নাই কাৰণ উত্তৰ-পূব এক্সট্ৰিমিষ্ট প্ৰণ এৰিয়া কাৰণে আৰ্ম ফোৰ্চৰ  সংখ্যা বেছি কৰিব লগীয়া হৈছে। আপোনালোকে আজি চৰকাৰক এইটো উপদেশ দিব লাগে যে আমাৰ চিভিল পুলিচৰ সংখ্যা বঢ়াবৰ কাৰণে পোষ্ট ক্ৰিয়েট কৰিব লাগে যিহেতু বেটেলিয়ান, চি আৰ পি এফ, পেৰা- মিলিটাৰি ফোৰ্চৰ সংখ্যা যথেষ্ঠ আছে।

. ইতিমধ্যে চৰকাৰে তেনেকুৰা লেভেলত গৈছে। গতিকে আপোনাৰ উপদেশটো হ'ব লাগিছিল তেনেকুৰা ধৰণৰ। গতিকে এচ আই ৰ কেলেংকাৰীৰ ক্ষেত্ৰত যিটো দৃষ্টান্তমূলক ব্যৱস্থা মুখ্যমন্ত্ৰীয়ে লৈছে। অধ্যক্ষ ডাঙৰীয়া,  মোৰ মন্ত্ৰীৰ দায়িত্ব সহকাৰে মই কৈছো যে ভাৰতবৰ্ষত এনেকুৰা দৃষ্টান্তমূলক ব্যৱস্থা লোৱা কতো আজিলৈকে নজিৰ নাই আৰু মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱালক অসমৰ ৰাইজে ধন্যবাদ দিছে আজিৰ তাৰিখত। আমি যিয়েই নকওঁক ৰাজনৈতিক ভাৱে ইয়াত, আশীৰ্বাদো দিছো, ধন্যবাদো দিছো। কাৰণ কিয়, এনেকুৰা দৃষ্টান্তমূলক ব্যৱস্থা কেতিয়াও কতো হোৱা নাই। শূণ্যসহনশীলতাৰ কথা যিটো কৈছে, সেইটো আজি আমি আজিৰ দিনটোতো মানি আছো। গতিকে তেখেতে উল্লেখ কৰিছে।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে সময় ল'ব। আপোনালোকে ক'ব। I will allow. কিন্তু এনেকে মাজত নক'ব আৰু তেওঁ permission লোৱাৰ কাৰণে মোৰ বেয়া লাগিছে। Jakir Hussian Sikder, I have told you don't try to disturb the proceedings. Please do not try to disturb the proceeding. All the Members sit down. Everybody should sit down.

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** I am on lay.  মই এটা কথা ক'ব খুজিছো। আপোনালোকে যদি এইখিনি কথা আলোচনা কৰিব নালাগে, মই বন্ধ কৰি থৈ গুচি যাব পাৰো। এনেকুৰা নকৰিব। মই সকলো পক্ষকে কৈছো। কথাটো হৈছে যে যেতিয়া এজন মন্ত্ৰীয়ে উত্তৰ দি থাকে, প্ৰশ্ন কৰ্তাই কিবা এটা সুধিলেও বাকীখিনিয়ে মাজত নামাতিলে ভাল। কিবা যদি থাকে আপোনালোকক সময় দিম। আপোনালোকৰ এজনে কবলৈ পাব চাপ্লিমেণ্টৰী। তেখেতক সকলো জনাই দিয়ক। তেখেতে ক'ব। মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোলৈ এটা নোট দিছিল যে, অলপ কিবা এটা কাম এটা আছে যাব পাৰিব নেকি ? Since the Minister is conducting. মই যাবলৈ ক'লো। তাৰপিছত এই কথাখিনি proceedings ত নাথাকে। কাৰণ মোৰ permission লৈহে গৈছে আজি। কিবা এটা কথাৰ কাৰণে কৈছে মই ক'লো, যাব পাৰে। কেতিয়াবা এনেকুৰা হয়। তেওঁ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী। যেতিয়া পিছৰ প্ৰশ্ন আহিব, তেখেতে ক'বও পাৰে। Please Jakir Hussain you are not allow, Shri Debobrata Saikia is there. You cannot. এটা প্ৰশ্ন মই আগতেও কৈছো, প্ৰত্যেককে এটা এটা দিম। এইটো দৰকাৰী কাৰণে কৈছো। শ্ৰী গুণীন্দ্ৰ নাথ দাসে প্ৰথমে হাত দাঙিছিল। শ্ৰীদেৱব্ৰত শইকীয়া উঠাৰ পিছত মই কৈছো, ঠিক আছে। তাৰপিছত তেখেতে ক'ব। আপোনালোকে যদি চিঞৰ-বাখৰ কৰিব খোজে, মই house adjourned কৰি গুচি যাম। মই বহুদিনৰ পৰাই চেষ্টা কৰি আছো যে, কথাবিলাক ওলাওঁকচোন ? ভালকে হওঁক। আপোনালোকৰ কাম হৈছে, লোকৰ কাম হৈছে শাসকপক্ষক কথাখিনি সমালোচনাৰ সুৰেৰে ক'ব আপোনালোকে। কেতিয়াও সমৰ্থন কৰি নহয়। এইটো সদায় হৈ আছে। কিন্তু শাসক পক্ষই যেতিয়া উত্তৰ দিব,

শুনিবলৈ ধৈৰ্য্য অলপ লাগিব। নহ'লে এনেকে নহ'ব। আৰু মই সেই কাৰণে কৈছো, আৰু যদি হুলস্থূল হয়, I have no option কাৰণ এনেকে হাউচ চলোৱাটো উচিত নহয় আৰু চাৰিটা চাপ্লিমেণ্টৰী আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, এচ এই কেলেংকাৰীৰ সম্পৰ্কত আমি ক্লিয়াৰ কৰিলো আৰু যিহেতুকে হাউচৰ পৰা এখেতে কোৱা কথাখিনি ইয়াৰ পৰা withdraw কৰিছে, এইটো ভাল পালো। কাৰণ মুখ্যমন্ত্ৰী ডাঙৰীয়া ইয়াৰ পৰা যেতিয়া গৈছে, আপোনাৰ permission লৈ গৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কাম বহুত থাকিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** I have given my rulling.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মই কিন্তু এটা কথা কওঁ অধ্যক্ষ ডাঙৰীয়া, আমাৰ ইয়াত যিখিনি জ্যেষ্ঠ বিধায়ক আছে, মইও ৩৫ বছৰ একেৰাহে এই ৰাজনীতিত আছো। আজি মই এটা কথা স্পষ্টভাৱে কওঁ যে, মোৰ যিটো ব্যক্তিগত অভিজ্ঞতা ৰাজনীতিৰ ক্ষেত্ৰখনত, অসমৰ মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোনোৱাল, তেওঁৰ যিটো নিকা ভাৱমূৰ্ত্তী, তেওঁ উঠি যোৱাক লৈ যি প্ৰশ্ন কৰিছে, তেওঁ এজন অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি একনম্বৰ প্ৰশ্নৰ যিটো দ্বিতীয় (খ) আংশ কেলেংকাৰীত বৰ্তমানলৈকে ৫০ জন ব্যক্তি জড়িত থকা পোৱা গৈছে আৰু ইয়াৰে ৪৯ জনক গ্ৰেপ্তাৰ কৰা হৈছে। মহোদয়, ইতিমেধে অভিযোগনামাও দাখিল কৰিছে যোৱা ১৮ ডিচেম্বৰ তাৰিখে। আমি এই কথাখিনিত সন্তুষ্ট নহয়। কাৰণটো হ'ল যে Kerela Electronic Development Corporation ক এই কামখিনি কৰিব দিয়া হৈছিল অধ্যক্ষ মহোদয় আৰু কেৰেলাৰ মুখ্যমন্ত্ৰীক মই এটা অভিযোগ দিছিলো, তেখেতসকলে আমাক জনাইছে যে Keltron do not have any direct involvement in conducting the examinations, more over the Chairman of Assam Police State Level Recruitment Board (SLPRB) has informed that all activities relating to setting, printing, packing, transportation of Question paper to the Venues and re-transportation of the OMR sheets back to SLPRB office will be done by the SLPRB themselves to maintain Secrecy even though it falls to the scope of work of M/s Amain Tech consultants and M/s Ahkay Tel communications. মহোদয়, এতিয়া মূল কথাটো হ'ল যে গোটেই কামখিনি State Level Police Recruitment Board য়ে কৰিছে আৰু ইয়াৰ অধ্যক্ষজনে এইখিনি কাম কৰিম বুলি নিজে গাত পাতি লৈছিল। তাৰ পাছত ৫০ জনৰ ভিতৰত ৪৯ জনক যে গ্ৰেপ্তাৰ কৰিলে সেই এক নম্বৰজন কি তেখেতে নেকি? আৰু অভিযোগনামা দাখিল কৰিলে আমি ইয়াত বহুত সন্দেহৰ থল আছে যে ৰৌ -বৰালী হাত সাৰি যাবলৈ দিয়া হ'ল নেকি? আমি আগৰ পৰা ডিমাণ্ড কৰি আছিলো sitting judge of the high court ৰ যোগেদি কৰিব লাগে। চি আই ডি তদন্তত এইটো সম্ভৱ নহ'ব। সেই গতিকে আজি আপোনাৰ ওচৰত পুনৰ অসম চৰকাৰৰ ওচৰত দাবী জনাইছো যে, sitting judge ৰ যোগেদি এটা তদন্ত কৰাৰ ব্যৱস্থা কৰি হাই কোৰ্টৰ judge ৰ যোগেদি পৰৱৰ্তী চি বি আই ক দিব নেকি কেচটো কাৰণ ইয়াত মই এতিয়া তথ্যখিনি দিব বিচাৰিছো।গতিকে চি আই ডি য়ে যিখিনি কৰিলে তাত প্ৰথমতে আছে সেই গতিকে ইয়াৰ

গোটেইখিনি satifactory হোৱা নাই। ইয়াৰ জলজল প্ৰমাণ-প্ৰবাদ আপোনাৰ হাতত দিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ মজিয়াত বহুতবাৰ কৈছো যে অসম পুলিছ ভাৰতবৰ্ষৰ ভিতৰত সকলো দিশৰ পৰা এটা প্ৰথম স্থানত আছে। Investigation য়েই হওঁক, operation য়েই হওঁক, বা বিভিন্ন কাৰণতেই হওঁক। এইটো ভাৰতবৰ্ষৰ সকলো State Police ত কৈ অসম পুলিচ এক নম্বৰত আছে সদায় আৰু অসমৰ চি আই ডিয়ে এই গোটেই বিষয়টো যেতিয়া তদন্ত কৰিছে, ইয়াতে তদন্ত কৰোতে, কাক কাক তদন্ত কৰিছে, সেইকেইটা আপোনালোকে দেখিছে। নাম ঠিকনা সকলো দেখিছে। যিজনে কাৰ্য্যবাস চলাই আছে, তেনেকুৱা এচ পি ও ইয়াত ধৰা পৰিছে। প্ৰশ্নটো হৈছে যে, এইটো আমি কেলেংকাৰী বুলি ক'লো হয়। যদি প্ৰশ্ন কাকতখন লিক হোৱাৰ পিছত পৰীক্ষাটো হ'ব দিলেহেঁতেন, আৰু নিযুক্তি যদি হ'লহেঁতেন তেতিয়া সেইটো কেলেংকাৰী হ'ল হয়। সেইটো আমিও মানি লম। কিন্তু প্ৰশ্ন কাকতখন লিক হোৱাৰ ১৫ মিনিটৰ ভিতৰত যেতিয়া মুখ্যমন্ত্ৰীয়ে যিটো পৰীক্ষা সম্পূৰ্ণ বাতিল কৰিল, এই গোটেই পৰীক্ষাটো স্বচ্ছ হোৱাৰ কাৰণে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে পৰীক্ষা পাতিলে গতিকে মইতো এইটো কেলেংকাৰী বুলি কেতিয়াও নাভাবো বা অসম পুলিচৰ ওপৰত যদি আমাৰ ইমান অবিশ্বাস আছে, সেইটোতো নহয়। যদি অসম পুলিচৰ ওপৰত আমাৰ ইমানেই অবিশ্বাস আছে যিকেইটা পি এচ অ' লৈ ঘুৰি ফুৰো, সেইকেইটাৰ ওপৰতো আমাৰ অবিশ্বাস আছে। আমিতো তেওঁলোকৰ ওপৰতে নিৰ্ভৰ। গতিকে তেনেকুৱা এটা কথা হয়। গতিকে যিকেইটা পি এচ অ' লৈ ঘুৰি ফুৰো সেইকেইটাও তাৰ ওপৰত আহিব। গতিকে অধ্যক্ষ মহোদয়, অসম পুলিচৰ ওপৰত আমাৰ সম্পূৰ্ণ বিশ্বাস আছে।

**মাননীয় অধ্যক্ষ ঃ** তেখেতে উত্তৰ দি আছে, উত্তৰটো শেষ হোৱাৰ পাচত সুধিব। উত্তৰ শুনাৰ পাছত আপত্তিটো কি? মাজতে কিয় থিয় হৈছে। উত্তৰটো দিয়াৰ পাছত মই allow কৰিম।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** অধ্যক্ষ ডাঙৰীয়া, মাননীয় বিৰোধী দলপতিয়ে যিটো প্ৰশ্ন কৰিছে ইয়াত যিটো লেকুনা আছে বুলি তেওঁ সন্দেহ কৰিছে সেইকাৰণতো চি আই ডি ক কথাটো তদন্ত কৰিব দিয়া হৈছে।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, (নাওঁবৈচা)ঃ** Leader of the Opposition ৰ লগত PSO ৰ কথাটো ক'ত জৰিত।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মই আপোনাক বুজাই দিম। অধ্যক্ষ ডডাঙৰীয়া ,অসম পুলিচে যিটো এনকুৱেৰী কৰিছে, অসম পুলিচে সম্পূৰ্ণ নিৰপেক্ষভাৱে ভালকে তদন্ত কৰিছে। ইমান কম দিনৰ ভিতৰত সকলোকে কৰায়ত্ত কৰি ইমান পইচা পাতিও উদ্ধাৰ কৰি আজি sitting SP যেতিয়া গ্ৰেপ্তাৰ কৰিছে গতিকে ইয়াতকৈ আৰু ডাঙৰ কাম কেতিয়াও কোনো কৰিব নোৱাৰে। গতিকে মই কথাটো এইকাৰণে কৈছো অসম পুলিচৰ ওপৰত আমাৰ সম্পূৰ্ণ বিশ্বাস আছে আৰু অসম পুলিচে ভালকে কৰিব পাৰিছে আৰু অসম পুলিচে ভালকৈ কৰি আছে।

**শ্ৰী গুণীন দাস, (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ প্ৰথমতে মাননীয় মুখ্যমন্ত্ৰীক ধন্যবাদ যাচিছো। আমাৰ বৰপেটা থানাখন অতি সুন্দৰভাৱে নিৰ্মাণ কৰিছে মৈত্ৰী আঁচনিৰ জৰিয়তে। মোৰ এটা প্ৰশ্ন আছে অধ্যক্ষ মহোদয়, আমাৰ থানাৰ পিছত ৪-৫ টা খাল বহুত খালী ঠাই আছে

আৰু আৰক্ষী সকলৰ কোৱাৰ্টাৰৰ কাৰণে বহুত অসুবিধা। চৰকাৰে যিহেতুকে আঁচনি লৈছে যে আৰু নতুনকৈ ফ্লেট নিৰ্মাণ কৰিব আৰু সেই ফ্লেটৰ নামটোত আমাৰ বৰপেটা থানাখন অন্তৰ্ভূক্ত কৰিব লাগে তেতিয়া হ'লে আৰক্ষী সকলৰ উপকাৰ হ'ব। দ্বিতীয় কথাটো হৈছে, বৰপেটা চহৰৰ পৰা প্ৰায় ১২ কিলোমিটাৰ আতৰত পালাজী বুলি এখন ঠাই আছে, সংখ্যালঘু এলেকা প্ৰায় ৪০-৫০ হাজাৰ সংক্যালঘু ৰাইজক সেই ঠাইৰ পৰা প্ৰতিনিধিত্ব কৰে তাত আৰক্ষী চকী নোহোৱাৰ কাৰণে তেওঁলোকে বৰপেটাত আহিব লাগে যথেষ্ট অসুবিধা হয়। ভৱিষ্যতে যদি আৰক্ষী চকী নিৰ্মাণ কৰে তেতিয়া হ'লে চৰকাৰে এইখিনি বিবেচনা কৰাৰ কাৰণে মই মাননীয় অধ্যক্ষৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইযিবিলাক কোৱাৰ্টাৰ বনাব, বৰপেটা থানাও তাতে কোৱাৰ্টাৰৰ ভিতৰত থাকিব। কিন্তু মই নকওঁ যে এই মাহতে হ'ব বা অহা মাহত হ'ব। গতিকে পৰ্য্যায় ভিত্তিত আপোনাৰ বৰপেটা থানাও থাকিব অসমৰ সকলো থানা থাকিব। য'ত পুলিচ থানা অত্যাধুনিক ভাৱে নিৰ্মাণ কৰা হৈছে তাত পুলিচৰ কোৱাৰ্টাৰ, ৰিজাপখনত বেৰেক এই সকলো বিলাক থাকিব। এইটো এনেকুৱা নহয় যে definite কোনোবা কেইখনমান থানাত হে থাকিব। সেইটো পৰ্য্যায় ভিত্তি এইটো থাকিব। দ্বিতীয় কথা যিটো পালাজীত এখন থানা লাগে বুলি কৈছে গতিকে থানাৰ ক্ষেত্ৰত অধ্যক্ষ ডাঙৰীয়া, শ্ৰী মুকেশ সাহাই ডি জি পি থাকোতে এখন কমিটি কৰি দিছিল আৰু তেওঁ ডি জি পিৰ নেতৃত্বত এখন আছে আৰু সেই কমিটিখনে থানাখনৰ কমিটিখনে ক'ত ক'ত থানা লাগিব, population কেনেকুৱা, ক'ত কি আছে এই গোটেইখিনি কথা ষ্টাদি কৰি তেওঁলোকে এটা ৰিপৰ্ট দিয়ে। গতিকে যদিএচ পি, ডি চিৰ পৰা তেনেকুৱা প্ৰস্তাৱ আহে, বৰপেটা জিলাৰ পৰা তেতিয়া হ'লে সেই সই কমিটিখনো আহিব আৰু কমিটিখনে ৰিকমেণ্ড কৰি লে হৈ যাব। এই কমিটিখনৰ ওপৰতে নিৰ্ভৰ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীকুশল দুৱৰী।

**শ্ৰীকুশল দুৱৰী, থাওৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই প্ৰথমে গৃহ তথা মুখ্য মন্ত্ৰী মহোদয়ক মই ধন্যবাদ জনাইছো মৈত্ৰী আচঁনিৰ জৰিয়তে আমাৰ পুলিচ বিভাগৰ থানাই হওঁক, ৰিজাৰ্ভে হওঁক যিখিনি তেওঁ আঁচনি লৈছে ইয়াৰ লগতে মই এটা অনুৰোধ জনাব বিচাৰিছো যে, আমাৰ অসমৰ বিভিন্ন থানাৰ কেম্পাছ, এই কেম্পাছ বিলাকত বহুতো এক্সিডেণ্ট গাড়ী বা বিভিন্ন কেচত চিজ কৰা গাড়ী বা বিভিন্ন ধৰণৰ বয়-বস্তুবিলাক আছে। এই বয়-বস্তু বিলাক থকাৰ কাৰণে আমাৰ থানাৰ কেম্পাছবিলাক এটা অপৰিৱেশৰ সৃষ্টি হৈছে। গতিকে মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ জনাব বিচাৰিছো এই বস্তুবিলাকৰ যিবিলাক অমীমাংসিত কেচ আছে, এইবিলাকৰ এটা মীমাংসা কৰি owner ক ঘুৰাই দিব লাগে। নহ'লে এইবিলাক disposed কৰাৰ ব্যৱস্থা আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ে ল'ব নেকি অনুৰোধ জনাইছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আজি এই কথাখিনি পুলিচ বিভাগক জনাম আৰু যিটো আপুনি কথা কৈছে, বিভিন্ন ঠাইত বহুত পুৰণা গাড়ী পৰি আছে, সেইবিলাক মালিক বিলাকেও নিব নাহে। গতিকে বহুত বছৰ ধৰি পৰি আছে। গতিকে আপোনাৰ কথাখিনি পুলিচ বিভাগক জনাব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** হাফিজ বছিৰ আহমেদ কাচিমী।

**হাফিজ বছিৰ আহমেদ কাচিমী, (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহাশয়, মই প্ৰসংগত এটা প্ৰশ্ন উত্থাপন কৰিব বিচাৰিছো যে, মোৰ সমষ্টিত মহামায়া এটা অঞ্চল, আগতে BTAD,

Non-BTAD Area ৰ মাজত আছিল। মহামায়া থানা দুটা অঞ্চলৰে এৰিয়া cover কৰিছিল। কিন্তু থানা এখন BTAD Area ত পৰাৰ কাৰণে Non-BTAD area ৰ প্ৰশাসনৰ বাবে আটানী আৰু নয়াহাট দুখন আৰক্ষী চকী নিৰ্মাণ কৰা হ'ল কিন্তু ইয়াক গৌৰীপুৰ থানাৰ লগত attach কৰা হ'ল। সেই কাৰণে জনসাধাৰণ অত্যন্ত অসুবিধাৰ সন্মুখীন হৈছে, তেওঁলোকে বিভিন্ন কামত বিলাসীপাৰাৰ পৰা গৌৰীপুৰত যাব লাগে। মই আৰু এবাৰ প্ৰশ্নটো উত্থাপন কৰিছিলো। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম আৰু তেখেতৰ পৰা assurance বিচাৰিম যে, আটানী থানা যিটো আউট পোষ্ট আছে, ইয়াক উন্নত কৰি fullfledged এখন থানা বনাই গোটেই অঞ্চলটোৰেই থানাৰ অন্তৰ্ভূক্ত কৰি দিব লাগে এই সম্পৰ্কে মন্ত্ৰী মহোদয়ৰ পৰা আশ্বাস বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অলপ আগতে ক'লো কথাটো যে আমাৰ ডি জি পিৰ Chairmanship ত এখন কমিটি আছে আৰু আপোনাৰ যিখন আটানী থানা সেই থানাখন আচলতে fullfledged থানা কৰিব লাগে নে আউট পোষ্ট কৰিব লাগে এই সম্পৰ্কত তাৰ পৰা ডি চি, এচ পি য়ে ৰিপোৰ্ট দিব লাগিব আৰু ৰিপোৰ্টটো দিয়াৰ পিছত আমাৰ যিখন কমিটি থাকিব headed by DGP সেই কমিটিখনে এই কথাখিনি বিচাৰ বিবেচনা কৰে। দুৰত্ব থাকিব লাগিব, population থাকিব লাগিব, crime rate থাকিব লাগিব ইত্যাদি বিভিন্ন criteria থাকে, এই selection টোত। গতিকে এই গোটেইবিলাক কথা বিবেচনা কৰি সেই কমিটিখনে যেতিয়া recommend কৰিব, recommend কৰাৰ পাছত এইটো চৰকাৰলৈ আহে আৰু তেতিয়া চৰকাৰে বিবেচনা কৰিব পাৰিব। আপুনি কোৱা কথাখিনি আমি note কৰি থৈছো আৰু আমি সেই হিচাপে কম। আ পোনাৰ জিলাৰ ডি চি, এচ পিক ক'ব তাৰ প্ৰয়োজনীয়তাৰ কথা যিখিনি। তেওঁলোকৰ পৰা proposal আহিব লাগিব। Proposal নাহিলে কথাটো অসুবিধা হয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী কমলী বসুমতাৰী।

**শ্ৰীমতী কমলী বসুমতাৰী (পানেৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু আউট পোষ্ট আৰু থানাৰ গৃহ নিৰ্মাণ এই সম্পৰ্কে আলোচনা হ'ল। মোৰ উত্তৰটো ইতিমধ্যে পাইছো- তথাপিও অধ্যক্ষ মহোদয়, মোৰ পানেৰী সমষ্টিৰ ভেৰগাওঁ চাব ডিভিজনত এটা আউট পোষ্ট আছে। সেই আউটপোষ্টটো বৰ্ত্তমান ভেৰগাওঁ ব্লক ডেভল'পমেন্টৰ কোৱাৰ্টাৰবিলাকত কাম-কাজ চলাই আছে।

অধ্যক্ষ মহোদয় আউটপোষ্টটো থানালৈ উন্নীতকৰণৰ প্ৰপোজেল আহিছে । ডি চি আৰু এচ পিৰ পৰা প্ৰপোজেল কেতিয়াবাই পঠিওৱা হৈছে। চাব ডিভিজনত এখন থানা খুব প্ৰয়োজন গতিকে সেই হিচাপে এইটো থানালৈ উন্নীতকৰণ কৰি গৃহ নিৰ্মানৰ ব্যৱস্থা ল'ব বুলি মই আশা ৰাখিছো। তাৰ ওপৰিও খাগ্ৰাবাৰীত এটা আউটপোষ্ট আছে- সেই আউটপোষ্টটোত থকা মেলাৰ অসুবিধা নাই কিন্তু বাউণ্ডেৰী ৱাল নাই , কোনো থানা বা আউটপোষ্টতে নাই। অধ্যক্ষ মহোদয়- থানাই যদি চিকিউৰড নহয় কাৰণ তাত চোৰ - ডকাইত বিভিন্ন অপৰাধীসকলক লৈ যোৱা হয়। থানাৰ ৱাল ভাঙি চোৰ ডকাইত পলোৱা বুলি আমি নিউজত নাপাওঁ। সেই হিচাপত থানা বা আউটপোষ্টবিলাকত ৱাল নিৰ্মান বা গৃহ নিৰ্মানৰ কাৰণে ব্যৱস্থা ল'ব বুলি মই অনুৰোধ কৰিছো। ধন্যবাদ ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যিটো প্ৰশ্ন কৰা হৈছে- সেইটো এটাই উত্তৰ হ'ব। ডি চি- এচ পিৰ জৰিয়তে মাননীয়া সদস্যাগৰাকীয়ে কোৱামতে যদি আহিছে- বি জে পিৰ নেতৃত্বত যিখন কমিটি থাকিব নিশ্চয় এই কমিটিখনে বিচা ৰ বিবেচনা

কৰি চৰকাৰলৈ পঠিৱাব। কমিটিৰ ৰিক'মেণ্ডেশ্যনমতে চৰকাৰখনে কৰিব পাৰিব। সকলোৱে ক্ষেত্ৰত একেটাই উত্তৰ হ'ব। মাননীয়া বিধায়িকাগৰাকীয়ে যিটো দ্বিতীয়তে কথা কৈছে- বাউণ্ডেৰী ৱালৰ ক্ষেত্ৰত । যিহেতু আমি মৈত্ৰেয়ী আঁচনিৰ দ্বাৰা গোটেই থানা বিলাক ভাল কৰিব বিচাৰিছো তাত মাননীয়া সদস্যা গৰাকীয়ে উল্লেখ কৰা থানাখনো থাকিব, বাদ নপৰে।

**মাননীয় অধ্যক্ষ ঃ** ইমানখিনি কন্ট্ৰভাৰ্চি হোৱাৰ পিছত যিহেতু আপোনালোকে হাউচ চলাবলৈ দিলে, মই সেই কাৰণে শ্বেৰমান আলি আহমেদক কৈছো যে আপুনি এটা সৰু প্ৰশ্ন কৰক , তাৰ পিছত আমি পৰৱৰ্তী প্ৰশ্নলৈ যাম।

**শ্ৰীশ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়। কোৱেশ্যনটো মোৰ সমষ্টিৰ লগত ৰিলেটেড, regarding Police Station. অধ্যক্ষ মহোদয়- বৰ্ত্তমান চৰকাৰৰ ৩ মাহ আছে- বৰ বেছি মই আশা কৰা নাই- কিন্তু মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিব খুজিছো। কথাটো হ'ল মই ০৮-১২-২০১৬ চনত মন্দিয়া আৰু মইনৰৰী আউটপোষ্ট আপগ্ৰেডেশ্যনৰ বাবে লিখিলো কিন্তু আজি ৪ বছৰ পাৰ হৈ গ'ল-হোৱা নাই। অধ্যক্ষ মহোদয়, ধৰি ল'লো ফাইনেন্সীয়েল অসুবিধাৰ বাবে আউটপোষ্ট আপগ্ৰেডেশ্যন কৰিব পৰা নাই। কিন্তু অধ্যক্ষ মহোদয় মোৰ আৰু এটা কোৱেশ্যন আছিল - যে -মোৰ সমষ্টিৰ কিছু গাঁও আলোপতি থানাৰ অন্তৰ্গত আছে- কিন্তু সেইবোৰ আনিব লাগে বাঘবৰ থানাত। বাঘবৰ থানাৰ ১ কি.মি ভিতৰত থকা গাওঁ আলোপতি থানাৰ অন্তৰ্গত সোমাই আছে তেনেকৈ বাঘবৰ থানাৰ নিচেই ওচৰত থকা গাওঁবোৰ কলগাছিয়াত সোমাই আছে। মই বিচাৰিছিলো reorganize হৈ পেলাই মোৰ গাওঁখিনি শুদ্ধ কৰিব লাগে। এইটোত কোনো Financial Involvement নাই। এইটো ছাৰ দুইমাহত কৰিব পাৰে। আউটপোষ্ট দুটা আপগ্ৰেড কৰিব দিছিলো- তেওলোকে ক'লে Financial Involvement আছে- ২০২১-২২ত কৰিব। কিন্তু এই গাওঁ কেইখনৰ কথা ০৮-১২-২০১৬ত মই লিখিছিলো , আজি ৪ বছৰ পাৰ হৈ গ'ল এতিয়ালৈ নহ'ল । ছাৰ ফাইলবোৰ কেনেকৈ টাকুৰী ঘুৰাদি ঘুৰে চাওঁক। I requested on 08-12-2016 then DC ,Borpeta took up the matter on 10-12-2016 within two days. তাৰ পিছত কি হ'ল- এচ পি , বৰপেটা- ডি চিলৈ লিখিলে- ২০-০৭-২০১৮ তাৰ পিচত ডি চিয়ে আকৌ লিখিলে- ১০-০৮-২০১৮- তাৰ পিছত এ ডি চি, বৰপেটা এচ পিক ৰিকোৱেষ্ট কৰিলে প্ৰপোজেল দিয়াৰ বাবে- এচ পি বৰপেটাই লিখিলে ০৫-০৯-২০১৮ চনত এনেকৈ ছাৰ ১৫ বাৰ- হৈ গ'ল। এই গাওঁকেইখন ৰি অৰ্গেনাইজ কৰিবলৈ আজি ৪ টা বছৰ কিয় পাৰ হৈ গ'ল? মই এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে সদুত্তৰ বিচাৰিছো। জানুৱাৰীৰ ভিতৰত কৰি দিবনে এইটো আশ্বাস বিচাৰিছো অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** কোন কেইখন গাওঁ কোন থানাত অৰ্ন্তভুক্ত কৰিব লাগে, আপুনি আজি এখন চিঠি মুখ্যমন্ত্ৰী ডাঙৰীয়াক লিখি দিয়ক। ৰাজেদ আলি চৌধুৰী ডাঙৰীয়াৰ ডাঙৰ কাম এটা আমি কৰিছো- আপোনাৰটোও হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে- এতিয়া শিলাদিত্য দেৱ।

**শ্ৰীশিলাদিত্য দেৱ (হোজাই) ঃ** অধ্যক্ষ মহোদয়, হোজাই পুলিচ ডিষ্ট্ৰিক্ট২০১৫ চনত ঘোষনা কৰিছিলে নগাওঁ জিলাৰ পৰা কাটি আনি। ২০১৫ চনত যেতিয়া ঘোষণা কৰিছিলে কোনো infrastructure নাছিলে। এটা গোডাউন ঘৰৰ পৰা আৰম্ভ কৰা হৈছিল পুলিচ ডিষ্ট্ৰিক্ট । আজিৰ দিনত পুলিছ ডিষ্ট্ৰিক্ট, এচ পি কোৱাৰ্টাৰ প্ৰায়খিনি আহিছে, মৈত্ৰেয়ী আঁচনিৰ অধীনত হোজাই পুলিছ

ষ্টেশ্যন নিৰ্মান কৰি আছে। মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম যে ফেব্ৰুৱাৰীৰ ভিতৰতে যদি এইটো অপেনিং কৰিব পাৰে আমি সুখী হ'ম। দ্বিতীয়তে হ'ল- bifurcation ৰ পিছত আমাৰ Police Force কম হৈ আছে। যদি নগাওঁ জিলাৰ পৰা অলপ আমাক দিয়ে তেতিয়া হ'লে বেলেঞ্চ হ'ব। ইয়াৰ লগতে নগাওঁ জিলাৰ সন্মানীয় বিধায়কৰ এটা কথা ক'ব বিচাৰিছিলো- যে মৈত্ৰেয়ী আঁচনিৰ অধীনত যেন সদৰ থানাখন আহি যায়। এইটো এটা ৰিকোৱেষ্ট আছিল। এইখিনিয়ে অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী(সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, যিখিনি নতুন জিলা হ'ল- তাত এনেধৰণৰ সমস্যা কিছু কিছু আছে । এই সমস্যাখিনি চৰকাৰে চেটেল কৰিব। এইবিলাক চিন্তা কৰিবলগা নাই। আৰু দ্বিতীয় কথা যিটো আছে- মই অলপ আগতে কৈছিলো যে- মৈত্ৰেয়ীৰ অধীনত পৰ্য্যায়ক্ৰমে সকলোখিনি থানা সাঙুৰি লোৱা হ'ব। যিখিনি হৈ গৈছে এটা মাননীয় বিধায়কসকলে এখন সভা পাতি মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমন্ত্ৰণ কৰি অপেনিং কৰি দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্বন নং - ২ আব্দুৰ ৰছিদ মণ্ডল।

**শ্ৰীআব্দুৰ ৰছিদ মণ্ডল (গোৱালপাৰা পশ্চিম) ঃ** অধ্যক্ষ ডাঙৰীয়া মোৰ প্ৰশ্নৰ উত্তৰ পাইছো। মোৰ ১নং প্ৰশ্নটো আছিল যে কিমানখিনি ভূমিহীন মানুহ আছে। তাৰ যিটো উত্তৰ দিছে - ইয়াৰ ব্যৱধানটো দেখা যায় ৩,৪৭,৮২২ জন ভূমিহীন মানুহৰ বিপৰীতে যোৱা ৫ বছৰে মাত্ৰ ৭৭,৭২৭ টা পৰিয়ালক ভূমিৰ আবন্টণ দিব পাৰিছে। ইয়াতে দেখা গ'ল ২ লাখ ৭০ হাজাৰ ৯৫ টা পৰিয়াল এতিয়াও বাকী আছে। মানে এতিয়াও ভূমিহীন হৈ আছে। এনেকৈ ভূমিহীন হৈ থকাৰ ফলতে মাটি বেদখলৰ ঘটনাবিলাক ঘটে। চৰকাৰে দায়িত্বসহকাৰে যদি এই ভূমিহীন পৰিয়ালবিলাকক সময়মতে ভূমি আবন্টণ দিয়ে তেতিয়াহ'লে বেদখল নহয়। এভিক্‌শ্যনৰ নামত কোটি কোটি টকা খৰছ কৰিবলগীয়া হোৱাৰ পৰা চৰকাৰ ৰক্ষা পৰিব। গতিকে মোৰ অনুৰোধ থাকিল যে ভূমিহীন পৰিয়ালখিনিৰ ক্ষেত্ৰত ব্যৱস্থা ল'বলৈ চৰকাৰে নিৰ্দিষ্ট সময় সাপেক্ষে ডি চিসকলক নিৰ্দ্দেৰ্শনা দিয়ে যেন। দ্বিতীয়তে, ২০০৬ চনত নবেম্বৰ মাহত গোৱালপাৰাত District Land Advisory Committee য়ে resolution লৈছিল। তাৰে দুটা resolution ইয়াত দেখুওৱা হৈছে যে লক্ষীপুৰ ৰাজহ চক্ৰৰ নিদানপুৰত একেবাৰে Circle Office ৰ গাতে লাগি থকা ঠাইখিনিত ৬০৭ টা পৰিয়ালক ৩০০ বিঘা মাটি আবন্টণ দিব বুলি কোৱা হৈছিল। ইয়াতে যিটো উত্তৰ দিছে, Total Land measuring 100 Bigha was allotted to 607 nos. of families of village Nidanpur Part -II, under Lakhipur Development Circle. এইটো ডি চিৰ ৰিপোৰ্ট বুলি কৈছে। কিন্তু এইটো সম্পূৰ্ণ অশুদ্ধ উত্তৰ এটা ইয়াত আহিছে। কাৰণ, ২০০৬ চনত এই ৰিজোলুশ্যন লোৱাৰ সময়ত মই বিধায়ক আছিলো আৰু এতিয়াও মই বিধায়ক। গতিকে তাত এতিয়ালৈকে খুব বেছি ৩৫ টা পৰিয়ালক এলোটমেন্ট দিয়া হৈছে। ১০ টা ফেমিলিয়ে মাটিৰ পট্টা পাইছে। বাকী মানুহখিনি এতিয়াও পট্টাৰ কাৰণে ঘুৰি থাকিব লগীয়া হৈছে। এই কথাখিনি District Land Advisory Committee ত কেইবাবাৰো উত্থাপন হৈছে । আজিও ইয়াৰ সঠিক উত্তৰ পোৱা নগ'ল। ইয়াৰ বাবে মই চৰকাৰৰ পৰা এটা ক্লেৰিফিকেশ্যন বিচাৰিছো আৰু এটা ৰিজোলুশ্যন আছিল যে List of beneficiaries, D.C Office ত ট্ৰেচ কৰিব পৰা নাই। অৰ্থ্যাৎ এই নিদানপুৰ অঞ্চলত চৰ অঞ্চলৰ গৰাখহনীয়াগ্ৰস্ত পৰিয়ালক আবন্টণ দিয়া হৈছিল। আৰু আবন্টণ দিয়া হৈছে বুলি কোৱা হৈছে কিন্তু হিতাধিকাৰী তালিকা ডি

চি অফিচত উপলব্ধ নহয় বুলি কৈছে। এইটো এটা চিন্তাৰ কাৰণ হৈছে। এই বিষয়ে Land Advisory Committee তআপত্তি কৰা হৈছে। কিছুমান বেচৰকাৰী বিদ্যালয় ব্যৱসায় ভিত্তিত চলি আছে। 'ৰিডায়েন্ট' বুলি এটা এন জি ওকো মাটি দিয়া হৈছে। এই বিষয়ে Land Advisory Committee ত আপত্তি কৰা আছে। গতিকে মোৰ সন্দেহ হৈছে যে, যিহেতু List of beneficiaries ট্ৰেচ কৰা হৈছে, আমি ৰিজোলুশ্যনটো মানি লৈছো। কিন্তু ভিতৰুৱাকৈ কাৰোবাক ব্যক্তিগতভাবে এই মাটিখিনি আৱন্টণ দিছে নেকি ? গতিকে এই গোটেইখিনি কথা তদন্তৰ আওতাত আনিব নে নাই সেই বিষয়ে মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । মিনিষ্টাৰ প্লিজ

**শ্ৰীযোগেন মোহন (ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি জানো যে আমাৰ বি জে পি নেতৃত্বাধীন মিত্ৰ জোঁটৰ চৰকাৰ গঠন হোৱাৰ পৰাই আমি জাতি- মাটি -ভেটি ৰক্ষাৰ অৰ্থে চৰকাৰে যুগান্তকাৰী সিদ্ধান্ত লৈছে । যিটো আজি পৰ্য্যন্ত চৰকাৰে ৰক্ষা কৰিছে। ইয়াত মাননীয় বিধায়কে যিটো উল্লেখ কৰিছে, যে ৩ লাখ ৪৭ হ াজাৰ ৮২২ টা Land Less Families অসমত আছে। তাৰে মাত্ৰ ৭৭ হাজাৰ ৭২৭ টা পৰিয়ালক allotment দিয়া হৈছে। আমি সকলোৰে জানো যে দুটা ধৰণে মাটি পট্টা দিয়া হয়। এটা এলোটমেন্ট আৰু এটা চেটেলমেন্ট। ৭৭ হাজাৰ ৭২৭ টা পৰিয়ালক ভূমি দিয়া হৈছে সেইখিনি এলোটমেন্টহে দিয়া হৈছে। যেতিয়া চেটেলমেন্ট হৈছে- ২০১৬ চনৰ পৰা ২০২০ চনৰ ৫ অক্টোৱৰলৈ আমাৰ চৰকাৰে সিদ্ধান্ত কৰি ২ লাখ ২৮ হাজাৰ ১৬০ টা পৰিয়ালক মাটিৰ পট্টা দিছে। যিটো এলোটমেন্ট আৰু চেটেলমেন্টত কৰা হৈছে। এইটো আমাৰ কাৰণে যুগান্তকাৰী সিদ্ধান্ত। ইয়াতে যদি মাইনাচ কৰা হয় তেন্তে এতিয়া মুঠ ১ লাখ ১৯ হাজাৰ ৫৬২ টা পৰিয়াল বৰ্ত্তমানে লেণ্ডলেচ হিচাপে আছে। এতিয়া আমি ১ লাখ ১ হাজাৰ ৪০০ পৰিয়ালক অসমৰ প্ৰায় ২৬ খন জিলাত মাটিৰ পট্টা প্ৰদান কৰিছো। তাতে আমাৰ মন্ত্ৰী বিধায়কসকলেও অংশ গ্ৰহণ কৰিছে। এতিয়া আমি জানুৱাৰী মাহৰ প্ৰথম ভাগতে আৰু এক লাখ পট্টা দিয়াৰ সিদ্ধান্ত হৈছে। ইয়াৰে সকলো প্ৰক্ৰিয়া চলি আছে। ইতিমধ্যে তৃতীয় পৰ্য্যায়ত আমি দিওঁ তেনেহ'লে প্ৰায় Land Less Families অসমত নাথাকিবই। এইটো অসম চৰকাৰৰ যুগান্তকাৰী সিদ্ধান্ত। গতিকে মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত প্ৰতিখন জিলাত এই বিষয়ে আলোচনা হৈ আছে। চাৰ্কোল অফিচেই হওক বা জিলা উপায়ুক্তই হওঁক সকলোৰে দিনে ৰাতি এই খিলঞ্জীয়া ভূমিহীনসকলক পট্টা দিয়াৰ কামত নিয়োজিত হৈ আছে। যিহেতু SLAC বা DL AC ৰ মাননীয় সদস্যসকল মেম্বাৰ। চাৰ্কোল অফিচৰ পৰা প্ৰপোজেল SLAC বা DL AC পাৰ হৈ চৰকাৰলৈ আহে। গতিকে মাননীয় বিধায়কসকল সকলো কথা জ্ঞাত। সন্মানীয় বিধায়ক গৰাকীয়ে গোৱালপাৰা জিলাৰ যিটো কথা ক'লে তেখেতো এল এ চিৰ মেম্বাৰ। গতিকে মই ভাবো আকৌ যেতিয়া DL AC - SLAC হ'ব তাতো তেওঁলোকে মীমাংসা কৰিব পাৰে। আমি ডি চিৰ লগত কথা পাতিছো। তেওলোকৰ তাত লিষ্টখন অহা নাই যিখিনি ইতিমধ্যে পাচ হৈছিল। এই হিতাধিকাৰী লিষ্টখন ২০০৬ চনৰ, এচ ডি এল এ চিত তাৰে কিছু ফাইল মিছিং হৈছিল কিন্তু আমি ফাইলবিলাক অতি সোনকালে দিয়াৰ বাবে কৈছো। বিধায়ক ডাঙৰীয়াকো কৈছো- যিখিনি প্ৰপোজেল আছিল সিদ্ধান্ত দিবলৈ কোৱা হৈছে। সিদ্ধান্ত হোৱাৰ লগে লগে আমি সন্মানীয় বিধায়কক জনাই দিম।

**শ্ৰীআব্দুৰ ৰছিদ মণ্ডল (গোৱালপাৰা পশ্চিম) ঃ** এই কথাখিনি জিলা পৰ্য্যায়ত উত্তৰ নোপোৱাৰ বাবে এই বিধান সভাত প্ৰশ্নটো কৰা হৈছে। Land Advisory Board ৰ মিটিঙত কেইবাবাৰো

ৰিভিউ কৰি ইয়াৰ কোনো ৰিজাল্ট পোৱা নাই। Land Advisory Board ৰ মিটিঙত ডি চিয়ে ষ্ট্ৰিক্টলী ক'ব লাগে যে মাহেকত কমেও ৩০ টা প্ৰপোজেল আহিব লাগিব কাৰণ ইয়াৰ মাজত কিছুমান পি এম এ ৰাই ৰ হিতাধিকাৰী সোমাই আছে। চেটেলমেন্টৰ কথাটো মই এই কাৰণে অনা নাই যে কিছুমান অপ্ৰিয় কথাও আহি যাব পাৰে , পিছত আকৌ হাউচত কনট্ৰ'ভাৰ্চি হৈ যাব পাৰে। চেটেলমেন্টৰ যিখন লিষ্ট এই ক্ষেত্ৰত গোৱালপাৰা জিলাৰ কথা ক'বলৈ হ'লে চৰকাৰৰ যি মূল মন্ত্ৰ সেইটো ইয়াত reflection কৰা নাই। ‘ চবকা চাথ চবকা বিকাশ ’ চৰকাৰৰ যিটো মূল মন্ত্ৰ - এই টো ক্ষেত্ৰত হয়তো আমাৰ হাউচৰ বন্ধুসকলে ইন্টাৰেষ্টেড হ'ব পাৰে। কিন্তু এই কথাৰ পৰা মই নিজকে আঁতৰাই ৰাখিব বিচাৰিছো। কাৰণ গোৱালপাৰা জিলাত চেটেলমেন্টৰ কথা ক'বলৈ গ'লে এতিয়া কোনো reflection তাত দেখা নাযাব। মই আশা কৰি মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে এটলিষ্ট গোৱালপাৰা জিলাত এলোটমেন্টৰ যি লিষ্ট দিয়া হৈছে চাৰ্কোল ৰাইছ চেটেলমেন্ট দিয়া হিতাধিকাৰী লিষ্টটো আমাক দিব নেকি? আৰু ডিষ্ট্ৰিক্ট লেভেলত আলোচনা কৰা কথাটো, মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যে আপোনাৰ জৰিয়তে বিভাগৰ পৰা ডি চি লৈ এটা নিৰ্দেশ যাব লাগে। এই লিষ্টটো চৰকাৰেও পাওঁক আৰু আমাৰ গোৱালপাৰা জিলাৰ যি কেইজন এম এল এ আছে তেওঁলোককো প্ৰভাইড কৰক। এইখিনিয়ে ক'ব লগা অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** উত্তৰটো এক মিনিটমানৰ ভিতৰত দিব।

**শ্ৰীযোগেন মহন, মন্ত্ৰী ঃ** ধন্যবাদ, কথাটো চাৰ্কোল অফিচাৰ আৰু জিলা উপায়ুক্তৰ লগত পাতিছোঁ আৰু লিষ্টখন এইকেইদিনত দিবৰ বাবে এই বিষয়টোৰ ওপৰত তেওঁলোকে কামত লাগি আছে। মই আপোনাক এইটো কওঁ যে ২০১৯ চনৰ Land policy মতে চেটেলমেন্ট যেনেধৰণে দিব লাগে আমি দি আছো। ইয়াতে যেনেকৈ ২০ বছৰ থাকিব লাগে আৰু যিটো প্ৰিমিয়াম দিব লাগে, তেনেধৰণে চেটেলমেন্ট চলি আছে। হিতাধীকাৰীৰ তালিকাত যি সকল যোগ্য সেইসকলে পাবই, ইয়াতে কোনো ধৰণৰ বেলেগ কথা আহিব নোৱাৰে। যি সকলে এই ২০১৯ পলিচিত যোগ্য আটাইখিনিকে দিবলৈ আমি জিলা উপায়ুক্ত আৰু চাৰ্কোল অফিচাৰক নিৰ্দ্দেশ দিছো। গতিকে এই ক্ষেত্ৰত নিশ্চিত থাকক, আমাৰ পলিচিৰ মতে যেনেধৰণে কাৰ্য্যকৰী কৰিব লাগে তেনেকৈ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** লিষ্টৰ কপি এটা পাৰিলে তেখেতকো দিব, সেইটোৱে বিচাৰিছে। Question hour is over.

## পইন্ট অৰ অৰ্ডাৰ

**মাননীয় অধ্যক্ষ ঃ** পইন্ট অৰ অৰ্ডৰ বুলি ২০ মিনিট গ'লে বৰ দিগদাৰ। মই সেইকাৰণে কৈছো সকলোৱে যাতে বহলাই নকৈ যিটো আঁসোৱাহ দেখিছে সেইটো উত্থাপন কৰিব। এই ফালৰ পৰা আপুনি কওক।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা তৰাযুক্ত প্ৰশ্ন ১৮ নং টো আছিল অগ্নি আৰু আপাতকালীন কেন্দ্ৰ স্থাপন সম্পৰ্কে। এই পবিত্ৰ সদনত মই কেইবাবাৰো এই প্ৰস্তাৱ আনিছিলো আৰু বিভাগীয় ভাৱে প্ৰস্তাৱ পঠাইছিল ইংৰাজী ০১-১০-২০১৮ তাৰিখে। চৰকাৰে যিটো উত্তৰ দিছিল সেই উত্তৰত কৈছিল যে আমি প্ৰস্তাৱ পাইছো আৰু অনুমোদনৰ কাৰণে বিবেচনা কৰি থকা হৈছে। আজি এক বছৰ হ'বৰ হৈছে, আজিও একেধৰণে উত্তৰটো দিছে। চাৰ, মোৰ বিধানসভা সমষ্টিত ২০১৭ চনত ৮৭৬৬০০০ টকা, ২০১৮ চনত ২৪৬০০০০ টকা আৰু ২০১৯ চনত ৬৫০০০০০ টকা অগ্নিকাণ্ডত ক্ষতি হৈছে বুলি চৰকাৰী তথ্যত আছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো কিয় এতিয়ালৈকে হোৱা নাই, সেইটো হ'ব লাগে, যিহেতু এইটো জৰুৰী।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** ৰূপহীহাটটো এনেকুৱা এখন ঠাই চাৰ, তাত ডাঙৰ এটা উদ্যোগ আৰু ডাঙৰ এখন বজাৰ আছে। গতিকে অগ্নিনিৰ্বাপক কেন্দ্ৰটো তাত স্থাপন কৰিবৰ কাৰণে চৰকাৰে গুৰুত্ব ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মই নিজেও অকমান Initiative লম, মন্ত্ৰীৰ লগত কথা পাতিম। এতিয়া দূৰ্গা ভূমিজ আপুনি কওক।

**শ্ৰী দূৰ্গা ভূমিজ (ডুমডুমা)ঃ** অধ্যক্ষ মহোদয়, মোৰ তৰাযুক্ত প্ৰশ্ন নং ৩ । আচলতে অধ্যক্ষ ডাঙৰীয়া, দুমদুমাত এনেকুৱাকৈ চোৰ ডকাইত হৈছে, লুট-পাট হৈছে, কিন্তু দুজন অ. চি।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটোত কি অসুবিধা হৈছে সেইটো কওক, আপুনি বেছি ক'ব নোৱাৰিব নহয়, মই আগতেই কৈছো। আপুনি কি ক'ব বিচাৰিছে সেইটো কওক।

**শ্ৰী দূৰ্গা ভূমিজ (ডুমডুমা) ঃ** ৰাতিৰ কথা বেলেগেই, যেতিয়াই তেতিয়াই চোৰ ডকাইতি হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি পইন্ট অৱ অৰ্ডাৰত কি ক'ব বিচাৰিছে, প্ৰশ্নটো কওক।

**শ্ৰী দূৰ্গা ভূমিজ (ডুমডুমা)ঃ** আচলতে অ চি দুজনৰ পৰা যিটো নিষ্ক্ৰিয়তাৰ কথা কৈছে সেইটো আচলতে সম্পূৰ্ণ নিষ্ক্ৰিয়, তাতে চাহ শ্ৰমিকৰ দৰমহা লুট হৈ গৈছে। অ চি য়ে চেক কৰি থাকোতে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ উত্তৰটো কি দিছিল?

**শ্ৰী দূৰ্গা ভূমিজ (ডুমডুমা)ঃ** অ চি দুয়োজন বদলীকৰণ হ'ব লাগিব, নিৰাপদ নিশ্চিত কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** চৰকাৰৰ উত্তৰ কি আছিল?

**শ্ৰী দূৰ্গা ভূমিজ (ডুমডুমা) ঃ** ইয়াত কৈছে যে অ চি দুয়োজনৰ নিষ্ক্ৰিয়তা তেওঁলোকে তদন্তত পোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এইটো Question Hour নহয়, You can write a letter on this question and sent to me. ঠিক আছে এইবোৰ থাকিব। আপোনালোকৰ গোটেই লাইনেটো ক'ব, কওক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Express High-wayৰ কাৰণে হয় চাগে প্ৰশ্নটো অহা নাই।

**মাননীয় অধ্যক্ষ ঃ** কি বুজা নাই?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** কিন্তু অধ্যক্ষ মহোদয়, ৫ টা প্ৰশ্ন কৰিব লাগে হয়টো ৬ টা হৈছে সেইটো কাৰণে প্ৰশ্নটো অহা নাই।

**মাননীয় অধ্যক্ষ ঃ** নাহিলে এইটো কি কৰিব?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মানুহৰ কথা আছে, চাৰ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি তাৰ কাৰণে Zero Hourত নটিছ দিব মই এলাও কৰিম।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** চাৰ, এক মিনিটৰ ভিতৰত কম।

**মাননীয় অধ্যক্ষ ঃ** This is not the way. Zero Hourত নটিছ দিব, পৰহিলৈ আছে নহয়, মই চাম।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, মোৰ তৰাযুক্ত প্ৰশ্ন নং ১০

আছিল, এছ আই কেলেংকাৰীৰ সন্দৰ্ভত। এছ আই কেলেংকাৰীৰ সন্দৰ্ভত ইতিমধ্যে সদনত।

**মাননীয় অধ্যক্ষ ঃ** যথেষ্টখিনি আলোচনা হৈছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে, কিন্তু উত্তৰত আমি সন্তুষ্ট নহয়। আপোনাক অনুৰোধ জনাম ৰুল ৪৯ ৰ অধীনত ৩০ মিনিট সময় এছ আই কেলেংকাৰী সন্দৰ্ভত আলোচনা কৰাৰ এটা সুযোগ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** যদি পাৰো মই চেষ্টা কৰিম।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** অধ্যক্ষ ডাঙৰীয়া।

**মাননীয় অধ্যক্ষ ঃ** আৰু ইয়াত কথা নহয়। এইটোৰ নটিছ দিব মই যদি পাৰো আপোনাক জনাম। ইয়াৰ পিছত শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** তৰাযুক্ত প্ৰশ্ন নং ২, ইয়াত চাৰ, ইয়াত উল্লেখ কৰা হৈছে যে বাঘবৰ ৰাজহ চক্ৰত মাত্ৰ ১৩০০ ভূমিহীন পৰিয়াল আছে, এইটো শুদ্ধ নহয়। তাত প্ৰায় ৫ খন নদীৰ গৰাখহনীয়া আছে, It will be more than 30000 families, so the Department should re-check it. দ্বিতীয়তে, যি ভূমিহীন পৰিয়ালক মাটি দিয়াৰ কাৰণে চৰকাৰে যিটো পলিচি লৈছে, আমিও ভাল পাইছো। কিন্তু দুৰ্ভাগ্যজনক কথা হ'ল চাৰ, যি সময়ত মাজুলীত প্ৰায় ৫৫১৬ টা পৰিয়ালক মাটি পট্টা দিয়া হৈছে, মাৰ্ঘেৰিটাত ২৭০৯টা, ডুমডুমাত ৩১৮৫টা, কিন্তু বাঘবৰত দিয়া হৈছে মাত্ৰ ৩২ টা পৰিয়ালক। তাত ৫ খন নদীৰ গড়াখহনীয়া, আটাইতকৈ বেছি ভূমিহীন পৰিয়াল আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে তাত দিব লাগে।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** কিয় এই বৈষম্য কৰা হ'ল? মাত্ৰ ৩২ টা কিয় দিয়া হ'ল? তাৰ লগতে মই এটা পইন্ট সংযোগ কৰিব খুজিছো যে চৰকাৰী বিষয়া সকলে প্ৰায়ে কোৱা দেখা যায় এটা কোৰ্টৰ ৰায়ৰ আঁত ধৰি Appeal হ'ল ১১৩২/২০১১ Markandey Katju য়ে দিয়া জাজমেন্টৰ আঁত ধৰি কোৱা দেখা যায় যে PGR/VGR ত মানুহক মাটি দিব নোৱাৰি, This is not the correct version.

**মাননীয় অধ্যক্ষ ঃ** আপুনি অকমান আহিবচোন, সেইটো ময়ো শিকিব বিচাৰিছো। আপুনি মোক অলপ বুজাই দিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** আপোনাক এটা ডিভাইচত দি দিম।

**মাননীয় অধ্যক্ষ ঃ** পিছত দিব, এতিয়া আৰু নকৰিব। মই পইন্ট অৱ অৰ্ডাৰহে দি আছো। এইটো PGR/VGR ৰ ক্ষেত্ৰত কিবা যদি তথ্য আছে মোকো অলপ দিব।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** এই বৈষম্য কিয় কৰা হ'ল? দুই নম্বৰ।

**মাননীয় অধ্যক্ষ ঃ** সেইটো মই লৈছো। আকৌ দুই নম্বৰ কেনেকৈ আহিব?

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** তৰাযুক্ত প্ৰশ্ন নং ৬। ইয়াতে আধাৰ এনৰোলমেন্ট সম্পৰ্কে মই প্ৰশ্ন কৰিছিলো। অতি দুৰ্ভাগ্যজনক কথা আমাৰ বৰপেটা জিলা, মোৰ সমষ্টি নহয়, গোটেই বৰপেটা জিলাত দিয়া হৈছে M/s Galaxy Scales & Systems Pvt. Ltd. মই ইতিমধ্যে কেবাবাৰো আমাৰ জি এ ডি ৰ সচিবে হওঁক বা জিলা উপায়ুক্তয়ে হওঁক তেওঁলোকক এই কথাখিনি অৱগত কৰিছো। Not only M/s Galaxy & Scales but all the companies in fact, they are getting money from the Govt. of India for doing this. But, what is happening in the Barpeta? I think other MLAs

will also agreed with the fact. M/s Galaxy & Scales য়ে কি কৰে কোনোবা চুপাভাইজাৰক দিয়াৰ আগত তাৰ পৰা এটা Hectic amount লৈ লয়। যাৰ ফলত চুপাৰভাইজাৰে ফিল্ডত পইছা নোহোৱাকৈ আধাৰ এনড্ৰোলমেন্ট নকৰে। দ্বিতীয়তে, যি সকলে চুপাৰভাইজাৰ লগায় তেওঁলোকক এটা unique identity নম্বৰ দিব লাগে, তেওঁলোকে এটা মানুহৰ আধাৰ Enrolment কৰিলে লগে লগে এশ টকা পাব লাগে। সেই নম্বৰটো দিয়া নাই, যাৰ ফলত আধাৰ Enrolment ৰ কাৰণে যি পইচা আছে সেই গোটেই পইচা Galaxyয়ে পাই আছে। Galaxy is not investing a single coin, they are just taking money.

**মাননীয় অধ্যক্ষ ঃ** It is a very important allegation, I will request you to write to me because we are also suffering in somewhere. এইটো আপুনি দিয়ক, ইয়াত আৰু এইটো নালাগে। I will also take it. আধাৰ কাৰ্ডকলৈ আমাৰ আলোচনা এটাও হ'ব চাগে, we can discuss যদি সময় উলিয়াব পাৰো। এতিয়া আপুনি কওঁক আপোনাৰ পইন্ট অৰ অৰ্ডাৰ কি আছিল?

**শ্ৰীঅনন্ত কুমাৰ মালো (দক্ষিণ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাযুক্ত প্ৰশ্ন নং ৫ আছিল।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৫ ত কি আছিল কওক।

**শ্ৰীঅনন্ত কুমাৰ মালো (দক্ষিণ অভয়াপুৰী) ঃ** প্ৰাকৃতিক দুৰ্যোগত বিশেষকৈ গৰাখহনীয়া, অগ্নিকাণ্ড আৰু ধুমুহাত ক্ষতিগ্ৰস্ত পৰিয়ালসকলক আৰ্থিক সাহায্য দিয়াৰ যিটো ব্যৱস্থা আছে, মই এই প্ৰশ্নৰ উত্তৰত পাইছো। কিন্তু অধ্যক্ষ মহোদয়, গৰাখহনীয়াৰ কৱলত পৰি আৰু অগ্নিকাণ্ডত সৰ্বস্ব হেৰুৱাই মানুহসকলৰ কি অৱস্থা হয়, সেই সময়ত বিধায়ক সকল তাত যায় —

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহলাই নক'ব। এই সমস্যাটো সকলো ঠাইতে আছে। আমাৰ তাতো জুই জ্বলাৰ পিছত কেতিয়াবা পইচাটো টাইম মতে নাপায়, এইটো হয়। আপুনি পৰামৰ্শটো দিয়ক, অন্য কথা নালাগে।

**শ্ৰীঅনন্ত কুমাৰ মালো (দক্ষিণ অভয়াপুৰী) ঃ** অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ যে এই পৰিয়াল সকলক যাতে অনতি পলমে আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা কৰে ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, বহক। এতিয়া আৰু হাত দাঙি নাথাকিব। পিছত পাতিম দিয়ক। এতিয়া এটা ঘোষণা আছে সেইটো মই পঢ়ি দিছো, এইটো বাধ্যতামূলক বাবে পঢ়িব লাগিব।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ১৮৬(২) নম্বৰ নিয়মৰ অধীনত মাননীয় সদস্য/সদস্যা সকলৰ জ্ঞাতাৰ্থে জনাব বিচাৰো যে অসম বিধান সভাৰ ৯৫ নং গোলাঘাট বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচিতা সদস্যা শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানীয়ে যোৱা ২৫-১২-২০২০ ইংৰাজী তাৰিখে কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ ১৮৬(১) নং নিয়মৰ অধীনত বিধান সভাৰ সদস্যা পদৰ পৰা পদত্যাগ কৰে। শ্ৰীমতী অজন্তা নেওগ ডাঙৰীয়ানীৰ পদত্যাগ পত্ৰ ২৫-১২-২০ ইংৰাজী তাৰিখৰ পৰা কাৰ্য্যকৰী হোৱাকৈ গ্ৰহণ কৰা হয়।

আমাৰ ইয়াৰ পিছত মই সাধাৰণতে Zero Hour লওঁ। কিন্তু আপোনালোকে সদায় কয় যে Adjournment Motion ল'ব লাগে। অহাবাৰ যেতিয়া এইখন বিধান সভা আকৌ গঠন হ'ব মই আশা কৰিম সকলো সদস্য ডাঙৰীয়াই অধ্যক্ষ ডাঙৰীয়াৰ লগত আলোচনা কৰি

ৰুলটো অলপ ঠিক কৰি ল'ব। মই এতিয়া হুলস্থূলীয়া পৰিৱেশলৈ নাযাও। কাৰণ তাত এটা বিষয় লিখা আছে যে সাধাৰণতে Adjournment Motion লয় after Question Hour and before List of Business enter কৰাৰ আগতে। সাধাৰণতে শুণ্যকালীন ঘন্টাটো Business Hour ত নাথাকে। আমি যিহেতু ময়ো আজি ইয়াত অহা ৩০ বছৰ হ'ল, পাছত মাজে মাজে এইটো সলনি হ'ল। সেই কাৰণে আপোনালোকেও কয় যে আগতে এনেকুৰা নাছিল। কিন্তু সাধাৰণতে Business Hour বুলি ক'লে আমাৰ যিটো দুই নম্বৰ কাৰ্য্যসূচী। গতিকে Zero Hour টো প্ৰশ্নকালীন ঘন্টাৰ সময়তে সোমাই থাকে। সেই কাৰণে মই আগতে কৈছিলো যে আপোনালোকে-আমি ৰুলটো সলনি নকৰিলে অসুবিধা হ'ব। কিন্তু আজি মই যিহেতু দুখন Adjournment Motion পাইছো, সেইকাৰণে সদস্য সকলে যদি মোক Zero Hour টো প্ৰথমে দিবলৈ দিয়ে মই প্ৰথম সেইটো কৰিম আৰু যদি আপোনালোকে নহয় Adjournment Motion টোৱে লাগে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** চাৰ, Adjournment Motion টোৱে আগত লাগে।

**মাননীয় অধ্যক্ষ ঃ** এইক্ষেত্ৰত মোৰ এটা মতামত আছে, দুখন Adjournment Motion ৰ নটিছ্ পাইছো। I have received two numbers of notice for moving Adjournment Motion in the House under Rule 56. The Notice received first is from the Hon'ble Leader of the Opposition Shri Debabrata Saikia and seven other Hon'ble Members. As per Rule, it is mandatory to endores copy of the notice of Adjournment Motion to the Minister concern. But, in the given case that was not adhered to. আপোনালোকে সংসদীয় পৰিক্ৰমা আৰু মোক দিলে, কিন্তু বিভাগীয় মন্ত্ৰী জনলৈ এখন নটিছ্ আপোনালোকে নিদিলে, গতিকে মন্ত্ৰী জনে নাজানে। সংসদীয় পৰিক্ৰমাক দিয়া যায় Admissibilityৰ ওপৰত ক'বৰ কাৰণে। কিন্তু আচল নটিছ্ খন মন্ত্ৰীলৈ যাব লাগে। আপোনালোকে চাই ল'ব, ৰুলটো ভালকৈ, একেবাৰে সাধাৰণ কথা। ময়ো কালি থকা হেতেন দেখুৱাইদিলো হেতেন মই নেদেখিলো। আজি মোক যেতিয়া অফিচৰ পৰা দেখুৱাইছে। ৰুল ৫৮ ত আছে, Copies therefore, shall be endores to the Speaker, to the Minister concern and to the Minister of Parliamentary Affairs. সেই কাৰণে এই নটিছ্ খনৰ ক্ষেত্ৰত এইখিনি দোষ আছে। দ্বিতীয় খন নটিছ্, আৰু এখন নটিছ্ মই পাইছো, Second notice has received from the Hon'ble Member Hafiz Basir Ahmed and 6 others Hon'ble Members of AIUDF Legislature party and the notice has raised a matter on the basis of assumption. আপোনালোকে এটা assumption যে অসমত এনেকুৰা এটা গণ্ডগোল হ'ব পাৰে, হোৱা নাই এতিয়ালৈকে। আপোনালোকে যদি Kaul & Shakdher চায় As per Rule, without factual basis a matter can not be raised under Rule 56 on assumption only. গতিকে Therefor, after close examination, I have found both the notices are not in order. As such, I am declined to allow to raise any one matter under Rule 56.

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** চাৰ, যিহেতু ইয়াত Law and Order ৰ কথা আছিল, সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে Law and Order ৰ হৈ দি আছে, আমি সেইখনে হৈ যাব বুলি তেখেতৰ হাতত দুখন কপি দি দিছিলো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি Home Ministerৰ পৰা স্বাক্ষৰ আনি দি দিব লাগিব। তেখেতে উত্তৰ দিব পাৰে, On behalf of them, কিন্তু He is only Parliamentary Affairs Minister.

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** তেখেতৰ অফিচতে দিয়া হৈছে, চাৰ। এইটো গুৰুত্বপূৰ্ণ বিষয়।

**মাননীয় অধ্যক্ষ ঃ** নহয়, নহয়, আপোনাৰ নটিছখন পঢ়ি চাওঁক। মই আপোনালোকক একো কোৱা নাই। নটিছখন নিজে পঢ়ক, মোৰ তাতো আছে নটিছ।

**শ্ৰীদেৱব্ৰত শইকীয়া ঃ** চাৰ, এইটো গুৰুত্বপূৰ্ণ বিষয়।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নি) ঃ** চাৰ ।

**মাননীয় অধ্যক্ষ ঃ** মই এটা কাম কৰিব পাৰো।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** মোৰ এটা কবলগীয়া আছে। If, you allow, I want to speak.

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** মই লাইন এটা কব বিচাৰিছো আপোনালোকৰ এই বিষয়টোত। এই বিষয়টো যদি আপোনালোকে বেলেগে আনে মোৰ কবলগীয়া একো নাই। কিন্তু আজিটো মই Adjournment Motion দিব নোৱাৰো। আপোনালোকৰ এই বিষয়টো যদি গুৰুত্বপূৰ্ণ বিষয় মই সেইটোত আপত্তি কৰা নাই। কিন্তু Adjournment Motion ৰ কিছুমান নিয়মনীতি থাকে। গতিকে আপোনালোকৰ এইটো যদি বেলেগ পৰহিলৈও সময় আছে। নাই Adjournment Motion টো এনেকৈ আনিব নোৱাৰো। I can not go against the Rule.

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, প্ৰত্যেকদিন বেলেগ বেলেগ নিয়মটো হ'ব নোৱাৰে। ইয়াৰ আগৰবাৰ আপুনি Admissibilityৰ ওপৰত কবলৈ দিছিল। আমাৰ একে ধৰণৰ।

**মাননীয় অধ্যক্ষ ঃ** Your notice is not in order, how can I accept it. নাই নাই, আপোনালোকে এইখন সদন।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)ঃ** একেখন সদনতে আমি যোৱাবাৰ আপোনাক দিছিলো।

**মাননীয় অধ্যক্ষ ঃ** Admissibilityৰ ওপৰত কবলৈ পাৰে। আজি কিয় কব? Notice is not in order.

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)ঃ** একে অৰ্ডাৰত আমি দিছিলো।

**মাননীয় অধ্যক্ষ ঃ** নাই দিয়া, আপুনি দেখুৱাওক। No no, Minister concernত আপোনালোকে কৈছে, এইটো কলে নহ'ব। আপোনালোকে জোৰ কৰিলে নহ'ব।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** নাই নাই, Minister concernত থাকিব লাগিব। কালি মোক অফিচত দেখুৱাইছে This is in order. মোক অফিচত দেখুৱাটো মই চাইছো, শুদ্ধ। আমি মই নোৱাৰিম।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** মই ইছ্যুটো আনিবলৈ নিদিও বুলি কোৱা নাই।

(হুলস্থূল)

**শ্ৰীৰকিবুল হুছেইন ঃ** অধ্যক্ষ মহোদয়, এনেকৈ বিৰোধীপক্ষৰ মুখখন বন্ধ কৰিব নোৱাৰিব।

**মাননীয় অধ্যক্ষ** ঃ মই বিৰোধীক বন্ধ কৰা নাই। মই কেতিয়াও বন্ধ কৰিবলৈ চেষ্টা কৰা নাই। তেনেকৈ নহ'ব। কাইলৈ আনক, পৰহিলৈ আনক।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ** ঃ Please, resume to your seat. এতিয়া শুণ্যকালীন ঘন্টা।

(হুলস্থূল)

(বিৰোধীয়ে অধ্যক্ষৰ সন্মূখত ফেষ্টুন প্ৰদৰ্শণ কৰে)

**মাননীয় অধ্যক্ষ** ঃ House is adjourned for ten minutes.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শূণ্যকালীণ ঘন্টা।

এতিয়া মই, মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়াক ইংৰাজী **২১-১২-২০২০** আৰু **২৬-১২-২০২০** তাৰিখৰ ক্ৰমে "দৈনিক অগ্ৰদূত আৰু অসমীয়া প্ৰতিদিন" বাতৰি কাকতত প্ৰকাশিত - "কৃষি বিপণন পৰিষদৰ আঠশ বিষয়া কৰ্মচাৰীৰ ভৱিষ্যৎ চৰম অনিশ্চয়তাত" দৰমহাৰ বাবে বাজেটত আৱন্টিত পুঁজি মোকলাই দিয়া নাই আৰু ছাটাই হ'ব সাত শতাধিক কৰ্মচাৰী।" তেখেত অনুপস্থিত।

ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী গুনিন্দ্ৰ নাথ দাসে আন এটা শূণ্যকালীণ ঘন্টা আনিছে। এতিয়া মাননীয় সদস্যগৰাকীক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী গুনিন্দ্ৰ নাথ দাস (বৰপেটা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজি এই শূণ্যকালীণ ঘন্টাত এটা অতি গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। মোৰ বিষয়টো আছিল **২৫** ডিচেম্বৰ, **২০২০** তাৰিখৰ "অসমীয়া খবৰ" বাতৰি কাকতত প্ৰকাশিত - "দলিলৰ কৃত্ৰিম নাটনিত সৰ্বসাধাৰণ ৰাইজৰ মাজত হাহাঁকাৰ।" - এশ টকীয়া দলিল বিক্ৰী হৈছে দুশটকা মুল্যত। মহাশয়, এই বাতৰিতো যোৱা **২৫** তাৰিখে নগাঁও জিলাৰ পৰা প্ৰকাশিত হৈছিল। কিন্তু আজি নগাঁও জিলাৰ পৰা ওলালেও এই বাতৰিটো গোটেই অসমতে প্ৰাসঙ্গিকতা আছে। আজি আমাৰ বৰপেটা জিলাত দলিলৰ **১০** টকীয়া, **৫** টকীয়া, **২০** টকীয়া **১০০** টকীয়াই হওঁক , এই দলিল এখন কিনিব লাগিলে তিনিগুন দাম দিব লাগে। যোৱা **২৪** তাৰিখে মই নিজে মোৰ কৰ্মচাৰীৰদ্বাৰা এখন দলিল কিনিলো, তেওঁ আহি কলে যে **১০০** টকীয়া দলিল খনৰ মূল্য **২৫০** টকা দিব লাগিব। এতিয়া মই নিজে মোৰ পকেটৰ পৰা **২৫০** টকাত দলিল খন কিনিলো, কাৰণ দলিলখন মোৰ অতিকৈ দৰকাৰী আছিলে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে সেই দলিল বোৰ বিভিন্ন সময়ত বিভিন্ন প্ৰয়োজনত লাগে। affidavit ত লাগে, নাম সলনি কৰিলে লাগে, বিবাহ পঞ্জিয়ণত লগা হয়, মাটি কিনা বেচা কামত লগা হয় ইত্যাদি বিষয়ত লাগে, গতিকে দলিলবোৰ অতিকৈ জৰুৰী। চৰকাৰে হয়তো এই দলিলৰ ব্যৱস্থা কৰিছে, সেইটো পৰ্য্যাপ্ত নহয় । গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ কৰো যে আজি যোৱা চাৰি - পাচ বছৰৰ পৰা দলিলৰ যিটো এই কৃতিম নাটিনি হৈ আছে, যাৰ কাৰণে সৰ্বসাধৰণ ৰাইজে জিয়াতু ভুগি আছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে যোৱা চাৰি -পাচ বছৰত ৰাইজৰ মঙ্গলৰ কাৰণে বহুত কাম কৰিছে। কিন্তু এই দলিলৰ যিটো নাটনি, যাৰ কাৰণে সৰ্বসাধাৰণ ৰাইজে জিয়াতু ভুগিব লগা হৈছে। এই ক্ষেত্ৰত চৰকাৰে এটা সঠিক ভাৱে ব্যৱস্থা লব লাগে। কাৰণ দলিল নাপাই, গোৱালপাৰাৰ পৰা আনে, কেতিয়াবা বাহিৰৰ জিলাৰ পৰা আনিব লগা হয়। ইয়াৰ ফলত এটা ৰমৰমীয় কলা বেপাৰ এটা আৰম্ভ হৈছে। গতিকে মই আপোনাৰ জৰিয়তে বিভাগৰ মন্ত্ৰী মহোদয়ক, চৰকাৰক অনুৰোধ কৰো যাতে দলিলৰ যিটো কৃত্ৰিম নাটনি, এই নাটনিতো ৰোধ কৰিব লাগে। ধন্যবাদ।

মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী গুনিন্দ্ৰ নাথ দাস ডাঙৰীয়াই **২৫-১২-২০২০** তাৰিখে "অসমীয়া খবৰ"ত প্ৰকাশিত "দলিলৰ কৃত্ৰিম নাটনিত সৰ্বসাধাৰণ ৰাইজৰ মাজত হাহাঁকাৰ।" শীৰ্ষক বাতৰি সম্পৰ্কে উত্থাপন কৰা শূন্যকালীন ঘণ্টাৰ প্ৰশ্নৰ সন্দৰ্ভত জনাও যে তেনে কোনো লিখিত অভিযোগৰ বিষয়ে এই বিভাগ বা সঞ্চালকালয় অৱগত নহয়।

যোৱা ইং ০৬/১২/২০২০ তাৰিখে কামৰূপ ন'ডেল কোষাগাৰলৈ যথেষ্ট পৰিমাণৰ ৫০ টকাৰ পৰা ২৫,০০০ টকালৈ নন জুডিছিয়েল ষ্টাম্প অনা হৈছে আৰু বিভিন্ন কোষাগাৰৰ জৰিয়তে ৰাইজৰ মাজত উপলব্ধ কৰি ৰখা হৈছে। ইয়াৰ উপৰিও e-satmping ৰ সমূহ শাখাতে বৰ্তমান উপলব্ধ হৈ আছে।

নগাঁও জিলাত দলিলৰ বিক্ৰেতাই অতিৰিক্ত ধন দাবীৰ সন্দৰ্ভত জিলা উপায়ুক্তক কঠোৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়া হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী চক্ৰধৰ গগৈক ইংৰাজী **২৩-১২-২০২০** তাৰিখৰ "অসমীয়া খবৰ" বাতৰি কাকতত প্ৰকাশিত - "স্বায়ত্বশাসিত পৰিষদৰ নিৰ্বাচিত সদস্যক পেঞ্চন-বানচ প্ৰদানৰ আহ্বান"। শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালো। তেখেত অনুপস্থিত।

**এতিয়া কাৰ্য্যসূচী নং— ২**। উপদেষ্টা সমিতিৰ প্ৰতিবেদনখন মই পাঠ কৰি দিছো।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম **২৩০** ৰ অধীনত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক অধ্যক্ষৰ কাৰ্য্যালয়ৰ সভা কক্ষত যোৱা **১৪** তাৰিখে অনুষ্ঠিত হয় আৰু এই সভাই শীতকালীন অধিবেশনৰ দিনপঞ্জীখন চুৰান্ত কৰে। সেই অনুসৰি ইংৰাজী **২৮** ডিচেম্বৰ, **২০২০** তাৰিখৰ পৰা ইংৰাজী **৩০** ডিচেম্বৰ, **২০২০** তাৰিখ পৰ্য্যান্ত বিধান সভা অনুষ্ঠিত কৰাত সভাই অনুমোদন দিয়ে। ইংৰাজী **২৮** ডিচেম্বৰ, **২০২০** তাৰিখে প্ৰশ্নত্তোৰ কাল, চৰকাৰী বিধেয়ক সমূহ উপস্থাপন, **২০২০-২১** চনৰ পৰিপুৰক দাবী আৰু পৰিপুৰক বিনিয়োজনৰ তালিকা উপস্থাপন কৰা হ'ব।

কালিলৈ অৰ্থাৎ ইংৰাজী **২৯** ডিচেম্বৰ, **২০২০** তাৰিখে পৰিপুৰক দাবীসমূহৰ ওপৰত ভোটদান আৰু **২০২০** চনৰ অসম বিনিয়োজন বিধেয়কখনৰ উপস্থাপন, বিবেচনা আৰু পাৰিতকৰণৰ কাৰণে সময় ধাৰ্য্য কৰা হৈছে।

আৰু ইংৰাজী **৩০** ডিচেম্বৰ, **২০২০** তাৰিখে প্ৰশ্নোত্তৰ কাল, চৰকাৰী বিধেয়কসমূহ পাৰিতকৰণ আৰু অসমাপ্ত চৰকাৰী কাৰ্য্যসূচীসমূহৰ ওপৰত আলোচনা কৰা হ'ব। আৱশ্যক হলে সভাই বিলসমূহৰ ওপৰত আলোচনা সমাপ্ত কৰাৰ কাৰণে সদন পিছবেলা বহাৰ কাৰণেও সদনে সন্মতি প্ৰদান কৰে।

সভাই মৃত্যু প্ৰসঙ্গ তালিকাখনকো সৰ্বসন্মিতিক্ৰমে অনুমোদন জনাই।

ইতিমধ্যে চলিত অধিবেশনৰ দিনপঞ্জী সকলো সদস্যকে দিয়া হৈছে। আশা কৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদস্য-সদস্যাসকলৰ অনুমোদন আছে।

ইয়াৰ পিছৰ কাৰ্য্যসূচী নং **৩**।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম **৯ (১)** ৰ অধীনত চতুৰ্দশ অসম বিধান সভাৰ চতুৰ্দশ অধিবেশন পৰিচালনা কৰিবৰ বাবে নিম্নোলিখিত মাননীয় সদস্য

কেইগৰাৰীক সভাপতি হিচাপে মনোনীত কৰা হ'ল -

১) শ্ৰীবিনন্দ কুমাৰ শইকীয়া

২) শ্ৰীপ্ৰদীপ হাজৰীকা

৩) শ্ৰীথানেশ্বৰ বসুমতাৰী

৪) শ্ৰীআব্দুল হাই নাগৰি

এতিয়া কাৰ্য্যসূচী নং ৪। মাননীয় সদস্য শ্ৰীৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০২০ চনৰ ১৭ ডিচেম্বৰ তাৰিখৰ "আমাৰ অসম" বাতৰি কাকত প্ৰকাশিত "দক্ষিণ কামৰূপ জিলাৰ কাম-কাজ আৰম্ভ কৰাৰ দাবী" শীৰ্ষক বাতৰিটোৰ প্ৰতি সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব।

**শ্ৰীৰেকিবুদ্দিন আহমেদ (ছয়গাওঁ) ঃ** - মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমে মই আপোনাক ধন্যবাদ জনাইছো। ২০২০ চনৰ ১৭ ডিচেম্বৰ তাৰিখৰ "আমাৰ অসম" বাতৰি কাকত প্ৰকাশিত "দক্ষিণ কামৰূপ জিলাৰ কাম-কাজ আৰম্ভ কৰাৰ দাবী" শীৰ্ষক বাতৰিতোৰ সন্দৰ্ভত বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ দিয়াৰ বাবে। মাননীয় অধ্যক্ষ মহোদয়, Notification No. GAD(B)/ 27/2005-235 dated Dispur 25th January, 2016 এটা order অসম চৰকাৰৰ পৰা হৈছিলে - দক্ষিণ কামৰূপ জিলা গঠন কৰা হৈছিলে।

মাননীয় অধ্যক্ষ মহোদয়, দক্ষিণ কামৰূপ জিলাৰ ছয়গাওঁৰ দুটা Revenue Circle, পলাশবাৰীৰ এটা Revenue Circle, বকোৰ তিনিটা Revenue Circle। এইগোটেই তিনিটা সমষ্টি মিলাই এখন জিলা গঠন কৰা হৈছিলে। মই কবলৈ বিচাৰিছো, আমি নিশ্চয় গৌৰৱ অনুভৱ কৰো যে অসমৰ অসমীয়াৰ বুকত আৰু কেইখনমান জিলাও গঠিত হৈছিলে। বিশ্বনাথ জিলা গঠিত হৈছিলে, চাৰাইদেউ জিলা গঠিত হৈছিলে, হোজাই জিলা গঠিত হৈছিলে, দক্ষিণ শালমাৰা, পশ্চিম কাৰ্বিআংলঙ, মাজুলী জিলা গঠিত হৈছিলে। মাননীয় অধ্যক্ষ মহোদয়, দক্ষিণ কামৰূপ জিলাখন কেবিনেটে সিদ্ধান্ত লৈ স্থগিত ৰাখিলে।

এই বিষয়টোৰ ওপৰত মাননীয় অধ্যক্ষ মহোদয়, দক্ষিণ কামৰূপত পাহাৰে-পৰ্বতে, পানীয়ে, বিভিন্ন ধৰণৰ জাতি - ৰাভা, বড়ো, গাড়ো  জাতি-জনগোষ্ঠীৰ এটা মহামিলন হৈ তিনিটা সমষ্টিৰে আগুৰা। মাননীয় অধ্যক্ষ মহোদয়, একে সময়তে অসমত গঠিত হোৰা বাকীকেইখন জিলা continue কৰি কেৱল দক্ষিণ কামৰূপ জিলাখনৰ কাম-কাজ  স্থগিত ৰখা হ'ল। এইটো কাৰণত মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো, দক্ষিণ কামৰূপ জিলাখনত জনসাধাৰণৰ কাৰণে ছয়গাওঁত Head Quarter কৰি Deputy Superintendent of Police আৰু Deputy Commissioner তাতে বহিছিলে আৰু কাম-কাজ আৰম্ভ কৰিছিলে। দক্ষিণ কামৰূপে মাননীয় অধ্যক্ষ মহোদয় এটা নতুন আশাৰ ৰঙনি দেখা পাইছিলে। বৰ্তমান চৰকাৰখনে চবকা স্বাথ, চবকা বিকাশ, সকলোৰে লগত লৈ যিহেতু চলিব বিচাৰিছে । মাননীয় অধ্যক্ষ মহোদয়, যিহেতু বাকী জিলাকেইখনতো চৰকাৰে লক্ষ্য কৰিছে, দক্ষিণ কামৰূপত ভালে কেইটা circle আছে, ভালে কেইটা Block আছে । মাননীয় অধ্যক্ষ মহোদয়, বাকী এনেকুৱা জিলা অসমত স্থাপন কৰা হৈছে, য'ত দুটা সমষ্টি আছে, কোনোবা এটাত এটা সমষ্টি আছে। মাজুলী জিলা ঘোষণা কৰা হৈছে। এইটো নদী-দ্বীপ মাজুলি ধৰ্মৰ এটা বৃহৎ স্থান শ্ৰীশঙ্কৰদেৱ গুৰুজনাৰ, গোটেই বিশ্বব্যাপি সৃষ্টি হয়, কৃষ্টি হয়। আমি এইটো গৌৰৱ অনুভৱ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীৰ পৰা গলে দক্ষিণ কামৰূপ, এয়াৰপোৰ্ট পাৰ হ'লেই

আৰম্ভ হয়। দক্ষিণ কামৰূপত বহুত resouce আছে। আজি আমাৰ clean city খন আছে। মাননীয় অধ্যক্ষ মহোদয়, দক্ষিণ কামৰূপে ভালে কেইজন বিদ্যানক সৃষ্টি কৰিবলৈ সক্ষম হৈছে। মই দক্ষিণ কামৰূপৰ Law and Order ৰ ক্ষেত্ৰতে কওঁক, মাননীয় অধ্যক্ষ মহোদয়, আজি যদি লাংপিত কিবা এটা যদি ঘটনা হয়, SP যদি ৰঙিয়াত থাকে। ৰঙিয়াৰ পৰা আহোতে তাত কিমান সময়ত পাব। উকিয়াম বুলি এটা ঠাই আছে। এতিয়া আমি মাননীয় গড়কাপ্তানি ( লোক নিৰ্মাণ বিভাগ) বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ জৰিয়তে প্ৰায় এশ কোটি টকাৰ এটা প্ৰজেক্ট আগবঢ়াইছো। আগতে **১৪** কোটি টকাৰে আমি তাত **১২** খন দলং লৈছো। উকিয়াম, চানদুবিত হাজাৰ হাজাৰ মানুহ হয়। এই তিনিটা সমষ্টিৰে গঠিত দক্ষিণ কামৰূপ জিলাত মানুহে মাননীয় অধ্যক্ষ মহোদয় বহু আশাৰে বাট চাই। দক্ষিণ কামৰূপত এনে গাঁও পঞ্চায়ত আছে, Trible অধিষ্ঠিত, গাড়ো অধিষ্ঠিত। মাননীয় অধ্যক্ষ মহোদয়, আপুনি আচৰিত হ'ব নেচনেল হাইৱে বামুনী গাওঁৰ পৰা কভাৰ কৰি উকিয়ামলৈ প্ৰায় ৬০-৭০ কিলোমিটাৰৰ এটা গাওঁ পঞ্চায়তো আছে। এনেকুৱা গাওঁ পঞ্চায়ত, এনেকুৱা পাহাৰে-পৰ্বতে আকৃষ্ট, forest য়ে হওঁক, beutification য়ে হওঁক, river dolphine য়ে হওঁক, বিভিন্ন নদ-নদীয়ে হওঁক, মাননীয় অধ্যক্ষ মহোদয়, দক্ষিণ কামৰূপত বিভিন্ন শ শ মন্দিৰ মহজিদে অৱস্থিত। মানুহে **১৫** আগষ্ট, **২৬** জানুৱাৰী আহিলে প্ৰত্যেক বাৰে আশাৰে বাট চাই থাকে যে মূখ্যমন্ত্ৰী, বিত্তীয় মন্ত্ৰীয়ে কব যে দক্ষিণ কামৰূপৰ কাম আমি আকৌ আৰম্ভ কৰিলো। মই সংসদীয় পৰিক্ৰমা মন্ত্ৰী মহোদয়ক যেতিয়া লগ পাওঁ তেতিয়া কওঁ। যোৱা কালিও মই বিত্তীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো, আগতেও বহুবাৰ অনুৰোধ জনাইছো। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো যিহেতু আপুনি আলোচনা কৰিবলৈ সুযোগ দিছে - দক্ষিণ কামৰূপৰ ছয়গাওঁ, পলাশবাৰী, বকো এই তিনিটা সমষ্টিৰ মানুহ চিৰকৃতজ্ঞ। এই ক্ষেত্ৰত মই বিচাৰো মন্ত্ৰী মহোদয়ে যাতে দক্ষিণ কামৰূপবাসীৰ বাবে ন্যায় প্ৰদান কৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো বিষয় নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত উল্লেখ কৰিছে। সেই সম্পৰ্কত আগতেও বিধান সভাৰ মজিয়াত উত্তৰ দিছো। আচলতে **১৭** ডিচেম্বৰ, **২০২০** তাৰিখৰ "আমাৰ অসম" বাতৰি কাকত উল্লেখিত ধৰণৰ বিভাগীয় অনুসুচনা নং GAD(B)/27/2005-235 dated Dispur 25th January, 2016 দক্ষিণ কামৰূপ জিলা গঠিত হৈছিল তাকৰীয়া সময়ৰ বাবে ই কাৰ্য্যক্ষমৰ অৱস্থাত আছিল আৰু পৰৱৰ্তী পৰ্য্যায়ত **৭-১০-২০১৬** তাৰিখে হোৱা মন্ত্ৰী গোটৰ বৈঠকৰ সিদ্ধান্ত পৰিশিষ্ট ক আৰু খ অনুযায়ী নতুনকৈ গঠিত হোৱা দক্ষিণ কামৰূপসহ দুখন জিলা আৰু **২৪** টা মহকুমা স্থাপনৰ বিষয়টো পৰ্য্যালোচনা কৰিবলৈ বিভাগীয় অনুসুচনা নং GAD (B)/27/2005/ 269 dated 16-11-16 পৰিশিষ্ট গত গাঠি দিয়াৰ ধৰণে মাননীয় মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত এখন কেবিনেট চাব কমিটি গঠন কৰি দিয়া হয়। বৰ্তমান এই বিষয়টো কেবিনেট চাব কমিটিৰ বিচৰাধীনত পৰি থকাৰ বাবে দক্ষিণ কামৰূপ জিলা কাৰ্য্যক্ষম অৱস্থাত নাই। কেবিনেট চাব কমিটিৰ অনুমোদন সাপেক্ষে পৰৱতী পৰ্য্যায়ত দক্ষিণ কামৰূপ জিলা কাৰ্য্যক্ষম কৰাৰ কাৰণে ব্যৱস্থা কৰা হ'ব। গতিকে এইটোৰ আলোচনা কেবিনেট চাব কমিটিত হৈ আছে, অকল দক্ষিণ কামৰূপে নহয় কেইবাখনো জিলা আছে আৰু ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই কেবিনেট চাব কমিটিৰ report তো submit কৰাৰ পিছত এই কথাখিনি বিচাৰ বিবেচনা কৰিব পৰা যাব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া কাৰ্য্যসুচী নং ৫। সন্মানীয় সদস্য শ্ৰীবিন্দাবন গোস্বামী ডাঙৰীয়া

আপোনাৰ বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীবৃন্দাবন গোস্বামী (তেজপুৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ধন্যবাদ জনাইছো যে অসমৰ এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিবলৈ সুবিধা দিয়াৰ বাবে। অসমৰ ইতিহাসৰ এক মাইলৰ খুঁটি, এই কাৰণে যিখন মহাৰাজা ধীৰাজ আৰ্য্যবৰ্মণৰ যিখন লিপি উদ্ধাৰ হৈছে, সেইখনে চন, তাৰিখ থকা প্ৰথম ঐতিহাসিক সম্পত্তি। এই বিষয়টোৰ ওপৰত বহুত বাৰ আলোচনা হৈছে। কাৰণ যেতিয়া british আহি অসম দখল কৰিলে **১৮৩৪** চনত, সেই সময়ত british য়ে গোটেইখন জংঘল দেখা পালে। জংঘলৰ মাজত শিলৰ ডাঙৰ ডাঙৰ দম দেখিলে। বামনি পাহাৰ দেখিলে, য'ত কাছাৰিখন তাৰ সন্মুখত দেখা পালে আৰু যিটো দ- পৰ্বতীয়া অঞ্চল, সেই অঞ্চল তেওঁলোকে দেখা পালে। সেই সময়ত তেওঁলোকে উল্লেখ কৰিছিল বামনি পাহাৰ আৰু কাছাৰি চৌহদৰ শিলৰ কথা। কিন্তু পৰবৰ্তীকালত তিংকেশ্বৰ মন্দিৰৰ কাষত এখন শিলৰ স্তম্ভত এটা ন-শাৰিৰ সংস্কৃতিত লিখা এখন লিপি আছিল আৰু তাত চন তাৰিখ আছিল। সেইটোলৈ বিভিন্ন ধৰনৰ আলোচনা বিলোচনা হৈছিল। যিখন দ-পৰ্বতীয় অগ্নীপাহাৰত ভৈৰৱ আৰু টিংকেশ্বৰ মন্দিৰ, এই মন্দিৰৰ তলতে ব্ৰহ্মপুত্ৰৰ পানী তাত এটা প্ৰকাণ্ড শৈল্যস্তম্ভ আৰু ওপৰত নটা শাৰীৰ সংস্কৃত গদ্যলিখিত এখন শিলালিপি অৱস্থান কৰিছে। এই স্তম্ভত উক্তলিপি খোদিত হৈছিল। লিপিৰ দশম শাৰীত উল্লেখিত মতে এটা আয়ত ক্ষেত্ৰৰ মাজত বাকচৰ ভিতৰত থকা **৫১০** গুপ্তাব্ধ অৰ্থাৎ ইংৰাজী **৮২৯-৮৩০** খৃষ্টাব্দত শিলালিপি শালস্তম্ভ বংশীয় ৰাজাধীৰাজ পৰমেশ্বৰ পৰমভট্ট আৰু পৰমেশ্বৰ হৰ্ষ আৰ্য্য ব্ৰহ্মদেৱে এইখন লিখিছে, এইখনে আমাৰ তথ্য। ইয়াৰ পিছত কলিয়াবৰত আন এখন তাম্ৰলিপি উদ্ধাৰ হৈছে ভূ মিদানৰ, এওঁৰ উপৰি পুৰুষ হৰ্ষবৰ্দ্ধন দেৱ। কিন্তু পাছত এইখন আলোচনাৰ যোগেদি দেখা গ'ল যে এইখনতো সঠিক তথ্যবিলাক নাই। ইয়াৰ পিছত এই লিপি ঐতিহাসিক ভাৱে গুৰুত্বপূৰ্ণ চন থকা লিপিৰ কাৰণে বিভিন্ন আলোচনা হ'ল। তেতিয়া আমি ঐক্যবদ্ধ এখন ভাৰতবৰ্ষ আছিলো। ঢাকাৰ মিউজিয়ামৰ যিটো কিউৰেটাৰ তেওঁ নিজে আহিলে, আহি চাইমেলি দেখিলে আৰু সেই সময়ত পদ্মনাথ ভট্ৰাচাৰ্য্য দেৱও কলিকতাৰ পৰা আহি চাইমেলি, তেওঁ এটা প্ৰবন্ধ লিখিলে। এইটো প্ৰকাশিত হৈছিল ঢাকাৰ পৰা। তাত এই কথাখিনি সুন্দৰভাৱে উল্লেখিত হৈছিল। ইয়াৰ পিছত গেট চাহাব আহিলে, গেট চাহাবে নিজে চাইমেলি এই কথাখিনি পঠালে দিল্লীলৈ আৰু তাত ভাৰত চৰকাৰৰ যিজন কিউৰেটৰ লিপি সম্পৰ্কীয় যিজন বিশেষজ্ঞ দ্বিনেশ চৰকাৰ তেখেতেও এইখন চালে আৰু নিজে পৰিদৰ্শন কৰিলে। এই বিষয়ৰ সম্পৰ্কত বহুত তথ্য পাতি উলিয়ালে, মেলিলে। কিন্তু এইখনৰ বিষয়ে বহু বিতৰ্কও হৈছে। এই ক্ষেত্ৰত আমাৰ কামৰূপৰ ৰচনাৱলী যিখন তাত পদ্ম ভট্ৰচাৰ্যী দেৱেও এই বস্তুবিলাক দাঙি ধৰাৰ সময়ত আন এগৰাকী ভাৰতৰ হৰপ্ৰসাদ শাস্ত্ৰী বিশিষ্ট ঐতিহাস বীৰ তেখেতেও এই সম্পৰ্কত মতামত দিলে। তাতেও বিতৰ্কৰ সৃষ্টি হ'ল। কিন্তু শেষত আন এগৰাকী বৃটিছ ড° ব্লিডছ বুলি তেওঁও আহিল আৰু বিভিন্ন পণ্ডিতসকলৰ তেজপুৰলৈ অহা-যোৱা হ'ল। ৰাষ্ট্ৰীয় পৰ্যায়ত অবিভক্ত ভাৰতবৰ্ষৰ ঢাকাৰপৰা তাৰ মিউজিয়ামে এইবিলাক সংৰক্ষণ কৰিলে। কিন্তু তাত যিখন শিলালিপী আছিল প্ৰকৃততে তাত এটা অৰ্ডাৰ আছিল। অৰ্ডাৰটো হ'ল —

আগতে এখন অসামৰিক সমাজ অসমৰ তেজপুৰত আছিল। তাত নাৱৰীয়াসকলে নাওঁ বাই গৈছিল আৰু মাছমৰীয়াসকলে মাছ মাৰিছিল। পাছত তেওঁলোকক লৈ বিতৰ্ক হ'ল আৰু এই বিতৰ্কৰ ওপৰত এটা মীমাংসা হ'ল । মীমাংসাত নাওঁৰীয়াসকল কেনেকৈ যাব আৰু মাছমৰীয়াসকলে কেনেকৈ মাছ মাৰিব তাৰ ওপৰত ভিত্তি কৰি এখন order (জাননী) উলিয়াই দিলে। গতিকে এই কথাখিনিৰ পৰা ইয়াকে বুজা যায় যে আমাৰ অসমত সেই সময়তে এখন উন্নত সমাজ ব্যৱস্থা

আছিল।

তেজপুৰ অসম তথা ভাৰতবৰ্ষৰ এখন প্ৰাচীন চহৰ। কাৰণ তাত টিংগদেৰ ৰজাই যিটো টিংগেশ্বৰ মন্দিৰ নিৰ্মাণ কৰিলে তাৰ তলতে এই শিলালিপীখন আছে। তাৰ পৰা অলপ আগুৱাই আহিলেই হেংগুলেশ্বৰ মন্দিৰতো অৱস্থিত। হেংগুল শব্দটোলৈ বহুতো আলোচনা-বিলোচনা হৈছে। বহুতে কয় শিলঘাটৰ যিটো হাতীমূৰা পাহাৰ এই পাহাৰটোৱে হ'ল হিংগুল।

হেংগুল আৰু হিংগুল এই দুয়োটা শব্দ একেটা অৰ্থতে আমি অসমীয়া মানুহে ব্যৱহাৰ কৰো। এই শব্দটো লৈও ৰাষ্ট্ৰীয় পৰ্যায়ত বহুতো আলোচনা-বিলোচনা হৈছিল। কলিয়াবৰত তাম্ৰআসন ওলাইছিল, ইয়াৰ পিছত কোৰাবাৰী নামঘৰ খান্দোতেও তাতো এখন লিপি ওলাইছে। হাওঁৰাঘাটতো ওলাইছে। অৰ্থাৎ এই হৰ্জ্জৰ বৰ্মণৰ যিটো বৰ্মণ পৰিয়াল, ২১ টা পুৰুষ নগাঁৱৰ গোটেই অঞ্চল, আজি তেজপুৰৰ গোটেই অঞ্চল আৰু তেওঁলোকৰ পৰৱৰ্তী কালত বাইহাটা চাৰিআলিৰ বনমালা বৰ্মণ, হৰ্ষবৰ্ধন, ভাস্কৰ বৰ্মণ এই বৰ্মন বংশীয় বিলাক এনেধৰণে আহিছিল। গতিকে অসমৰ ইতিহাস কিমান প্ৰাচীন, এই ঠাইখন কিমান প্ৰাচীন তাৰ বহুতো প্ৰমাণ আমাৰ ঠাইবিলাকে উলিয়াইছে ষষ্ঠশতিকাৰ শিলৰ গেটৰ জৰিয়তে আৰু এটা গড়দৌল আবিষ্কাৰ হ'ল আৰু এই গড়দৌলত্ যি খননকাৰ্য চলোৱা হ'ল তাত যোগিনী তন্ত্ৰৰ এটা শ্লোক খোদিত আছে। আনহাতে যিটো মন্দিৰ ওলাইছে সেই মন্দিৰটোৰ ভিতৰেদি এটা সুৰঙ্গ আছে। সেইফালেদি গৈ কৌশিক মুনিয়ে কৌশিক জানৰ পৰা পানী আনি হৰ-গৌৰীক পূজা কৰিছিল। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰত্নতত্বৰ মন্ত্ৰী থাকোতে অসমৰ বহুতো প্ৰাচীন সম্পদ সংৰক্ষণ কৰিছিলো। এইখনো কৰিলো। আজি আটাইতকৈ প্ৰাচীন শৈলস্তম্ভসমূহ য'ত সংৰক্ষণ হৈ আছে তাত বহুতবাৰ গৈছিলো।আজি আমাৰ সৌভাগ্য জলসম্পদ দপ্তৰৰ মন্ত্ৰী আৰু প্ৰত্নতত্বৰ মন্ত্ৰী একেজন। মন্ত্ৰীয়ে নিজেই গৈ চাই আহিছে।গতিকে এইখন সংৰক্ষণৰ কাৰণে দুটা বিভাগৰ আটাইতকৈ প্ৰয়োজন, সেইটো হৈছে জলসম্পদ দপ্তৰ আৰু আনটো হৈছে প্ৰত্নতত্ব।

এইবাৰ এইখন চৰকাৰৰ দিনত কেতবোৰ ভাল কাম হ'ল কাৰণ তালৈ যোৱা ৰাস্তাবিলাক ভাল হ'ল।মন্দিৰ নিৰ্মাণৰ বাবে ১০ লাখকৈ টকা অনুদান দিয়াৰ বাবে আমি উৰলি যাবলৈ ধৰা মন্দিৰবিলাক সংৰক্ষণ কৰিব পাৰিছো। ২৫ লাখমান টকা আমি আকৌ পাইছো। মই আজি মাটি সম্পৰ্কত, মাটি লৈ পেলাই যি ৰাজনীতি আৰম্ভ হৈছে সেইটো প্ৰশ্ন মই ইয়াত উত্থাপন কৰিছিলো কিন্তু সময়ৰ অভাৱৰ বাবে নোৱাৰিলো।ভয়ানক কথাটো হ'ল মাটিৰ ওপৰত চকু মাটিৰ ভূমাফিয়াসকলৰ। ৫২ বিঘা মাটি আছে গড়দৌলত আৰু লাহে লাহে সেইখিনিও সংকুচিত হৈ আহিছে । গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে এই অঞ্চলৰ ইতিহাসৰ আটাইতকৈ প্ৰাচীন শিলালিপিসমূহৰ সংৰক্ষণৰ ব্যৱস্থা কৰে। মই এই সদনৰ মজিয়াৰ পৰা দ পৰ্বতীয়া অঞ্চলৰ প্ৰশাসনীয় বিষয়া শ্ৰী কনক শৰ্মাদেৱক ধন্যবাদ জনাইছো কিয়নো তেখেতে অত্যন্ত গুৰুত্বপূৰ্ণ তথ্যপাতিৰে সুন্দৰকৈ এখন কিতাপ প্ৰকাশ কৰিছে। আজি-কালি এনে অধ্যয়ন কৰা মানুহ কমি গৈছে। গতিকে We have a rich heritage, we have to protect, we have to presurve our own rich heritage. হেৰিটেজৰ প্ৰতি মানুহৰ অৱমাননা হৈছে, হেৰিটেজৰ প্ৰতি মানুহৰ গুৰুত্ব কমি আহিছে । অসমীয়া জাতিৰ যি ঐতিহ্য, ইতিহাস আছে We have to protect, we have to preserve। মই আজি ইয়াত আমাৰ অসমৰ ইতিহাসৰ এক বিশাল সম্পদৰাজীৰ সংৰক্ষণৰ কথা কৈছো ।শৈলস্তম্ভত যি ৯ শাৰি কথা সংস্কৃতত লিখা আছে বহুতখিনি এতিয়া স্পষ্ট হৈ আহিছে। তথাপিও ইতিহাসৰ এই সাক্ষী সঠিকভাৱে ৰক্ষণা-বেক্ষণ দিবৰ কাৰণে

মই চৰকাৰক অনুৰোধ জনাইছো। চৰকাৰে এনেকুৱা কিছুমান সিদ্ধান্ত লৈ থওক যাতে আমাৰ জাতীয় ঐতিহ্য সম্পদসমূহ সংৰক্ষণ কৰিবপৰা যায়। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মন্ত্ৰী মহোদয়ৰ উত্তৰ।

**শ্ৰী কেশৱ মহন্ত , জলসম্পদ মন্ত্ৰী ঃ** হৰ্জৰ বৰ্মণৰ যি শিলালিপি আছে সেইখন সংৰক্ষণ কৰাৰ কাৰণে আমাৰ মাননীয় সদস্য শ্ৰী বৃন্দাৱন গোস্বামী ডাঙৰীয়াই বিধান সভাৰ মজিয়াত উত্থাপন কৰা আৰু অধ্যক্ষ মহোদয়ে ইয়াত অনুমতি দিয়াৰ বাবে মই ধন্যবাদ জ্ঞাপন কৰিছো। এই লিপিখন চাবলৈ মই তেখেতৰ লগত এদিন গৈছিলো আৰু সেই অঞ্চলত থকা টিংগেশ্বৰ মন্দিৰ, দেৱালয় আদিআটাইখিনি কথাই চোৱা -চিতা কৰা হৈছিল। এই যিখন লিপি এইখন ৮১৫ৰ পৰা ৮৩২ খ্ৰীষ্টাব্দৰ সময়ৰ। গতিকে ৮২৯ খ্ৰীষ্টাব্দত এই শিলালিপিখন লিখা হৈছিল সেইটো সময়ৰ লিপিত। ইয়াত গোটেই কথাখিনি সংস্কৃত ভাষাত লিপিবদ্ধ কৰা হৈছে। এই লিপিখন ব্ৰহ্মপুত্ৰৰ পানী জুৰলীত । খৰালি পানী কমি যায় আৰু বাৰিষা বাঢ়ি গৈ পানীয়ে তাত ঢৌ খেলি থাকে। বাৰিষা নাৱৰে শিলালিপিৰ কাষলৈ যাব পৰা যায়, কিন্তু খৰালি শিলালিপি আৰু পাৰৰ মাজত যিটো গেপ হয় সেই ঠাই পাৰ হৈ যোৱাটো অসুবিধা হয়। এনেকুৱা এটা স্থিতিত বৰ্তমান এই শিলালিপি খন আছে। শিলালিপিখনত কি লিখা আছে সেইটো জানিব পাৰিলে সেই সময়ত আমাৰ মানুহৰ চিন্তাধাৰা কেনে আছিল সেইটো জানিব পৰা যায়। সেই সময়ত ৰজা হৰ্জৰ বৰ্মণৰ মূখ্য সেনাধক্ষ আছিল শ্ৰী সুচিষ্টা আৰু এই সুচিষ্টাৰ দ্বাৰায়ে এই শিলালিপিখন লিখোৱাৰ ব্যৱস্থা কৰা হৈছিল। তেতিয়া শালস্তম্ভ ৰাজ্য প্ৰাগজ্যোতিষলৈকে সামৰি আছিল। তাত লিখা কথাখিনি যেতিয়া ভাঙনি কৰা হ'ল তেতিয়া দেখা গল যে সেইখন ৰজাই মাছমৰীয়া সকলক উদ্দ্যেশি দিয়া সতৰ্কবাণী , ফলি বা জাননী। যাতে কোনো মাছমৰীয়াই এই ফলিখনৰ আগলৈ আগবাঢ়ি নাযায়। এইখিনিয়েই ফলিখনত থকা মূল কথা। গতিকে এই শিলালিপি খন হ'ল ৰজা হৰ্জৰ বৰ্মনে ৮২৯ চনত মাছমৰীয়া সকলক উদ্দেশ্যি দিয়া নিৰ্দেশনা। আজিৰ দিনটো বহুত আগবঢ়া চৰকাৰেওঁ হয়তো ক'ত কেনেদৰে যাব লাগে, ক'ত থাকিব লাগে , কেনেকৈ মাছ মাৰিব লাগে সেই বিষয়টোৰ ক্ষেত্ৰত কোনো নিৰ্দেশনা দিবলৈ সক্ষম হোৱা নাই যিটো ৮২৯ চনতে ৰজা হৰ্জৰ বৰ্মনে শিলালিপিৰ দ্বাৰাই জাননী জাৰি কৰিছিল। এইখন হ'ল শিলালিপিত খোদিত কৰা এখন জাননি। শ্ৰদ্ধেয় বৃন্দাবন গোস্বামী ডাঙৰীয়াই তেজপুৰৰ ঐতিহ্য সম্পৰ্কে যিখিনি কথা কৈছে তেজপুৰত অকল এইটোৱে নহয়, উষা- অনিৰুদ্ধৰ দিনৰ পৰাই, প্ৰাগ ঐতিহাসিক যুগৰ পৰায়ে তাত যি অগ্নিগড় আছে তেনেকৈ ধৰি ইতিহাসৰ দিনলৈকে গোটেইখিনি চহকী ঠাই। হয়টো শিৱসাগৰৰ পাচত তেজপুৰতেই বহুত ঐতিয্য মণ্ডিত চিহ্ন আছে। শিৱসাগৰত ৰজা দিনিয়া আছে আৰু তেজপুৰত তাতোকৈ পুৰণি দিনৰ আছে। বৰ্তমান এই সকলো বিলাক চোৱা-চিতা চৰকাৰৰ তৰফৰ পৰা কিছুমান ASI (Archeogical survey of India) য়ে কৰে আৰু কিছুমান State Archeologi য়ে কৰে। এই লিপিখনৰ সংৰক্ষণৰ দায়িত্ব আছে ASI (Archelogical survey of India) ৰ ওপৰত। তেওঁলোকে গুৱাহাটী সংমণ্ডলৰ ওপৰত এই কামখিনিৰ দায়িত্ব দিছে। তাত শিলালিপি খনলৈ যোৱাৰ ব্যৱস্থা আৰু নিৰাপত্তাৰ বাবে গাৰ্ডৰ ব্যৱস্থাৰ ক্ষেত্ৰত ইতিমধ্যে তেওঁলোকে আঁচনি লৈছে। আমি যেতিয়া চাবলৈ গৈছিলো, চাই ঘূৰি অহাৰ পাছত আমি জানিব পাৰো যে এইটো ৰাজ্য চৰকাৰৰ হাতত নাই কেন্দ্ৰীয় চৰকাৰৰ ASIৰ হাতত আছে । গতিকে আমাৰ ফালৰ পৰা তেখেত সকলৰ লগত যোগাযোগ কৰা হ'ল, আমাৰ ফালৰ পৰা তেখেত সকলক ইয়াত প্ৰটেকশ্যন দিবলৈ আঁচনি ঠিক কৰা হ'ল । যোৱা বছৰে আমি এইটো কামত আগবাঢ়িছিলো কিন্তু ক'ভিডৰ বাবে এই ক্ষেত্ৰত বৰ বেছিকৈ আগবাঢ়িব পৰা

নাই বুলি তেওঁলোকে কৈছে। তেখেত সকলে কৈছে যে এই কামখিনি আমি লৈছো, এতিয়া আমি প্ৰটেকশ্যনৰ লগতে শিলালিপিৰ ওচৰলৈ যাবপৰা এটা ব্যৱস্থা কৰিম। এইখিনি কথা তেওঁলোকে আমালৈ যিখিনি ৰিপোৰ্ট পঠিয়াইছে তাত আমি পাইছো। যোৱাকালিও মোৰ লগত পোনপতীয়াকৈ কথা হৈছিল। গতিকে মই আশা কৰিছো তেওঁলোকে কামখিনি সূচাৰুৰূপে কৰিব। মই বিধান সভাত এই প্ৰস্তাৱটো অনাৰ বাবে ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মামুন ইমদাদুল।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী , নাওবৈচা ঃ** Rules of Proceedure and Conduct of Business in Assasm Legislative Assembly ৰ ৩০১ ৰ "নতুন পেঞ্চন আঁচনিখন অসমৰ ক্ষেত্ৰত সংশোধন কৰাৰ প্ৰয়োজন" এই শীৰ্ষক বিষয়টো বিধান সভাৰ মজিয়াত উৎথাপন কৰাৰ কাৰণে সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। এই বিষয়টো অলপ জটিল চাৰ। নতুন পেঞ্চন আঁচনি বুলি যদি কোৱা হয় আচলতে আঁচনিখনৰ নাম হ'ল National Pension Scheme. গতিকে National Pension Scheme.এটা State Legislative Assembly ত আলোচনা কৰাটো জটিল বিষয়। কিন্তু এই আঁচনিখনৰ লগত বহু হাজাৰ হাজাৰ মানুহৰ ভৱিষ্যতৰ কথা জড়িত হৈ থকাৰ বাবে মই এই বিষয়টো সদনৰ মজিয়াত আনিছো। অৱসৰ গ্ৰহণ কৰাৰ পাছত মানুহৰ যি অৱস্থা হয় সেইটো মই বহু ওচৰৰ পৰা দেখিছো, সেয়েহে মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে যাতে মানবীয় দৃষ্টি ভংগীৰে বিষয়টো বিবেচনা কৰে সেইবাবে সদনৰ মজিয়াত বিষয়টো উপস্থাপন কৰিছো। পেঞ্চন বহুধৰণৰ আছে। মই বুজাবলৈ যোৱাটো ঠিক নহ'ব। কাৰণ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই যেতিয়া উত্তৰ দিব তেখেত ২০ বছৰ হাউচত আছে মই মাত্ৰ চাৰি বছৰ। গতিকে অভিজ্ঞতাৰ আকাশ-পাতাল প্ৰভেদ। মাত্ৰ পেঞ্চন সম্পৰ্কে মই এটা সৰু লাইন কব বিচাৰিছো। পেঞ্চন শব্দটো লেটিন শব্দ পেঞ্চিওৰ পৰা আহিছে। -A pension is a retirement fund for an employee paid by the employers. মূল কথাটো এইটো। এতিয়া আমি NPS যদি চাও, National Pension System,এইটো আমি সচৰাচৰ নতুন পেঞ্চন আঁচনি বুলি কৈ থাকো। এতিয়া NPS টো কি ? New Pension is an effort of the Govt. to reduce its pension liabilities. চৰকাৰখনে এজন মানুহৰ অৱসৰৰ পাছত যিখিনি আৰ্থিক পা-পইচা বা সুযোগ- সুবিধা দিয়ে, সেইটো কমাবলৈ চৰকাৰখনে এইটো কৰিছে। And also helping general public to decide where to invest their money. It is a two tire contribution based investment structure .এইটোত বহুত ডাঙৰ Economics সোমায় আছে যিটো আমাৰ মূৰেৰে কথাটো ঢুকি নাপায়। তাৰ পাছত, NPS is a Govt. sponsored pension scheme that was launched in the year 2004 by Pension Fund Regulatory and Development Authority of India. বহুত জটিল বিষয়টো ।চৰকাৰে বোজা কমাবৰ বাবে ৰাষ্ট্ৰীয় ভাৱে এই বিষয়টো আনিছে। It was announced on Decembor 22, 2003 for all new Govt. employees excepting those in the armed forces. সেনাবাহিনীৰ বাহিৰে সকলোৰে ক্ষেত্ৰত এই ব্যৱস্থাটো প্ৰযোজ্য হ'ব। This brand new system replaces the defined system of pension and this includes GPF contribution pension scheme is for employees joined after 1st January,2004. স্পষ্ট কথা, ২০০৪ চনৰ জানুৱাৰীৰ পাচত যি সকল ব্যক্তিয়ে চৰকাৰী চাকৰিত

যোগদান কৰিছে তেওঁলোকৰ ক্ষেত্ৰত এইটো প্ৰযোজ্য। Defined word টোৰ দ্বাৰা Old pension ৰ কথা কোৱা হৈছে। এতিয়া আমি দুয়োটা Pension scheme তুলনা কৰি চালে বহু দীঘলীয়া পাৰ্থক্য দেখা পাওঁ। আমাক পুৰণি পেঞ্চন আঁচনিখন কিয় লাগে, দুয়োখন পেঞ্চন আঁচনিৰ মাজত কি পাৰ্থক্য সেই সম্পৰ্কে মই মাত্ৰ ৭/৮ টা মান পইন্ট ইয়াৰ পৰা বাচি বাচি উলিয়াইছো ।

১/ পুৰণিনীতিত পেঞ্চন পোৱা সকলে GPF ৰ সুবিধা পায়। আনহাতে নতুন পেঞ্চন পোৱা সকলে GPFৰ সুবিধা নাপায়।

২/ পুৰণিনীতিত পেঞ্চন পোৱা সকলে দৰমহাৰ পৰা কোনো কৰ্তন কৰিব নালাগে কিন্তু নতুন পেঞ্চন নীতিৰ অধীনৰ কৰ্মচাৰী সকলে দৰমহাৰ পৰা ১০% ধন কৰ্তন কৰিব লাগিব।

৩/ পুৰণি পেঞ্চন নীতিৰ অধীনত অৱসৰৰ সময়ত এটা নিশ্চিত পেঞ্চন আছে ( অন্তিম বেতনৰ ৫০%ৰ নিশ্চয়তা ইয়াত আছে), কিন্তু নতুন পেঞ্চন আঁচনিৰ অধীনত কিমান পৰিমানৰ পেঞ্চন লাভ কৰিব তাৰ কোনো নিশ্চয়তা নাই। এই শতাংশটো শ্বেয়াৰ মাৰ্কেট ৰ ওপৰত নিৰ্ভৰশীল। । এতিয়া কিমানজন কৰ্মচাৰী শ্বেয়াৰ মাৰ্কেট সম্পৰ্কে অৱগত ?

মাননীয় অধ্যক্ষ মহোদয়, পুৰণি পেঞ্চন চৰকাৰে দিয়ে। কিন্তু নতুন পেঞ্চনসমূহ বীমা কোম্পানীয়ে দিয়ে। যদি কিবা সমস্যা হয়, চৰকাৰ নহয় বীমা কোম্পানী সমূহৰ সৈতে যুদ্ধ কৰিব লাগে। পুৰণি পেঞ্চন নীতিত পেঞ্চন পোৱা সকলে অৱসৰৰ ক্ষেত্ৰত Gratuity অন্তিম বেতনৰ ১৬.৫ শতাংশ মাহৰ দৰমহা পায়। কিন্তু নতুন পেঞ্চন নীতিত Gratuity ৰ কোনো ব্যৱস্থা নাই। পুৰণি নীতিত পেঞ্চন পোৱা সকলে কৰ্মৰত অৱস্থাত মৃত্যু হ'লে মৰণকালীন Gratuity পায়। যিটো সপ্তম দৰমহা আয়োগে ১০ লাখ টকাৰ বিপৰীতে ২০ লাখ কৰিছে। কিন্তু নতুন পেঞ্চন পোৱা সকলৰ এই সুবিধা কৰ্ত্তন কৰিছে। পুৰণি নীতিত পেঞ্চন পোৱা সকলে কৰ্মৰত অৱস্থাত মৃত্যু হ'লে, তেনে পৰিয়ালে পাৰিবাৰিক পেঞ্চন পায়। কিন্তু নতুন পেঞ্চন যোজনাত পাৰিবাৰিক পেঞ্চনৰ কোনো সুবিধা নাই। পুৰণি নীতিত পেঞ্চন পোৱা সকলে প্ৰতি ৬ মাহৰ পিছত বজাৰ মূল্য তথা দৰমহা আয়োগৰ প্ৰতিবেদনৰ ভিত্তিত লাভ পায়। কিন্তু নতুন পেঞ্চন নীতিত পেঞ্চন পোৱা সকলৰ এই সুবিধা নাই।পুৰণি নীতিত পেঞ্চন পোৱা সকলে সহজতে GPF লোন পায়। কিন্তু নতুন পেঞ্চন নীতিত লোনৰ সুবিধা নাই। পুৰণি পেঞ্চন নীতিত GPF ৰ ধনৰ ক্ষেত্ৰত অৱসৰৰ সময়ত কোনো আয়কৰ দিব নালাগে। কিন্তু নতুন পেঞ্চন নীতিত অৱসৰৰ সময়ত নিজৰ আংশিক দানৰ ৬০ শতাংশ অবদায় দিব আৰু তাৰ ওপৰত আয়কৰ প্ৰযোজ্য।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় হক ডাঙৰীয়া আপুনি অসমৰ ক্ষেত্ৰত কি সংশোধন বিচাৰিছে সেইটো বিষয় লৈ আহক। মই আপুনি এই বিষয়টো আলোচনা কৰাৰ কাৰণে ভাল পাইছো। কিন্তু ইয়াত দীঘলীয়াকৈ আলোচনা কৰিব নোৱাৰিব। সেয়েহে মূল বিষয়টোলৈ আহক। এইটো এটা National Policy.

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰখনৰ কৰ্মচাৰী সকলৰ বাবে যিখিনি দায়বদ্ধতা তাৰ পৰা চৰকাৰখনে কমাইছে।

**মাননীয় অধ্যক্ষ ঃ** This is not a Policy of State Govt. We are accountable to this Govt. আপুনি অসমৰ ক্ষেত্ৰত যিখিনি সংশোধনী বিচাৰিছে সেই বিষয়টোলৈ আহক।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা উদাহৰণ দিওঁ কিয় আমাক পুৰণা পেঞ্চনটো লাগে। কৈলাস চন্দ্ৰ দাস নামৰ L.D.A. এজনে ২০১৯ চনত

অৱসৰ গ্ৰহণ কৰিছে আৰু এতিয়া পেঞ্চন পাই ১৩৫০ টকা। ৬০ বছৰ বয়সত পেঞ্চন পোৱা ব্যক্তি এজনে যদি ১৩৫০ টকা পেঞ্চন পায় তেওঁ চলিব কেনেকৈ। ড০ ফণীভূষণ নাথ নামৰ লোক এজনে অধ্যক্ষ হৈ অৱসৰ গ্ৰহণ কৰিছে আৰু তেওঁ বৰ্তমান পেঞ্চন পায় মাত্ৰ ২৮৩৫ টকা। ভদ্ৰেশ্বৰ ডেকা নামৰ প্ৰৱক্তা এজনে ২০১৭ চনত তেওঁ অৱসৰ গ্ৰহণ কৰিছে তেওঁ বৰ্তমান ১২০০ টকাপেঞ্চন পায়। আলতাফ হুছেইন নামৰ হাইস্কুলৰ প্ৰধান শিক্ষক এজনে ২০১৯ চনত অৱসৰ গ্ৰহণ কৰিছে আৰু তেওঁ পেঞ্চন পায় ১১৮৫ টকা। National Pension Scheme খন গোটেই ভৰতবৰ্ষতেই চলি আছে। এতিয়াও যদি আমাৰ চৰকাৰ খনে সেইটোৱে অনুসৰণ কৰি থাকে এই মানুহখিনিৰ লেখীয়া অৱস্থা **২০০৪** চনৰ পিছত অহা গোটেই মানুহখিনিৰ হ'ব। এটা ডাঙৰ কথা হ'ল যে- **২০১৩** চনত যেতিয়া এতিয়াৰ বিত্তমন্ত্ৰী সেই সময়ত শিক্ষা মন্ত্ৰী আছিল আৰু যিখিনি স্কুল তেখেতে ল'লে, তেখেতে ভাল কৰিছিল। এই মানুহখিনি **১৯৯০-৯৫** চনৰ আগৰ। কিন্তু তেওঁলোকৰ প্ৰাদেশীকৰণ হৈছিল ২০১৩ চনত, ৩২-৩৩ বছৰ সময় চাকৰি কৰাৰ পিছত ১-২ বছৰ তেওঁলোকে দৰমহা সমূহ পালে। তাৰ পাছত তেওঁলোকৰ অৱসৰৰ সময় হ'ল। তেওঁলোকৰ পেঞ্চন নাই। এতিয়া বহুত শিক্ষকে শাক-পাচলি বিক্ৰী কৰে। মই ইয়াত কৈ লৈছো যে-আমি ইয়াত National Pension Scheme ৰ বিষয়ে আলোচনা কৰিছো আৰু এই বিষয়টো জটিল। গতিকে মানৱীয় দৃষ্টিভঙ্গীৰে চৰকাৰে যদি এই আঁচনিখন অলপ সলনি কৰে, মোৰ বোধেৰে ভাল হ'ব। মই মাত্ৰ ২টা দাবী কম। শেষ বয়সতে মানুহক পেঞ্চন লাগে। Article এটাৰ এটা দফা কৈ আৰু মই মোৰ দাবী কেইটা কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিম। অচ্যুতানন্দ হাজৰিকা নামৰ মানুহ এজনে এটা Article লিখিছে আৰু পেঞ্চনটো শেষ বয়সত কিয় লাগে সেই বিষয়ে খুব ভালকৈ লিখিছে। মই তাৰে কেৱল চাৰি-পাঁচ লাইনমান ক'ম। যুৱ অৱস্থাত মানুহৰ শাৰীৰিক আৰু মানসিক অৱস্থা উৰ্দ্ধগামী হোৱাৰ বাবে এক সুন্দৰ স্বাস্থ্যৰ অধিকাৰী হয়। এই সময়ছোৱাত দেহৰ প্ৰায়বোৰ ব্যৱস্থাই দেহত নিৰোগী স্বাস্থ্যৰ প্ৰতি যোগাত্মক ভূমিকা গ্ৰহণ কৰাৰ বিপৰীতে বৃদ্ধ অৱস্থাত দৈহিক ক্ষয়ৰ সন্মুখীন হয়। যাৰ বাবে বিভিন্ন শাৰীৰিক আৰু মানসিক ৰোগে দেখা দিয়ে। চৰকাৰী কৰ্মচাৰীসকলৰ অতি ব্যস্তময় কৰ্মময় জীৱনৰ অভ্যাস হঠাতে সলনি হোৱাৰ বাবে মানসিক ভাৱে এক অস্থিৰ পৰিৱেশত সোমাই পৰে আৰু ইয়াৰ বাবে বহুজনে দৈহিক আৰু মানসিকভাৱে আক্ৰান্ত হয়। বিভিন্ন শাৰীৰিক আৰু মানসিক ৰোগে দেখা দিয়ে। সেয়েহে এই কালৰ ব্যক্তিসকলক ভাৰতীয় দৰ্শনে বানপ্ৰস্থ আশ্ৰমত থাকি অন্তৰালৰ লগত নিজকে সুস্থিৰ ৰখাৰ মাধ্যম হিচাপে থকাৰ মতপোষণ কৰিছিল। বানপ্ৰস্থ কালত জ্যেষ্ঠ ব্যক্তিসকলে সংসাৰ, ঘৰ, গৃহস্থী, ৰাইজ, ৰাজনীতি আদি পৰিহাৰ কৰি সমনীয়াৰ লগত থাকি আধ্যাত্মিক জীৱনৰ সৈতে বিলীন হৈ গৈছিল। এই বানপ্ৰস্থ আশ্ৰমৰ সংজ্ঞা আধুনিক সমাজত সলনি হ'ল যদিও চৰকাৰী চাকৰিয়াল সকলৰ বেলিকা অৱসৰৰ পিছত নিজৰ ঘৰতে অভাৱ নোহোৱাকৈ থকাৰ ব্যৱস্থাই হৈছে পেঞ্চন। সেইকাৰণে আমাৰ অসমত যিসকল কৰ্মচাৰী আছে এই আইড'ল'জিত যদি আমি যাওঁ মোৰ বোধেৰে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** অনুগ্ৰহ কৰি মোৰ কথা শুনক। This is 301 you just read out the Ruleইয়াত আপুনি যিখিনি পৰামৰ্শ দিয়ে সেইখিনি very important description. we all know very well.

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এইটো অনুৰোধ কৰিব বিচাৰিছো যে নতুন পেঞ্চন আঁচনি অসমৰ ক্ষেত্ৰত প্ৰত্যাহাৰ কৰি ১৯৬৯ চনৰ পেঞ্চন আঁচনিৰ অধীনত নতুনকৈ প্ৰাদেশীকৃত শিক্ষক তথা কৰ্মচাৰীসকলক পেঞ্চন দিয়াৰ

ব্যৱস্থা কৰা হওঁক। এইটো মোৰ প্ৰথম দাবী। মোৰ দ্বিতীয় দাবীটো হৈছে যে-ঠিক তেনেকৈ বিভিন্ন বিভাগত নিযুক্তি পোৱা বিষয়া-কৰ্মচাৰী সকলক National Pension Scheme ৰ সলনি পুৰণি পেঞ্চন নিয়মৰ আওতালৈ অনা হওঁক। এই মূল দুটা দাবী। এইখিনি কথা ক'ব দিয়াৰ বাবে মই ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** This is an important matter. মই সেইকাৰণে কৈছো অসমৰ ক্ষেত্ৰত শেষৰ দুটা কথা আগতে কোৱা হ'লে বেছি ভাল হ'লহেঁতেন। বিৱৰণী আপুনি দিব পাৰে আৰু দিয়াত আপত্তি নাই। কিন্তু আমি সদায় সমাজৰ ভালৰ ক্ষেত্ৰত কওঁতে কোনটো ক'লে বেছি ভাল হ'ব সেইটোত মূলতঃ গুৰুত্ব দিলে বেছি ভাল হয়। এতিয়া মাননীয় মন্ত্ৰী হিমন্ত বিশ্ব ডাঙৰীয়াই কওঁক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত, শিক্ষা, স্বাস্থ্য ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে National Pension Scheme ৰ ওপৰত আগবঢ়োৱা পৰামৰ্শখিনি আমি সকলোৱে শুনিছো। National Pension Scheme ২০০৪ চনৰ পৰা সমগ্ৰ দেশতে প্ৰৱৰ্ত্তন কৰা হৈছে। এইটো আমাৰ ৰাজ্য চৰকাৰৰ সিদ্ধান্ত নহয়। এইটো ৰাষ্ট্ৰীয় সিদ্ধান্ত যাৰ লগত আমি সকলোৱে যোগ দিছো। যদিও আমি ২০০৫ চনৰ পাছত নিযুক্তি পোৱা কৰ্মচাৰী সকলে National Pension Scheme পাব বুলি কৈছিলো আৰু আমি সেই ধৰণে আগবাঢ়িছিলো। এই National Pension Scheme ৰ মূল যিটো Componant আমাৰ সন্মনীয় বিধায়ক গৰাকীয়ে কৈছে যে এজন কৰ্মচাৰীৰৰ নিজৰ দৰমহাৰ ১০ শতাংশ National Pension Scheme ত জমা হ'ব লাগে আৰু সমানুপাতিক ভাৱে ৰাজ্য চৰকাৰে প্ৰতিজন কৰ্মচাৰীৰ বিপৰীতে ১০ শতাংশ ধন জমা দিব লাগে। ২০০৫ চনৰ পৰা ২০১০ চনলৈ আমাৰ ৰাজ্যচৰকাৰে কোনো ধৰণৰ প্ৰিমিয়াম দিয়া নাছিল। কৰ্মচাৰীৰ দৰমহা সমূহ আমি কাটি গৈছিলো আৰু তাৰ পৰিৱৰ্ত্তে আমাৰ যিটো অংশ সেইটো আমি জমা দিয়া নাছিলো। শেহতীয়াভাৱে আমি কিছু ব্যৱস্থা লৈ ৰাজ্যচৰকাৰে নিজৰ অংশৰ যিমান টকা জমা দিবলগীয়া আছিল, ইতিমধ্যে আমি সিমান টকা জমা দিছো। NPS ত কিছুমান সংশোধন আহিছে। ইমান দিনে ব্যৱস্থাটো আছিল যে ১০ শতাংশ কৰ্মচাৰীয়ে দিব আৰু ১০ শতাংশ employer, State Government বা Central Government এ দিব। বৰ্তমান কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশ দিছে যে ৰাজ্যচৰকাৰে ১৫ শতাংশ জমা দিব লাগিব against the 10% contribution of the employee. তাৰ ফলত বৰ্তমান NPS ৰ এজন কৰ্মচাৰীৰ ক্ষেত্ৰত ২৫ শতাংশ পুঁজি জমা হ'ব। Gratuity ৰ ক্ষেত্ৰটো কিছু নতুন কথা আমালৈ আহিছে যাৰ ফলত NPS ৰ কৰ্মচাৰী এজনে অৱসৰ লোৱাৰ লগে লগে এটা নিৰ্দ্দিষ্ট Gratuity পোৱাৰ ক্ষেত্ৰত এই স্কীমটো আগবাঢ়িছে। আমাৰ অসমত এটা typical problem এটা পাইছো। কেন্দ্ৰীয় চৰকাৰে যেতিয়া NPS আঁচনি আনিছিল তেওঁলোকৰ এটা হিচাপ আছিল যে চৰকাৰী কৰ্মচাৰীয়ে যদি চৰকাৰী কামত অংশ লয়, তেওঁলোকে Minimum Service Period এটা কৰিব। অৰ্থাৎ ভাৰতৰ অন্য ৰাজ্যবোৰত চৰকাৰী কৰ্মচাৰীত যোগদানৰ উৰ্দ্ধতম সীমা ৩০ বছৰ বা তাৰ আশে-পাশে। যাৰ ফলত আন ৰাজ্য বা কেন্দ্ৰীয় চৰকাৰৰ কৰ্ম্মচাৰীসকলৰ যেতিয়া অৱসৰ হ'ব তেওঁলোকৰ লগত Decent Govt. service এটা থাকিব। ৩০ বছৰত যদি চৰকাৰী কৰ্ম্মচাৰী ২৫ শতাংশ টকা এই National Pension Regulatory Fund ৰ ওচৰত জমা হৈ থাকে তাৰ যিটো Re-investment এইটো প্ৰায় চৰকাৰী পেঞ্চনৰ সমান হয় আৰু যিসকলে Option ত অলপমান risk factor হাতত লৈ Option দিয়ে

তেওঁলোকে কেতিয়াবা কেতিয়াবা সাধাৰণ পেঞ্চনতকৈ বেছি পেঞ্চন ও পাব পাৰে। কিন্তু অসমত যোৱা কিছুদিনত ২০১৩ চনত প্ৰাদেশীকৃত হোৱা শিক্ষক সকলে অৱসৰ পোৱাৰ পিছত তেখেতসকলে যি NPS ৰ টকা পাইছে তাৰ পৰিমাণ অতি কম হোৱাৰ কাৰণে ৰাজ্যৰ কৰ্মচাৰীসকলৰ মাজত এটা Panic reaction আমি দেখা পাইছো। তাৰ মূল কাৰণটো হ'ল যে ২০১৩ চনত আমি যিখিনি প্ৰাদেশীকৃত কৰিছিলো তেওঁলোকৰ Service Period দুই-তিনি বছৰ আছিল বা আজিও যাক আমি প্ৰাদেশীকৃত কৰিম তেওঁলোকক যিহেতু Retrospective effect ৰ পৰা প্ৰাদেশীকৰণ নকৰো Prospective effect প্ৰাদেশীকৃত কৰিম সেইবাবে তেওঁলোকক যেতিয়া প্ৰাদেশীকৰণ কৰি চাকৰি মাত্ৰ দুই-তিনি বছৰমান থাকে যাৰ কাৰণে NPS ত খুব কম টকা জমা হয়। তাৰ ফলত তেওঁলোকে স্বাভাৱিকভাৱে অতি কম টকা পেঞ্চন হিচাপে পাই আছে আৰু সেই চেক বিলাক বা Bank Details সমূহ ৰাজ্যৰ কৰ্মচাৰীসকলৰ মাজত প্ৰচাৰ হোৱাৰ কাৰণে এটা আতংকময় পৰিস্থিতিৰ সৃষ্টি হৈছে। কিন্তু চৰকাৰৰ ফালৰ পৰা আমি ক'ব খুজো যে-যিসকল Normal employee তেওঁলোকে ৩০ বা ৩৫ বছৰত যোগদান কৰিব আনকি যিসকলে ৪০ বছৰতো যোগদান কৰিব তেওঁলোকৰ ২০ বছৰ চাকৰি তেওঁলোকৰ একাউণ্টত থাকিব। যেতিয়া ২০ বছৰ নিৰন্তৰভাৱে দৰমহাৰ ২৫ শতাংশ জমা হ'ব তেওঁলোকৰ পেঞ্চনৰ পৰিমাণ বৃদ্ধি হ'ব বা তেওঁলোকৰ পেঞ্চনৰ পৰিমাণ চৰকাৰে যি ধৰণে হিচাপ দিছে সেইধৰণে পেঞ্চনৰ পৰিমাণ দেখা যাব। বহুলোকে এতিয়া দাবী কৰে যে recruitment age টো বঢ়াব লাগে ৪২, ৪৩ বা ৪৫ বছৰ পৰ্য্যন্ত কৰিব লাগে। আমি উৰ্দ্ধতম বয়সত নিয়োগ কৰিম, আমি ৪৫ বছৰ বয়সলৈকে recruitmentage টো লৈ যাম। এই যিসকল মানুহ recruit হ'ব তেওঁলোকে নিজৰ যিটো নিয়মত কোনোবাই হয়তো ব্যৱসায় কৰিছিল, কোনোবাই হয়তো টিউশ্যন কৰিছিল সেই জীৱন বাদ দি চৰকাৰী কৰ্মচাৰী হিচাবে আহিব। ১৫ বছৰ চাকৰি কৰাৰ পিছত পেঞ্চনৰ টকা খুব কম পাব তেতিয়া তেওঁলোকৰ মনত এটা অনিশ্চয়তাৰ পৰিৱেশৰ সৃষ্টি হ'ব। সেইটো স্বাভাৱিক। কিন্তু ভাৰতৰ আন ৰাজ্যৰ কৰ্মচাৰীসকলে সম্পূৰ্ণ ৩০ বছৰ চাকৰি কাৰণে তেওঁলোকৰ মাজত কোনো অনিশ্চয়তাৰ সৃষ্টি নহয়। আনকি এই প্ৰাদেশীকৰণ ব্যৱস্থাটো অন্য ৰাজ্যৰ নাই বাবে এই ধৰণৰ আতংকৰ পৰিৱেশ ভাৰতৰ অন্য ৰাজ্যত সৃষ্টি হোৱা নাই। অসমৰ এই বিশেষ সমস্যাসমূহৰ কাৰণে আমি transitional period টোত আমি কিছু সমস্যা পাই গৈ থাকিম। মোৰ দৃষ্টিত আমি এসময়ত যেতিয়া এই নিয়মত যোগ দিছিলো সেই সময়ত অসমৰ ৰাজ্যচৰকাৰে অসমৰ বিশেষ সমস্যাসমূহৰ বিষয়ে NPS যেতিয়া বনোৱা হৈছিল সেই সময়ত কেন্দ্ৰৰ দৃষ্টিগোচৰ কৰাৰ প্ৰয়োজন আছিল। যিহেতু কেন্দ্ৰৰ দৃষ্টিগোচৰ সেই সময়ত নহ'ল আৰু NPS এটা ৰাষ্ট্ৰীয় ব্যৱস্থা হিচাবে প্ৰচলিত হৈ গ'ল তেতিয়া আমি তাৰ পৰা ওলাই আহিব নোৱাৰো। অসমৰ কৰ্মচাৰী সকলে যিখিনি অসুবিধা পাইছে বিশেষকৈ প্ৰাদেশীকৃত শিক্ষকসকলে যি খিনি সমস্যা পাইছে সেই বিষয়ে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিগোচৰ কৰাৰ বাবে আমি সিদ্ধান্ত লৈছো। যদি তেওঁলোকে কিবা সংশোধিত ব্যৱস্থা কৰে তেতিয়াহ'লে আমি তাৰ নিশ্চয় কিছু সুফল লাভ কৰিব পাৰিম। ইতিমধ্যে গোটেই দেশতে NPS ত থকা কৰ্মচাৰীসকলে NPS ব্যৱস্থাটো সংশোধনৰ বাবে কেন্দ্ৰীয় চৰকাৰক বিভিন্ন স্মাৰক পত্ৰ দিছে । কেন্দ্ৰীয় চৰকাৰেও ইয়াক সময়ে সময়ে বিবেচনা কৰি ৰাজ্য চৰকাৰৰ বৰঙণি ১০ ৰ পৰা ১৫ শতাংশ লৈকে বঢ়াইছে। আজি বিধান সভাত যি প্ৰশ্ন উত্থাপন হৈছে সেই বিষয়ে আমি কেন্দ্ৰীয় চৰকাৰক সময়ে সময়ে দৃষ্টিগোচৰ কৰি থাকিম যাতে NPS ত থকা কৰ্মচাৰীসকলে তেওঁলোকৰ জীৱনৰ শেষ সময়ত কোনো ধৰণৰ কষ্ট ভোগ কৰিব নালাগে। কিন্তু বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিষয় হোৱা বাবে ৰাজ্যচৰকাৰে এই ক্ষেত্ৰত কোনো ধৰণৰ প্ৰতিশ্ৰুতি দিব পৰা অৱস্থাত

নাই। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আমি বিষয়টো ভালদৰে বুজি পালো । এতিয়া কাৰ্য্যসূচী নং-৬। এতিয়া মাননীয় মুখ্যমন্ত্ৰীৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়া ইংৰাজী ১৭ মাৰ্চ, ২৮ জুলাই আৰু ১৬ অক্টোবৰ, ২০২০ তাৰিখৰ ৩ খন অধিসূচনা সদনত দাখিল কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, উদ্যোগ আৰু বাণিজ্য ইত্যাদি ঃ** Hon'ble Speaker Sir, on behalf of Hon'ble Chief Minister, I beg to lay the 3 nos. of Extraordinary Gazette Notifications of the Power Department Govt. of Assam, dtd. 17th March, 28 th July, 2020 and 16th October,2020.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পৰৱৰ্তী কাৰ্য্যসূচী। এতিয়া মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই ২০২০ চনৰ ইংৰাজী ১৮ আগষ্টৰ পৰা ইংৰাজী ২৩ নৱেম্বৰলৈ অসম চৰকাৰৰ বিত্ত (কৰাৰোপণ) বিভাগৰ ২৭ খন অসাধাৰণ ৰাজপত্ৰ অধিসূচনা দাখিল কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত, শিক্ষা, স্বাস্থ্য ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০২০ চনৰ ইংৰাজী ১৮ আগষ্টৰ পৰা ইংৰাজী ২৩ নৱেম্বৰলৈ অসম চৰকাৰৰ বিত্ত (কৰাৰোপণ) বিভাগৰ ২৭ খন অসাধাৰণ ৰাজপত্ৰ অধিসূচনা সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং-৮। এতিয়া মাননীয় মুখ্যমন্ত্ৰীৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়া ইংৰাজী ২০১৯-২০২০ বৰ্ষৰ বাবে অসম তথ্য আয়োগ বাৰ্ষিক প্ৰতিবেদন সদনত দাখিল কৰিব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, উদ্যোগ আৰু বাণিজ্য ইত্যাদি ঃ** Hon'ble Speaker Sir, on behalf of Hon'ble Chief Minister, I beg to lay the Annual Report of Assam, Information Commission for the year 2019-20.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পুনৰ ২০১৮-২০১৯ চনৰ Power Generation Corporation Limited ৰ হিচাপ পৰীক্ষাৰ বৰ্ণনা দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** Hon'ble Speaker sir, on behalf of Hon'ble Chief Minister, I beg to lay the Annual Reports and Accounts of Assam Power Generation Corporation Limited for the year 2018-2019.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই অসম বিত্তীয় নিগমৰ ২০১৯ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা বছৰৰ পৃথক হিচাপ পৰীক্ষা প্ৰতি বেদনৰ ওপৰত হিচাপৰ প্ৰমান পত্ৰ দাখিল কৰিব।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিত্তীয় নিগমৰ ২০১৯ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা বছৰৰ পৃথক হিচাপ পৰীক্ষাৰ প্ৰতি বেদনৰ ওপৰত হিচাপৰ প্ৰমান পত্ৰ সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সমবায় মন্ত্ৰীয়ে ২০১৪-১৫, ২০১৫-১৬ আৰু ২০১৬-১৭ ৰ Assam State Warehousing Corporation ৰ তিনিটা বাৰ্ষিক প্ৰতিবেদন সদনত দাখিল কৰিব।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৪-১৫, ২০১৫-১৬ আৰু

২০১৬-১৭ৰ Assam State Warehousing Corporationৰ ৫৩ তম, ৫৪ তম আৰু ৫৫ তম বাৰ্ষিক প্ৰতিবেদন তিনিখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই ২০২০-২১ চনৰ পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজন সমূহৰ তালিকা সদনত দাখিল কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০২০-২১ চনৰ পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজন সমূহৰ তালিকা সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ১৫। The Assam Official Language Amendment Bill,2020 সদনত উত্থাপন কৰিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Official Language Amendment Bill,2020 বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Does anybody want to speak here?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ :-** মাননীয় অধ্যক্ষ মহোদয়, ভাষা সারকুলার আইন-- তার মধ্যে বরাকে বাংলা, বড়োল্যাণ্ডে বড়ো এবং অসমের বাকি জায়গাগুলো অসমীয়া ভাষা সেটাই ভাষা সারকুলার আইন। অধ্যক্ষ মহোদয় বড়ো ভাষাকে সহযোগী ভাষা হিসাবে স্বীকৃতি দেওয়া হয়েছে। আমি ব্যক্তিগত ভাবে খুব খুসি, আমি ধন্যবাদ জানাই যে বড়ো ভাষাকে সহযোগী ভাষা হিসাবে স্বীকৃতি দেওয়াৰ জন্য। অধ্যক্ষ মহোদয়, আপনাদের তথ্যমতে বিধান সভায় আমি প্রশ্ন করেছিলাম আনস্টার্ট কুয়েশ্চন নং ১৫, সেই প্রশ্নের উত্তরে অসমীয়া ভাষার ১কোটি ৫০ লক্ষের অধিক, বাংলা ভাষার ৯০ লক্ষ ২৪ হাজারেরও অধিক, বড়ো ভাষার ১লক্ষ ৪১ হাজারের অধিক জনসাধারণ আছে। অধ্যক্ষ মহোদয, আমার ব্যক্তিগত উপলব্ধি যে বরাক ভ্যালিতে বাংলা, বড়োল্যণ্ডে বড়ো, এবং অসমের অন্যান্য জায়গাগুলোতে অসমীয়া ভাষার প্রচলন আছে। তবে এখানে সহযোগী ভাষার অর্থটি কি? আমি বুঝতে পারছিনা। দ্বিতীয়ত, যদি বড়ো ভাষাকে সহযোগী ভাষা হিসাবে স্বীকৃতি দেওয়া হল তবে কেন ৯০ লক্ষ বাংলা ভাষীকে সহযোগী ভাষা হিসাবে স্বীকৃতি দেওয়া হল না। সেটাই আমার প্রশ্ন। আপনাদের বাঙ্গালীদের প্রতি মায়া-মমতা দেখতে পাই কিন্তু প্রকৃত অর্থে সেগুলো অনেক সময় দেখা যায়না। তাই মন্ত্রী মহোদয়ের কাছে অনুরোধ যে বড়ো ভাষাকে স্বীকৃতি দেওয়া হয়েছে ঠিক আছে, কিন্তু কেন বাংলা ভাষাকে স্বীকৃতি দেওয়া হল না? আমি মন্ত্রী মহোদয়ের কাছে পরিষ্কার ভাবে জানতে চাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কমলাক্ষ্য দে পুৰকায়স্থই যিটো কথা কৈছে সেইটো হয় যে সকলো ভাষাৰ প্ৰতি আমাৰ সন্মান আছে। সেইবাবে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এইবাৰ আমাৰ যিসমূহ জনগোষ্ঠীয় ভাষা আছে, প্ৰথমবাৰৰ বাবে অসম সাহিত্য সভাক ১০কোটি টকা, বড়ো সাহিত্য সভাক ৫ কোটি আৰু অন্য ৩৩ টা জনগোষ্ঠীয় সাহিত্য সভাক ৩ কোটি টকাকৈ corpus fund কৰি দিছে যাতে সেই fund ৰ interest ৰ টকাৰে এই ভাষাবিলাক develop কৰিব পাৰে। গতিকে বড়ো সহযোগী ভাষা হিচাপে এইকাৰণেই দিয়া হ'ল যে অলপতে এখন BTR চুক্তি হৈছিল যিটো আপোনালোক সকলোৱে জানে আৰু এই BTR চুক্তিৰ ভিত্তিত বড়ো ভাষাটোক সহযোগী ভাষা হিচাপে দিয়া হ'ল। এই চুক্তিখনত ভাৰত চৰকাৰ আৰু অসম চৰকাৰ আৰু বড়ো যিসকলে আন্দোলন কৰি আছিল, সেই আন্দোলনৰ

ভিত্তিত এই কথাখিনি কৰা হ'ল। গতিকে আমি আজিৰ দিনটোত এইধৰণৰ সহযোগী ভাষাৰ কথালৈ বিতৰ্কলৈ যাব নালাগে কাৰণ অসমত ৩৩ টা জনগোষ্ঠীয় ভাষা আছে। কোনটো ভাষা প্ৰথমতে আছে আৰু কোনটো দ্বিতীয়তে আছে সেইটো গুৰুত্বপূৰ্ণ নহয়। সকলোৰে বাবে নিজৰ মাতৃভাষাটো important.আমি ৰাতি সপোনত যিটো ভাষাত কথা পাতো সেইটো হৈছে আমাৰ মাতৃভাষা। সেই ভাষাটো প্ৰত্যেকৰে আপোন। আজি বৰাকত বঙালী মাধ্যমৰ স্কুল আছে আৰু ব্ৰহ্মপুত্ৰ ভেলীতো বঙালী মাধ্যমৰ স্কুল আছে আৰু তেনেকৈ বিশ্ববিদ্যালয়ো আছে। এই সুবিধাখিনি সকলো দিশতে আছে। আজি বঙালী ভাষাটো developed language আৰু যি বড়ো হওক বা দেউৰী বা সোনোৱাল কছাৰী বা কাৰ্বি বা মিছিং ভাষাই হওক এই সমূহ develop হোৱা নাই। গতিকে এই সকলোবিলাক ভাষা আমি যাতে সমানে develop কৰি আনিব পাৰো তাৰে প্ৰচেষ্টা আমাৰ চৰকাৰে হাতত লৈছে। সেইকাৰণে আমি আজিৰ দিনটোত এইটো ভাৱিব নালাগে যে বড়ো ভাষাটো দিলে, আমাৰ বঙালী ভাষাটো নিদিলে কাৰণ প্ৰতিটো ভাষাক আমি সন্মান কৰো আৰু তাৰবাবে আমি বিশেষ ব্যৱস্থা লৈছো। এই আইনখনৰ দৰে গোটেই কাছাৰ জিলাত আমাৰ বঙালী ভাষা চলিবই মাত্ৰ এখন অসমীয়া পেপাৰ থাকিব। ঠিক তেনেকৈ বড়ো লেণ্ডতো। সিদিনাখন মিটিংত আমাৰ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই চন্দন ব্ৰহ্ম ডাঙৰীয়াক কৈছে যে Boroland ত যিমান signboard আছে সেইবিলাক দেৱনাগৰী আৰু ইংৰাজী ভাষাত লিখা আছে সেইবিলাক অসমীয়া ভাষাত লিখিব লাগে। গতিকে আমাৰ কথাটো হ'ল যে আমি সকলোৰে মিলাপ্ৰীতিৰে থাকিব লাগে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিটো slogan-বৰাক ব্ৰহ্মপুত্ৰ পাহাৰ ভৈয়াম আমি সকলোৰে মিলি এনেদৰে আগবাঢ়ি যাব লাগে তাৰ বাবে মই অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি amendment দিব পাৰিব। বিলখন আজি আহিব। আপুনি কালি amendment দিলে পৰহিলৈ আলোচনালৈ আহিব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় অধ্যক্ষ মহোদয়, কাৰো ওপৰত আমাৰ বিদ্বেষ ভাৱ নাই। কিন্তু আমাৰ মন্ত্ৰী মহোদয়ে Grants-in-aid যিটো কথা কৈছে তাতো আমি discrimination দেখিলো। বঙ্গ সাহিত্য সাংস্কৃতিক সন্মিলনৰ নাম তাৰ তালিকাতে নাই। এনেধৰণৰ কিয় হৈ আছে ? কৰবাত কিবা অসুবিধা আছে নেকি যে মুখত এটা কথা আৰু বুকুত এটা কথা। এনে কৰিলে নহ'ব। যিটো কথা মুখত আছে বুকুতো সেইটো কথা থাকিব লাগিব। এনেধৰণৰ দুটা কথা হ'লে আকৌ discrimination হ'ব। Total discrimination আমি দেখা পাইছো কাৰণে মন্ত্ৰী মহোদয়ক মই এইখিনি কথা ক'লো আৰু তেখেতৰ উত্তৰত মই মুঠেও সন্তুষ্ট নহয়।

**মাননীয় অধ্যক্ষ ঃ** পৰহিলৈ আমি যেতিয়া বিলখন আলোচনালৈ আনিম তেতিয়াও আপুনি ক'ব পাৰিব। এতিয়া বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে? (সদনে সন্মতি জনায়) অনুমোদিত হৈছে। এতিয়া মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উপস্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam Official Language (Amandment) Bill, 2020 বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ভাৰপ্ৰাপ্ত সচিবে এই বিধেয়কখনৰ শিৰোনামা পাঠ কৰিব।

**শ্ৰী অমৰেন্দ্ৰ নাৰায়ণ ডেকা, ভাৰপ্ৰাপ্ত সচিব ঃ** বিধেয়কখনৰ শিৰোনামা -"The Assam Official Language (Amandment) Bill, 2020".

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ১৬। মাননীয় চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই "The

Assam Tea Plantations Provident Fund and Pension Fund and Deposit Linked Insurance Fund Scheme( Amendment)Bill, 2020". উত্থাপনৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Tea Plantations Provident Fund and Pension Fund and Deposit Linked Insurance Fund Scheme( Amendment)Bill, 2020" বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে? (সদনে সন্মতি জনায়) অনুমোদিত হৈছে। এতিয়া মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উপস্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Tea Plantations Provident Fund and Pension Fund and Deposit Linked Insurance Fund Scheme( Amendment)Bill, 2020" বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ভাৰপ্ৰাপ্ত সচিব।

**শ্ৰী অমৰেন্দ্ৰ নাৰায়ণ ডেকা, ভাৰপ্ৰাপ্ত সচিব ঃ** বিধেয়কখনৰ শিৰোনামা -"The Assam Tea Plantations Provident Fund and Pension Fund and Deposit Linked Insurance Fund Scheme( Amendment)Bill, 2020".

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ১৭। মই উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক "The Assam Ease of Doing Business (Amendment) Bill, 2020" খন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Ease of Doing Business (Amendment) Bill, 2020" বিধেয়কখন মই সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিলো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে? (সদনে সন্মতি জনায়) অনুমোদিত হৈছে। এতিয়া মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উপস্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Ease of Doing Business (Amendment) Bill, 2020" বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ভাৰপ্ৰাপ্ত সচিবে বিধেয়কখনৰ শিৰোনামা পাঠ কৰিব।

**শ্ৰী অমৰেন্দ্ৰ নাৰায়ণ ডেকা, ভাৰপ্ৰাপ্ত সচিব ঃ** বিধেয়কখনৰ শিৰোনামা -"The Assam Ease of Doing Business (Amendment) Bill, 2020".

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ১৮। মই বিত্ত বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক "The Assam Taxation (Liquidation of Arrear Dues) (Second Amendment) Bill, 2020" বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে অনুমতি ল'বলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Taxation (Liquidation of Arrear Dues) (Second Amendment) Bill, 2020" বিধেয়কখন

সদনত উত্থাপন কৰাৰ বাবে অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে? (সদনে সন্মতি জনায়) অনুমোদিত হৈছে। ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। মই বাণীটো পাঠ কৰি দিছো- " Under the provision of Article 207 (1)of the Constitution of India, I, Prof. Jagadish Mukhi, Governor of Assam do hereby recommend the introduction of 'The Assam Taxation (Liquidation of Arrear Dues) (Second Amendment) Bill, 2020' in the Assam Legislative Assembly." এতিয়া মই মাননীয় মন্ত্রী ডাঙৰীয়াক বিধেয়কখন সদনত উপস্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Taxation (Liquidation of Arrear Dues) (Second Amendment) Bill, 2020" বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ভাৰপ্ৰাপ্ত সচিবে বিধেয়কখনৰ শিৰোনামা পাঠ কৰিব।

**শ্ৰী অমৰেন্দ্ৰ নাৰায়ণ ডেকা, ভাৰপ্ৰাপ্ত সচিব ঃ** বিধেয়কখনৰ শিৰোনামা -"The Assam Taxation (Liquidation of Arrear Dues) (Second Amendment) Bill, 2020".

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ১৯। বিত্ত বিভাগৰ মন্ত্রী ডাঙৰীয়াক মই " The Assam Micro Finance Institutions (Regulation of Money Lending) Bill, 2020." বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে অনুমতি ল'বলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, " The Assam Micro Finance Institutions (Regulation of Money Lending) Bill, 2020." বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে? (সদনে সন্মতি জনায়) অনুমোদিত হৈছে। ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। মই বাণীটো পাঠ কৰি দিছো- " Under the provision of Article 207 (1)of the Constitution of India, I, Prof. Jagadish Mukhi, Governor of Assam do hereby recommend the introduction of 'The Assam Micro Finance Institutions (Regulation of Money Lending) Bill, 2020' in the Assam Legislative Assembly."

এতিয়া মই মাননীয় মন্ত্রী ডাঙৰীয়াক বিধেয়কখন সদনত উপস্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, " The Assam Micro Finance Institutions (Regulation of Money Lending) Bill, 2020" বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ভাৰপ্ৰাপ্ত সচিবে বিধেয়কখনৰ শিৰোনামা পাঠ কৰিব।

**শ্ৰী অমৰেন্দ্ৰ নাৰায়ণ ডেকা, ভাৰপ্ৰাপ্ত সচিব ঃ** বিধেয়কখনৰ শিৰোনামা -" The Assam Micro Finance Institutions (Regulation of Money Lending) Bill, 2020."

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ২০। শিক্ষা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক মই " The Assam Education (Provincialisation of Services of Non -Teaching Staff of Venture Educational Institutions) (Amendment) Bill, 2020" বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে অনুমতি ল'বলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, " The Assam Education (Provincialisation of Services of Non -Teaching Staff of Venture Educational Institutions) (Amendment) Bill, 2020" বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে সদনৰ সন্মতি আছেনে? (সদনে সন্মতি জনায়) অনুমোদিত হৈছে। ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। মই বাণীটো পাঠ কৰি দিছো- " Under the provision of Article 207 (1)of the Constitution of India, I, Prof. Jagadish Mukhi, Governor of Assam do hereby recommend the introduction of 'The Assam Education (Provincialisation of Services of Non -Teaching Staff of Venture Educational Institutions) (Amendment) Bill, 2020' in the Assam Legislative Assembly." এতিয়া মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উপস্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, " The Assam Education (Provincialisation of Services of Non -Teaching Staff of Venture Educational Institutions) (Amendment) Bill, 2020" বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ভাৰপ্ৰাপ্ত সচিবে বিধেয়কখনৰ শিৰোনামা পাঠ কৰিব।

**শ্ৰী অমৰেন্দ্ৰ নাৰায়ণ ডেকা, ভাৰপ্ৰাপ্ত সচিব ঃ** বিধেয়কখনৰ শিৰোনামা -" The Assam Education (Provincialisation of Services of Non -Teaching Staff of Venture Educational Institutions) (Amendment) Bill, 2020".

**মাননীয় অধ্যক্ষ ঃ-** Item No 21. **মই এতিয়া মাননীয় ভৈয়াম জন জাতি আৰু পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ মন্ত্ৰীক** The Moran Autonomous Council (Amendment) Bill, 2020 **উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি বিচাৰিবলৈ অনুৰোধ কৰিলো।**

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ- মাননীয় অধ্যক্ষ মহোদয়,** The Moran Autonomous Council (Amendment) Bill, 2020 **বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিছাৰিলো।**

**মাননীয় অধ্যক্ষ ঃ- এতিয়া মই সদনক সুধিব বিছাৰো এই বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি আছেনে? অনুমতি দিয়া হৈছে। এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন সদনত উত্থাপন কৰিব।**

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ- মাননীয় অধ্যক্ষ মহোদয়,** “The Moran Autonomous Council (Amendment) Bill, 2020” **বিধেয়কখন মই সদনত উত্থাপন কৰিলো।**

**মাননীয় অধ্যক্ষ ঃ- এতিয়া মই ভাৰপ্ৰাপ্ত সচিবক বিলখনৰ শিৰোনমা পঢ়ি দিবলৈ অনুৰোধ কৰিলো।**

**ভাৰপ্ৰাপ্ত সচিব ঃ- বিলখনৰ শিৰোনমা** “The Moran Autonomous Council

(Amendment) Bill, 2020”.

**মাননীয় অধ্যক্ষ ঃ-** Item No 22. পুনৰ মন্ত্ৰী ডাঙৰীয়াই “The Matak Autonomous Council (Amendment) Bill, 2020” সদনত উত্থাপনৰ বাবে সদনৰ অনুমতি বিছাৰিব।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, “The Matak Autonomous Council (Amendment) Bill, 2020” বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে সদনৰ অনুমতি আছেনে ? অনুমতি দিয়া হৈছে। এতিয়া মাননীয় মন্ত্ৰীয়ে পুনৰ বিধেয়কখন সদনত উত্থাপন কৰিব।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, “The Matak Autonomous Council (Amendment) Bill, 2020” বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া মই ভাৰপ্ৰাপ্ত সচিবক বিলখনৰ শিৰোনমা পঢ়ি দিবলৈ অনুৰোধ কৰিলো।

**ভাৰপ্ৰাপ্ত সচিব ঃ-** বিলখনৰ শিৰোনমা “The Matak Autonomous Council (Amendment) Bill, 2020.”

**মাননীয় অধ্যক্ষ ঃ-** Item No 23. মন্ত্ৰী ডাঙৰীয়াই “The Kamatapur Autonomous Council (Amendment) Bill, 2020” সদনত উত্থাপনৰ বাবে সদনৰ অনুমতি বিছাৰিব।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, “The Kamatapur Autonomous Council (Amendment) Bill, 2020” বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ- মাননীয় অধ্যক্ষ মহোদয়, “The Moran Autonomous Council (Amendment) Bill, 2020”, “The Matak Autonomous Council (Amendment) Bill, 2020”, “The Kamatapur Autonomous Council (Amendment) Bill, 2020”, in principle বিধিগতভাৱে আমি এইটো সমৰ্থন কৰিছো। কিন্তু এই কথাখিনি অহাৰ আগত আমি দুটামান কথা চৰকাৰৰ পৰা স্পষ্টিকৰণ বিচাৰিছো, যে আমাৰ আগৰ চৰকাৰ হিতেশ্বৰ শইকীয়া ডাঙৰীয়াৰ নেতৃত্বত আৰু তৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰৰ দিনটো যিবিলাক জাতি-জনগোষ্ঠী জনপ্ৰতিনিধি বিধান সভালৈ আহিব নোৱাৰে বা যি জনগোষ্ঠীয়ে বিধায়ক থকা অৱস্থাটো, পঞ্চায়ত থকা অৱস্থাটো সেই অঞ্চলৰ উন্নতি নহয়, তেনেকুৱাকৈ ষষ্ঠ অনুসূচীৰ অন্তৰ্গত অঞ্চলত Autonomous Council কৰিছো আৰু বাকী এলেকাত যিসকলক জনজাতিকৰণ কৰা হৈছে, সেই সকলক আমি Autonomous Council কৰিছো, আৰু যি সকলক আমি Autonomous Council কৰিব পৰা নাই, সেই সকলক Development Council কৰাৰ কাম আমি আৰম্ভ কৰিছিলো। হিতেশ্বৰ শইকীয়া ডাঙৰীয়া মুখ্য মন্ত্ৰী থকা অৱস্থাত সেইখিনি তদৰ্থভিত্তিক আছিল পৰৱৰ্তী সময়ত তৰুণ গগৈ ডাঙৰীয়া মুখ্যমন্ত্ৰী থকা সময়ত নিৰ্বাচিত এই Council সমূহত বা Autonomous Council সমূহত বা Development Council সমূহত আমি চৰকাৰৰ ফালৰ পৰা বিভিন্ন সময়ত অনুদান দি সেই অঞ্চলৰ যিখিনি Jurisdiction থাকে, সেইলোক সকলক সহায় কৰাৰ ব্যৱস্থা আৰম্ভ হৈছিল। এতিয়া আমাৰ ইলেকশ্যনৰ দুমাহৰ আগত মৰাণ, মটক, কমতাপুৰ Autonomous Council দিয়া হৈছে, আমি এই সকলক Autonomous Council দিয়াটোত আপত্তি কৰা নাই। কিন্তু এওঁলোকে বিচাৰিছিল কি ? তেওঁলোকে বিচাৰিছিল, তেওঁলোকক জনজাতিকৰণ কৰাটো। ইয়াৰ লগত আৰু তিনিটা জনগোষ্ঠী আছিল। চুতীয়া জনগোষ্ঠী, চাহ জনগোষ্ঠী আৰু আহোম জনগোষ্ঠী

আছিল। দুটা জনগোষ্ঠীক আমাৰ জনজাতি বা Autonomous Council দিয়া নাই, বাকী সকলক Autonomous Council দিছে। ইয়াত আজি আমি এটা অনুৰোধ কৰিব বিচাৰিছো যে কোনোবাই কয় যে ইয়াত আইনৰ সুৰুঙা আছে নেকি ? কাৰণ Autonomous Council দিবলৈ হ'লে,জনজাতিকৰণ বাধ্যতামূলক বুলি আমাৰ কেন্দ্ৰীয় চৰকাৰৰ যিটো ষষ্ঠ অনুসূচী এক্ট আছে, ৰাজ্যিক এক্টটো আছে যে, মই অৱশ্যে ভালকৈ পঢ়া নাই যে জনজাতিকৰা সকলক Autonomous Council দিয়ে আৰু বাকী সকলক Development Council কৰে। গতিকে তেওঁলোকৰ দাবী আছিল জনজাতি কৰাটো। জনজাতিকৰণ কৰিবৰ কাৰণে ইমান আন্দোলন কৰাৰ পাছত মাত্ৰ নিৰ্বাচনৰ দুমাহৰ আগত এই কামখিনি কৰাৰ পাছত মুষ্টিমেয় কিছুলোকক এই কাউঞ্চিলৰ বিভিন্ন বিষয়বাব হ'ব। কিন্তু এতিয়া কমতাপুৰৰ যিটো Jurisdiction কথা কৈছে, তেওঁলোকে বিচাৰিছিল যে কোচৰাজবংশীসকল গোটেই অসমতে সিচৰিত হৈ আছে। এতিয়া কেৱল এটা নিদ্ধাৰিত এলেকাত এইখিনি মানুহক এই কাউঞ্চিলৰ অন্তৰ্ভুক্ত কৰা হ'ব, আৰু যিটো প্ৰধান Autonomous Council ৰ আইনগত কথা। ষষ্ঠ অনুসূচী অঞ্চলতো যিটো কমিউনিটিক দিয়া হয়, য'ত ৫১ শতাংশ তেওঁলোকৰ কমিউনিটি থাকে আৰু তেতিয়া সেইখিনি অঞ্চলক Autonomous Council বা ষষ্ঠ অনুসূচীৰ অঞ্চল কৰে। এতিয়া কথাটো হ'ল যি সমূহ Autonomous Council ৰ কথা কৈছে, বিশেষকৈ কমতাপুৰ Autonomous Council বিশেষকৈ কোচ ৰাজবংশী সকলৰ কথাটো কৈছো মই, বাকী সকলকো একেলগে কৈছো, যে এই লোক সকলৰ হৈছে পেটৰ বিষ, আৰু আমি চৰকাৰে বান্ধিছে ভৰিখন। তেওঁলোকৰ ভৰি ভঙা নাই, হৈছে পেটৰ বিষ। তেওঁলোকক লাগে জনজাতিকৰণ। জনজাতিকৰণটো আপোনালোকে কেতিয়া কৰিব। জনজাতিকৰণ নকৰাকৈ যদি Autonomous Council দিয়া হয় তাত কিবা আইনৰ সুৰুঙা থাকি যাব নেকি ? যে জনজাতিকৰণ নকৰাকৈ Autonomous Council দিছে। এই কথাখিনি অকনমান চৰকাৰে খোলাকৈ কব লাগে যাতে পিছত দিয়াৰ নামত দিয়া হ'ব কামখিনি নহ'ব, আৰু মানুহখিনিক প্ৰৱঞ্চনা কৰা হ'ব। এই কথাখিনি অলপ খোলাকৈ কোৱাৰ দৰকাৰ। তথাপি কৈছো, যে এই তিনিটা জনগোষ্ঠীয়েই হওঁক বা Autonomous Council হওঁক in principle আমি সমৰ্থন কৰিছো। যদি দিছে সকলো মানুহকে লওঁক। কোচৰাজবংশীৰ সকলো মানুহে বিচাৰিছে জনজাতিকৰণ, এটা নিৰ্দ্ধাৰিত অঞ্চলৰ মানুহে নহয়। এতিয়া বিটিচি, বিটিআৰ এলেকাৰ কোচৰাজবংশী সকলে কিয় জনজাতিকৰণ বিচাৰিছে। এই কাৰণে তেওঁলোকে জনজাতিকৰণ বিচাৰিছে যে তেওঁলোকৰ তাত sizable population তাত আছে। কিন্তু তেওঁলোকে বিধান সভাত বা তাত যিটো সংৰক্ষণ কৰে তাত তেওঁলোক উঠিব নোৱাৰে। মোৰ কথাটো হ'ল যে, তেওঁলোকক জনজাতিকৰণ কৰিলে তেওঁলোকে ৰাজনৈতিক ক্ষমতাটো পাব। সেই ৰাজনৈতিক ক্ষমতা প্ৰতিনিধিত্ব কৰাৰ কাৰণে তেওঁলোকে জনজাতিকৰণটো বিচাৰিছে। এতিয়া অকনমান এটা নিৰ্দিষ্ট ঠাইত Autonomous Council টো দিব। বাকী এতিয়া নগাওঁত আছে, আৰু বিভিন্ন ঠাইত কোচৰাজবংশী সকল আছে। সেই লোক সকলক চেটেলাইট চিষ্টেমটো ইয়াত ৰখা হোৱা নাই বুলি মই শুনিছিলো। এতিয়া মই বিলখন ভালকৈ পঢ়া নাই আপোনালোকে দিলে পঢ়িম, যে সেই চেটেলাইট চিষ্টেমত বাকী মানুহখিনি হ'ব নে নহয়। যদি নহয়, কেৱল নিৰ্দ্ধাৰিত এঠাইত যদি কৰা যায়, তাত কিবা আইনৰ সুৰুঙা থাকি যায় নেকি সেই কথাখিনি অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি চৰকাৰৰ পৰা স্পষ্টীকৰণ হিচাপে জনাওঁক মই আকৌ কৈছো, in principle এই তিনিখনক আমি সমৰ্থন কৰিছো, আৰু বাকী দুই- তিনিটা জনগোষ্ঠী আছে, তেখেত

সকলৰ কথানো চৰকাৰে কি ভাবিছে জনজাতিকৰণৰ কথাটো। সেই কথাটো অকনমান কলে, আমি কৃতাৰ্থ হ'ম।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰক্ৰিয়াটো অব্যাহত আছে। আজি যিটো আমি Amendment আনিছো, যোৱাবাৰ যেতিয়া মেইন বিলখন অনা হৈছিল, তেতিয়াওঁ এনেকুৱা ধৰণৰ আলোচনা হৈছিল, আৰু তেতিয়া উত্তৰটো আমাৰ চৰকাৰী পক্ষৰ পৰা দিয়া হৈছিল। এইটো এটা সিদ্ধান্ত আৰু এই সিদ্ধান্ত মৰ্ম্মে আমি এই বিলখন ইয়াত লৈ আনিছো। তেতিয়া সংশোধনি প্ৰস্তাৱ বিশেষ দিয়া নাছিল। এতিয়া আমি চৰকাৰী পক্ষৰ পৰা কিছুমান সংশোধনী প্ৰস্তাৱ লৈ আহিছো, আৰু ইয়াৰ সংশোধনৰ কাৰণে যদি প্ৰয়োজনবোধ কৰে আমাৰ হুছেইন ডাঙৰীয়াই যি কথাটো কৈছে, সেইটো সংশোধনী প্ৰস্তাৱত কালি যদি দাখিল কৰে তেতিয়া আমি আলোচনা কৰিম, বিবেচনা কৰি পৰহি আমি আলোচনা কৰিম। কথাটো নিশ্চয় তেনেকুৱা কৈ হলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে, এতিয়া বিধেয়কখন সদনত উত্থাপনৰ সন্মতি আছেনে ? সন্মতি আছে, গতিকে মই মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুৰোধ কৰিছো।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, "The Kamatapur Autonomous Council (Amendment) Bill, 2020" বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া মই ভাৰপ্ৰাপ্ত সচিবক বিলখনৰ শিৰোনমা পঢ়ি দিবলৈ অনুৰোধ কৰিলো।

**ভাৰপ্ৰাপ্ত সচিব** ঃ- বিধেয়কখনৰ শিৰোনামা "The Kamatapur Autonomous Council (Amendment) Bill, 2020."

**মাননীয় অধ্যক্ষ** ঃ- Item No 24. শিক্ষা মন্ত্ৰীক মই "The Assam Repealing Bill, 2020" সদনত উত্থাপনৰ বাবে সদনৰ অনুমতি বিছাৰিবলৈ প্ৰস্তাব কৰিলো।

**শ্ৰী হিমন্ত বিশ্ব শৰ্ম্মা , মন্ত্ৰী** ঃ- মাননীয় অধ্যক্ষ মহোদয়, "The Assam Repealing Bill, 2020" বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- নুৰুল হুদা। কওঁক

**শ্ৰী নুৰুল হুদা, সদস্য (ৰূপহীহাট)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, "The Assam Repealing Bill, 2020" যিটো আনিছে, তাত service of employee and reorganization of madrasa Education ইয়াত আৰু এটা কথা কৈছে convert কৰিব provincialised আৰু প্ৰাইভেট মাদ্ৰাছা । এই মাদ্ৰাছা সমূহ ১৯১৫ চনৰ পৰাই আৰম্ভ হৈছিল। যেতিয়া ভাৰতবৰ্ষ পৰাধীন আছিল বৃটিছে শাসন কৰিছিল । সেই বৃটিছৰ শাসন কালতেই ১৯৩০ চনত মাদ্ৰাছা বোৰ্ড গঠন হৈছিল, আৰু সেই সময়ৰ পৰাই অসমত প্ৰায় ১০ খন মাদ্ৰাছা চলি আছে। আমাৰ ভাৰতবৰ্ষত স্বাধীনতাৰ পাছতো ৰাজ্যিক মাদ্ৰাছাবোৰ্ডৰ দ্বাৰা মাদ্ৰাছা শিক্ষাৰ উন্নয়নৰ কাম চলি আছিল। ছিনিঅৰ মাদ্ৰাছা, হাই মাদ্ৰাছা, আৰবী মাদ্ৰাছা, আৰবী কলেজত যিবিলাক পাঠ্যক্ৰম চলি আছে, সেইবোৰ সাধাৰণ পাঠ্যক্ৰম। যিবোৰ আমাৰ কলেজত আছে, স্কুলত আছে, সেই পাঠ্যক্ৰম সমূহ ছিনিঅৰ মাদ্ৰাছা, হাই মাদ্ৰাছা, আৰু আৰবী কলেজটো আছে। তাত অসমীয়া, ইংৰাজী, বিজ্ঞান, অংক, হিন্দী, সমাজবিদ্যা আছে, লগতে এটা আৰবী পাঠ্যকক্ৰম আছে। চৰকাৰে ধৰ্মীয় শিক্ষা নিদিয়ে বুলি কৈছে, কিন্তু আৰবীটো ধৰ্মৰ শিক্ষা নহয়, আৰবী এটা ভাষা। আজি আৰবী ভাষা লিখা পঢ়া কৰাৰ পাছত ১ কোটি ১০ লাখৰ ওপৰত আমাৰ জনসাধাৰণ আছে।

**এই আৰবী ভাষা শিকাৰ পাছত যিবিলাক আৰবীয় দেশ আছে, সেই আৰবীয় দেশ সমূহত গৈ তেওঁলোকে জীৱিকা চলাই আছে। বহুতে কৰ্ম সংস্থাপন পাইছে কোটি কোটি ডলাৰ ভাৰতীয় অৰ্থনীতিত জোৱাৰ দিছে। আজি আমাৰ যিটো নিবনুৱা সমস্যা, এই নিবনুৱা সমস্যাটো এই আৰবী ভাষাটো জনাৰ কাৰণে, বহুতে আজি বিদেশত চাকৰি কৰি এই নিবনুৱা সমস্যাটো বহুতখিনি লাঘৱ কৰিব পাৰিছে। যদি এই ভাষাটো আৰবীক কলেজ বা ছিনিঅৰ মাদ্ৰাছা বা হাই মাদ্ৰাছা এইখিনি যদি কনভাৰ্ট কৰি দিয়া হয় আৰু এই ভাষাটো যদি নাইকীয়া কৰি দিয়া হয়, তেতিয়া হ'লে ১ কোটি১০ লাখ জনসাধাৰণক অন্যায় কৰা হ'ব। আমাৰ ভাষাৰ স্বাধীনতা, সেই স্বাধীনতাটো লাঘৱ কৰা হ'ব। সেই ভাষাৰ স্বাধীনতাটো খৰ্ব কৰা হ'ব। গতিকে আমি শিক্ষা লওঁতে আজি আমি ইংৰাজী শিক্ষা লৈছো। ইংৰাজী শিক্ষাটো আমাৰ অসমৰ ভাষা নহয়, আমাৰ অসমৰ অসমীয়া ভাষা। কিন্তু আমি অসমীয়াৰ লগতে হিন্দীও কৰিছো,ইংৰাজীও কৰিছো, আমি সংস্কৃতও কৰিছো, আমি আৰবীও কৰিছো। গতিকে আৰবী ভাষাটো বন্ধ কৰাটো পদক্ষেপ চৰকাৰে লৈছে, সেইটো যদি লোৱা হয়, তেতিয়াহ'লে ১ কোটি ১০ লাখ জনসাধাৰণক ঘোৰ অন্যায় কৰা হ'ব আৰু সংবিধানে দিয়া অধিকাৰটো খৰ্ব কৰা হ'ব। গতিকে আজি মই এটো অনুৰোধ জনাব বিচাৰিছো যাতে এই বিলখন প্ৰত্যাহাৰ কৰি শিক্ষাৰ অধিকাৰ, এই অধিকাৰটো যাতে এই বিলটো প্ৰত্যাহাৰ কৰি যিটো শিক্ষাৰ অধিকাৰ সেই অধিকাৰটো বাহাল ৰাখে তাৰ বাবে মই অনুৰোধ জনাইছো।**

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ(উত্তর করিমগঞ্জ)** - মাননীয় অধ্যক্ষ মহোদয়, আমি মাদ্রাসা শিক্ষা নিয়ে কিছু বলব। আমরা ভারতবর্ষে যারা থাকি আমরা জানি যে, কোরাণ হচ্ছে আল্লাহর বাণী, এবং হাদিস হচ্ছে নবী মহম্মদের বাণী। ভারতবর্ষের মানুষ হিসাবে আমাদের যেমন বেদ, উপনিষদ ও গীতার বাণী জানা দরকার ঠিক সমহারে কোরাণও আমাদের জানা দরকার। অতএব আমরা চাই একটা সুন্দর ও সুষ্ঠ পরিবেশ গঠন করা। প্রধানমন্ত্রী ১৫পয়েন্ট প্রোগ্রাম, সিরিয়েল নাম্বার ৪ এ মাননীয় প্রধানমন্ত্রী নরেন্দ্র মোদী বলেছেন যে মাদ্রাসা গুলোকে উন্নত করতে হবে। সেটা আমাদের কথা নয়, মাননীয় প্রধানমন্ত্রীর কথা। আমরা যারা বিধানসভায় আসি, আমাদের মুখ্য উদ্দেশ্য হচ্ছে যে ভারতবর্ষের সংবিধানকে অক্ষুন্ন রাখা। মন্ত্রী মহোদয় ভালো করেই সেটা জানেন, কারণ মন্ত্রী মহোদয় আইনের ছাত্র। বিশেষ করে যে আইন টা এখানে আনা হবে সে আইনটা যদি অ-সাংবিধানিক হয় তাহলে ভবিষ্যতে সেই আইনটাকে টিকিয়ে রাখা অসম্ভব হবে। আমরা এমন কোন আইন প্রণয়ন করব না, যে আইনটা ভবিষ্যতে আপত্তিজনক হয়। অধ্যক্ষ মহোদয়, আর্টিকল ২৫/ ২৬ আর্টিকল ২৯ / ৩০ এইগুলো যদি অধ্যায়ণ করা যায় তাহলে দেখা যাবে যে, রিলিজিয়াস এডুকেশন যেটা আছে সেই এডুকেশনের উপর সরকারের তরফ থেকে সব ধরণের সহযোগিতা এবং বিশেষ করে ডিসক্রিনিমেশন অর্থাৎ যাতে একজনের প্রতি অন্যজনের বৈষম্যমূলক আচরণ না হয় সেদিকে লক্ষ্য রাখতে হবে, কিন্তু আমরা বর্তমান সময়ে দেখতে পাচ্ছি যে কিছুটা বৈষম্যের স্বীকার হচ্ছে আমাদের এই ভারতবর্ষ। বিশেষ করে মাদ্রাসার শিক্ষা পুরোপুরি ধর্মীয় শিক্ষা নয়, সেখানে সেবার পাঠ্যক্রম থাকে, উপরন্তু কেউ যদি আরবিক শেখে, বা কেউ যদি সংস্কৃত শেখে তাহলে তো আপত্তির কিছু নাই। অধ্যক্ষ মহোদয়, ২০২০-২১ সনের বাজেটে আমাদের উত্তর প্রদেশের মাননীয় যোগী আদিত্যনাথের সরকার ৪৭৯ কোটি টাকা মাদ্রাসা শিক্ষার জন্য বরাদ্দ করেছেন। আমরা সবাই জানি বেনারস হিন্দু ইউনির্ভাসিটি, আলীগড় মুসলিম ইউনির্ভাসিটি সেগুলোতে সংস্কৃত বিভাগ, আরবিব বিভাগ আছে। আমি বুঝতে পারছিনা যে এই বিলটা আনার উদ্দেশ্য টা কি? এই বিলটা আনার সঙ্গে সঙ্গে অসমের কি উন্নয়ন হবে? অসমের পরিবেশ টা কি ভালো হবে?

বিল প্রণয়ন করা হয় মানুষের উপকারের জন্য । আপনারা সভ্যতার কথা বলেন, সংস্কৃতির কথা বলেন, ভারতের সভ্যতা ও সংস্কৃতি অটুট। ভারতবর্ষের সংস্কৃতি ও সভ্যতা ৫০০ হাজার বছরের পুরণো । অতএব ভারতীয় সভ্যতা ও সংস্কৃতি হচ্ছে একে অন্যকে সহযোগীতা করা। অধ্যক্ষ মহোদয়, ভারতে প্রায় ৪৪ টা ধর্মীয় ইনস্টিটিউশন আছে। আমি মনে করি ধর্মীয় মেরুকরণ না করে ভালো কাজ করে, অসমের মানুষের জন্য ভালো বিল আনুন তাহলে আমরা একশো বার থাকবো। কিন্তু বিভেদ সৃষ্টিকারী বিল এনে কি হবে? ভোট খেলতে চান আপনারা? আমরা চাই প্রত্যেকটা সংস্কৃতিকে সন্মান করা হোক। গীতার একটি শ্লোক আছে 'বসুধৈব কুটুম্বকম·।' অর্থৎ whole world is one family. গীতাতে বলা হয়েছে বিশ্বের সবাই আমরা এক । আমি পাকিস্থানকে বা বাংলাদেশকে ধরছি না, কিন্তু ভারতবর্ষের সবাই তো আমরা এক পরিবারের হতে পারি। ভালো কাজ করুণ, গঠনমূলক আইন প্রণয়ন করলে আমরা ১০০ বার তা সমর্থন করব। অতএব আমি মনে করি এই আইনে গঠনমূলক কিছুই নেই। নমস্কার।

**শ্ৰী শ্বেৰমান আলি আহমেদ, সদস্য (বাঘবৰ) ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ইয়াত আগতে সদনত কওঁতে তেখেতৰ যিটো উদ্দেশ্য আমি গম পাইছিলো যে ভাৰতবৰ্ষ ধৰ্মনিৰপেক্ষ দেশ** it will remain aloof or it will maintain distance, equal distance from all religious education. **কিন্তু ছাৰ তেওঁৰ যিটো** opinion **উদ্দেশ্য তাত মোৰ ব্যক্তিগত ভাৱে কোনো বিৰোধ নাই। কিন্তু কথা হ'ল** Learning of Arabic Language should not always be synonymous of the learning of religious education **মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আগত এজন সদস্যই মাননীয় সদস্যই কৈ গৈছে এই** Arabic as a Language **যদি শিকা হয়, তেওঁ কৈছে ১ কোটি ১০ লাখ। কিন্তু নহয় চাৰে তিনি কোটি মানুহ, এইটো যে কেৱল মুছলমানেই শিকিব লাগিব তাৰ কোনো কথা নাই। সংস্কৃত পণ্ডিত বহুত মুছলমান মানুহ আছে। গতিকে ৩ কোটি ৪০ লাখ মানুহৰ কাৰণে ৫২ খন দেশত নিয়োগৰ এটা ডাঙৰ** opportunity **হ'ব, যদি এই ভাষাটো শিকোৱা হয়। মাননীয় অধ্যক্ষ মহোদয়, মই এটা উদাহৰণ দিব খুজিছো, কেৰেলাত এই** Arabic Language **ত যিসকলৰ ভাল দক্ষতা আছে, আমাৰ দিল্লীত থকা ৫২ খন দেশৰে এম্বেচিত তেওঁলোকে ডেৰ লাখ দুই লাখ টকাৰ দৰমহাত চাকৰি কৰি আছে. আমাৰ অসমৰ ল'ৰাই কিয় তাত চাকৰি কৰিব নোৱাৰিব? গতিকে মাননীয় অধ্যক্ষ মহোদয়,** religious site **টো** distort **কৰক তাত আমাৰ আপত্তি নাই, কিন্তু** this madrasa should be develope into a centre of excellence, or learning of Arabic as a Language **যেনেকৈ কুমাৰ ভাস্কৰ বাৰ্মা** University **স্থাপন কৰা হৈ আছে,** একেধৰণে এই মাদ্ৰাছাবোৰত Modern Education ৰ লগতে আৰবী ভাষা শিকাৰ ক্ষেত্ৰতো যাতে প্ৰাথমিক গুৰুত্ব প্ৰদান কৰা হয়। মাদ্ৰাছা সমূহক লৈ আৰবী শিক্ষাৰ বাবে কুমাৰ ভাস্কৰ বাৰ্মা বিশ্ববিদ্যালয়ৰ দৰে এখন আৰবী বিশ্ববিদ্যালয় স্থাপন কৰা হওঁক। Religious education discard কৰাত আমাৰ কোনো আপত্তি নাই, কিন্তু প্ৰায় ৩.৫০ কোটি মানুহৰ সংস্থাপনৰ যি সুবিধা, সেই সুবিধাৰ পৰা তেওঁলোকক নিবনুৱাৰে ভাৰাক্ৰান্ত এই সময়ত বঞ্চিত কৰাটো সঠিক নহ'ব। মাননীয় মন্ত্ৰী মহোদয়ে কৈছিল যে, we should maintain equal distance from all religious institution আৰু লগতে সংস্কৃত টোলৰ কথাও কৈছিল। সংস্কৃত টোল বিলুপ্তি হোৱাটো আমি বিচৰা নাই। কিন্তু, তেখেতে মাদ্ৰাছাৰ ক্ষেত্ৰতহে বিধেয়ক আনিছে, সংস্কৃত টোলৰ বাবে অনা নাই। তাত

সম্পূৰ্ণৰূপে religious education দিয়া হয়। কুমাৰ ভাস্কৰ বাৰ্মা বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে, আমি তাক আদৰণি জনাইছো, ই আমাৰ সভ্যতাক represent কৰে। সেয়েহে, মই শেষবাৰৰ বাবে আপোনাৰ যোগেৰে অনুৰোধ কৰিছো যে এই Repealing Bill ৰ উত্থাপন বন্ধ কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, এতিয়া ৰফিকুল ইছলাম। আপুনি চমুকৈ ক'ব।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই যি- The Assam Repealing Bill, 2020 খন আহিছে, সেই কথাখিনি ইতিমধ্যে আলোচনা হৈছে। Pre Senior Madrassa, Senior Madrassa, Arabic College and Title Madrssa এই অনুষ্ঠান সমূহ একেবাৰতে বন্ধ কৰাৰ যি সিদ্ধান্ত লৈছে, সেই ক্ষেত্ৰত মোৰ পৰামৰ্শ থাকিব যে বিধেয়কখন যদি উত্থাপন কৰে, তেন্তে তাত 'Repealing' শব্দটো নাৰাখি, 'Modernising' শব্দটো যাতে আনি উত্থাপন কৰে। এই অনুষ্ঠান সমূহ স্বাধীনতাৰ আগৰ পৰাই Deficit System ত বহু দিন ধৰি চলি আছে। এই মাদ্ৰাছা সম্পৰ্কত আজিৰ মাননীয় মন্ত্ৰীৰ সময়ছোৱাতে Provincialization Act খন pass হৈছিল আৰু সেই Provincialization Act খন repealing ৰ বাবে আজি তেখেতৰ হাতেৰেই বিধেয়ক আনিছে। আজি দুখ লাগিছে যে, তেখেতে জন্ম দিয়া সেই Act খনেই তেওঁ নিজ হাতেৰে হত্যা কৰিবলৈ গৈ আছে। এই মাদ্ৰাছা শিক্ষানুষ্ঠান সমূহত Class X লৈকে সকলো সাধাৰণ বিষয় যেনে Science, Mathematics, Social Science, Hindi, Assamese আদি আছে আৰু তাৰ লগতে আধ্যাত্মিক গ্ৰন্থৰ শিক্ষা, যেনে কোৰাণৰ শিক্ষা বা Tradition of Prophet Muhammad আদিও আছে। ঠিক তেনেদৰে, সংস্কৃত টোলতো বেদ, ভাগৱত গীতাৰ লগতে অন্যান্য সাধাৰণ শিক্ষাসমূহো দিয়া হয়। আমি মাননীয় মন্ত্ৰী মহোদয়ক লগ কৰি আগতে পৰামৰ্শ দিছিলো যে এই অনুষ্ঠান সমূহ modernize কৰক, প্ৰয়োজন হ'লে Class XI and XII, introduce কৰি বিজ্ঞান আৰু বাণিজ্য শাখাও দিয়ক। অধ্যক্ষ মহোদয়, মাননীয় মোডীজীয়ে কোৱাৰ দৰে- 'Ek haath mein computer ho, ek haath mein Quaran ho'- ye sab ab kaha gaya? Yogi ji ne uska palan kiya, unhone paisa majij baha diya ki modernize kiya jaye, Quaranic teaching bhi ho, computer education bhi ho, general education bhi ho, Bhagawat Geeta aur Quaran, Prophet Muhammad ka tradition sab parhaya jaye. গতিকে, উত্তৰ প্ৰদেশত আজি এইখিনি হৈ আছে, কিন্তু উত্তৰ প্ৰদেশতকৈ অসমখন বহু ব্যতিক্ৰম। আমাৰ ৰাজ্যখন মিলি-জুলি থকা এখন ৰাজ্য, এনে এখন ৰাজ্যত ৭০-৯০ বছৰ ধৰি চলি অহা অনুষ্ঠান সমূহ বন্ধ কৰি দিয়া আৰু তাত জড়িত প্ৰায় দহ হাজাৰ কৰ্মচাৰীৰ সংস্থাপন দূৰ কৰাত আমি আপত্তি কৰিছো। চৰকাৰে মাদ্ৰাছা শিক্ষানুষ্ঠানসমূহ modernize কৰক, তাত কোনো আপত্তি নাই। আৰবী ভাষা-সাহিত্যত জোৰ দিয়া হওঁক।

**মাননীয় অধ্যক্ষঃ** Please conclude. আপুনি কথাখিনি বেছি দীঘলীয়া নকৰিব।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া)ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ যি ধাৰণা, হয়তো, তেওঁ ক'ব খোজে যে মাদ্ৰাছাই এচাম ল'ৰা-ছোৱালীৰ জীৱন ধ্বংস কৰি আছে, সেইটো fact নহয়। মই নিজেই মাদ্ৰাছাৰ পৰা উত্তীৰ্ণ হোৱা; আমাৰ সদনতো আগৰ আৰু বৰ্তমানৰ বহু কেইগৰাকী সদস্য মাদ্ৰাছাৰ পৰা উত্তীৰ্ণ হোৱা আছে। তাৰ ভিতৰত মাননীয় সদস্য হাফিজ বছিৰ আহমেদ কাছিমী ডাঙৰীয়াই মাদ্ৰাছাৰ পৰা উত্তীৰ্ণ হৈও কটন বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক

আছিল। মইও গৌহাটী বিশ্ববিদ্যালয়ৰ অতিথি প্ৰবক্তা আছিলো, ৰাজনীতি বিজ্ঞানত স্নাতকৰ লগতে স্নাতকোত্তৰ ডিগ্ৰীও অৰ্জন কৰিছো। সেয়েহে, শেষত মই আকৌ এবাৰ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে মাদ্ৰাছা শিক্ষাৰ যি সকল Scholars আছে, তেওঁলোকৰ লগতে আমাৰ বিধায়ক সকলৰ পৰাও পৰামৰ্শ লয়। মাদ্ৰাছা সমূহ modernize বা upgrade কৰক বা নতুন নতুন বিষয় introduce কৰক, কিন্তু মাদ্ৰাছা আৰু সংস্কৃত টোল বন্ধ কৰিব নালাগে। সাধাৰণ শিক্ষাৰ লগত নীতিশিক্ষা, আধ্যাত্মিক শিক্ষাৰো দৰকাৰ আৰু সেই শিক্ষা মাদ্ৰাছা আৰু সংস্কৃত টোলসমূহতেই দিয়া হয়। সেয়েহে, এই বিধেয়কখন যাতে ইয়াত উত্থাপন কৰা নহয় তাৰ বাবে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

মাননীয় সদস্যগৰাকীৰ বক্তব্যৰ শেষৰ বাক্যশাৰীয়ে শুদ্ধ। বিধেয়কখন যেতিয়া আহিব, তেতিয়া বাকীখিনি কথা আহিব, সেই সময়ত সেইখিনি কথা ক'বই লাগিব। এইটো যেতিয়া বিধেয়ক আকাৰে আহিব, তেতিয়া আপোনালোকে পঢ়ি amendment আনিব, গতিকে সেইটো বেলেগ কথা। ৰফিকুল ডাঙৰীয়াই কোৱা শেষৰ কথাখিনিয়ে শুদ্ধ। বাকী সদস্য সমূহে অসুবিধা সমূহৰ বিষয়ে কৈ আছে আৰু তাত মই কোনো আপত্তি কৰা নাই। কিন্তু, একেখিনি কথাকে re-peat কৰি থকাতকৈ আচলতে কিহৰ বাবে এই বিধেয়কখন আপত্তি কৰিছে, সেই কথাখিনিলৈ আহিলে ভাল হয়।

এতিয়া ৰকিবুল হুছেইন, তাৰ পিছত মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, মই অলপ বেলেগকৈ ক'ব বিচাৰিছো। আমি সৰুতে যেতিয়া পদ্য পঢ়ো, তেতিয়া পদ্যটো দি লিখা হয় যে-উক্ত কথা ফাঁকি অমুক কবিতাৰ পৰা উদ্ধৃতি দিয়া হৈছে। মইও ঠিক তেনেদৰে উদ্ধৃতি দিব বিচাৰিছো। মই হুজুৰ মৌলানা তৈয়্যুৰ ৰহমান বৰভূঞাক বৰ সন্মান কৰো। তেওঁ আধ্যাত্মিক শিক্ষা দিয়ে। মই exact line খিনি ক'ব নোৱাৰো, pendrive ত দি দিম। আজি ইয়াত আহি মোৰ নিজকে পবিত্ৰ লাগিছে। পৃথিৱীত বহুত ধৰ্ম আছে, ধৰ্মকেইটাৰ নামো তেওঁ কৈছিল। মই নাম কেইটা নকওঁ। তাৰ ভিতৰত, ইছলাম ধৰ্মত জ্ঞানৰ বাবে কোৰাণ শ্বৰীফত যি লিখা আছে, সেইয়া হ'ল আধ্যাত্মিক শিক্ষা। আজিৰ তাৰিখত আমি পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান পঢ়িছো। কিন্তু, আমি মানুহ হ'ব পৰা নাই। মানুহ নোহোৱাৰ বাবে আমি নিজৰ ভাই-ককাই, নিজৰ মা-দেউতাক সামাজিক ভাৱে যি ধৰণে ব্যৱহাৰ কৰিব লাগে সেইয়া পাহৰি গৈছো। আজিৰ তাৰিখত এক Spiritual Science ৰ প্ৰয়োজন, যিটো মাদ্ৰাছা শিক্ষাত পোৱা যায়। হাইলাকান্দিৰ এখন মাদ্ৰাছা স্কুলৰ উদ্ধৃতি দি মই ক'ব বিচাৰিছো যে-উক্ত কথাফাঁকি আজিৰ মন্ত্ৰী, যি সেই সময়ৰ মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়াৰো মন্ত্ৰী আছিল, তেখেতে আধ্যাত্মিক শিক্ষাৰ বাবে মাদ্ৰাছাৰ প্ৰয়োজনীয়তাৰ বিষয়ে ব্যাখ্যা কৰিছিল। সদনত যিহেতু mobile phone অনা নিষিদ্ধ আছে, সেয়েহে মই এটা pendrive ৰ যোগেৰে যিদিনা বিধেয়কখন পাছ হ'ব সেইদিনা আপোনালোকক কথাখিনি ভালকৈ জনাম। প্ৰয়াত মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কালছোৱাত তেওঁ কৈছিল যে- "কেৱল হাইলাকান্দিত কিয়? গুৱাহাটীত মাদ্ৰাছা শিক্ষাৰ এটা ভাল কেন্দ্ৰ গঢ়ি তোলাৰ বাবে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম আৰু মুখ্যমন্ত্ৰী মহোদয়ৰ দ্বাৰা যদি আমি মাটি পাওঁ তেনেহ'লে মাদ্ৰাছা শিক্ষাত যি আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজন সেই সকলোখিনি মই কৰি দিম আৰু মাদ্ৰাছা শিক্ষাৰ বাকী কাম সমূহো মই শিক্ষা মন্ত্ৰী হিচাপে ইয়াৰ পৰা গৈয়েই ১০ দিনৰ ভিতৰত সম্পূৰ্ণ কৰি দিম।" অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ সেই

সময়ৰ কথা আৰু বৰ্তমান সময়ৰ কথাৰ সলনিৰ বিষয়ে মই ক'ব বিচাৰিছো। একেজন মন্ত্ৰীয়েই সেই সময়ত মাদ্ৰাছা শিক্ষা প্ৰৱৰ্তন কৰাৰ বাবে, আধ্যাত্মিক শিক্ষাৰ বাবে আমাতকৈ বেছি আৰু এতিয়াও আপোনালোকতকৈ বেছি।

অধ্যক্ষ মহোদয়, পুৰণা মানুহবোৰে কয় যে কেতিয়াবা intention বেয়া হ'লেও গোৰ মাৰি গংগাত পেলোৱা হয়। ব্ৰিটিছক যে খেদিছিল, সেই মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু আদি ব্যক্তিসকলে বিদেশতে বেৰিষ্টাৰ কৰি আহিছিল, গতিকে মই ক'ম যে মাদ্ৰাছা শিক্ষা আজি সংখ্যাৰ জোৰত কৈছে, তেওঁ এটা বুদ্ধিও কৈছে, Press Conference খন মই চাইছো, তাত কৈছে যে- এই কাৰ্য্যকালত নহয়, অহা কাৰ্য্যকালতহে হ'ব। কাৰণ এই কাৰ্য্যকালত পৰীক্ষা ইতিমধ্যে হৈ গৈছে। অহা কাৰ্য্যকালত হোৱাৰ কথাটো কওঁতেই intention বোৰ মোৰ মনত পৰিছে। লক্ষ্ণৌত King George নামৰ এখন Dental Hospital আছে, এই হস্পিতালখনক মায়াৱতী আহিলে এটা নাম দিয়ে, আকৌ মূলায়েম সিং যাদৱ আহিলে বেলেগ এটা নাম দিয়ে, এনেদৰে মুঠ পাঁচবাৰ ইয়াৰ নাম সলনি কৰা হৈছে। আপোনালোকে Google ত চালে গমেই পাব। মই কেৱল ইংগিততে কৈছো, বাকীখিনি Introduction ৰ সময়ত ক'ব পাৰিম। সেয়েহে, গোৰ মাৰি গংগাত যি সকলক পেলাইছে, সেই সকলোৰে খুব যত্নকৈ MBBS পঢ়িব লাগে আৰু এনেধৰণৰ মানসিকতাৰ বিৰুদ্ধে যুঁজ দিব লাগে, যিদৰে মহাত্মা গান্ধী আৰু জৱাহৰলাল নেহৰুয়ে বিদেশত বেৰিষ্টাৰ কৰি আহিও ভাৰতৰ পৰা ব্ৰিটিছক খেদিছিল। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

(বিৰোধী দলৰ কেইবাগৰাকী সদস্যই বিৰোধিতা প্ৰকাশ কৰিবলৈ থিয় হয়)

No. We have recorded your Opposition, it is not the point that everybody will be allowed to speak. আপোনালোকে প্ৰথমে মন্ত্ৰীৰ উত্তৰ শুনক। তাৰ পছত কিবা থাকিলে ক'ব। আপোনালোকৰ বিধায়িনী দলৰ মাজত একতা থাকিব লাগে যে আপোনালোকৰ দলৰ পৰা দুজনেহে ক'ব। Legal কথাবোৰ ক'লে মই বেয়া নাপাওঁ। কিন্তু, দুটা দলৰ প্ৰতি গৰাকীয়ে যদি বেলেগ বেলেগ কথা কয় তেন্তে কেনেকৈ হ'ব? অন্তিমজন বক্তা হাফিজ বছিৰ ডাঙৰীয়া, আপুনি কওঁক।

**হাফিজ বছিৰ আহমেদ কাছিমী, (পশ্চিম বিলাসীপাৰা)ঃ** অধ্যক্ষ মহোদয়, মাদ্ৰাছাৰ ক্ষেত্ৰত আমাৰ যি ধাৰণা আছে সেই ধাৰণাত আমাৰ ভুল বুজা-বুজি আছে। আমাৰ দুই ধৰণৰ মাদ্ৰাছা আছে। এটা চৰকাৰৰ ফালৰ পৰা পৰিচালনা কৰা হয় আৰু আনটো ব্যক্তিগতভাৱে পৰিচালনা কৰা হয়। এই Reapealing Act খনত provincialized আৰু private Madrassa ও অন্তৰ্ভুক্ত কৰা হৈছে। ব্যক্তিগত খণ্ডৰ মাদ্ৰাছা মানে তেখেতে কি বুজাইছে সেই কথাটো স্পষ্ট হ'ব লাগিব। দ্বিতীয়তে, এই মাদ্ৰাছাসমূহত ১.২ লাখ ছাত্ৰ-ছাত্ৰী আছে, ৭০০ তকৈও অধিক মাদ্ৰাছা আছে। অকল চৰকাৰী খণ্ডতহে মাদ্ৰাছা সমূহ বৰ্তমান চলি আছে, কিন্তু, এই মাদ্ৰাছাসমূহৰ কেৱল নামটোহে মাদ্ৰাছা, বাকী ইয়াৰ ৯০% পাঠ্যক্ৰমেই SEBA ৰ অধীনত চলি আছে। গতিকে, এই নামটোৱেই আমাৰ বাবে allergy হ'ল নেকি নে বেলেগ কিবা কাৰণত সলনি কৰিব বিচাৰিছে? এই কথাখিনি স্পষ্ট হ'ব লাগে। যিসকলে মাদ্ৰাছা প্ৰতিষ্ঠা কৰিছে, যি সকলে ইয়াৰ পৰিচালনা কৰিছে তেওঁলোকৰ লগত এই সিদ্ধান্তটোৰ ক্ষেত্ৰত বুজাবুজি কৰা বা তেওঁলোকৰ অভিমত লোৱাৰ লগতেবাকী ৰাজনৈতিক দল-সংগঠন সমূহৰ পৰাও অভিমত লোৱাৰ দৰকাৰ আছে বুলি মই ভাবো। সেয়েহে, উক্ত বিধেয়কখন Select Committeeত পঠিওৱাৰ এটা সিদ্ধান্ত গ্ৰহণ কৰিব লাগে

যাতে সকলো সংশ্লিষ্ট কর্তৃপক্ষৰ পৰা অভিমত লৈ এটা সিদ্ধান্তলৈ আহিব পাৰো। এইখিনিয়েও মোৰ বক্তব্য। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে, মৃত্যুৰ পিছত মানুহৰ বক্তব্যৰ উদ্ধৃতি দিয়া হয়। মই সন্মানীয় বিধায়ক ৰকিবুল হুছেইন ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে মোৰ এই জীৱনকালতে মই সেই সৌভাগ্য লাভ কৰিছো। মোৰ বক্তব্যৰ উদ্ধৃতি এই সদনত দিয়া হৈছে। মই ভাৱো যে- এইটো মোৰ ৰাজনৈতিক জীৱনৰ এক ডাঙৰ প্ৰাপ্তিৰ দিন যে মই সভা-সমিতিত দিয়া ভাষণ ৰকিবুল হুছেইন ডাঙৰীয়াই মনত ৰাখে, উদ্ধৃতি দিয়ে। মই কেতিয়াও ভৰা নাছিলো যে তেওঁ মোৰ কথাও মনত ৰাখে। হুছেইন ডাঙৰীয়াক মই অত্যন্ত বিনম্ৰতাৰে ধন্যবাদ ও কৃতজ্ঞতা জ্ঞাপন কৰিছো লগতে মোৰ প্ৰতিটো ভাষণ বা তাৰ লগত জড়িত অৰ্থ বা পৃথিৱীৰ সমসাময়িক কথা-বতৰাক লৈ মই যি কিতাপ-পত্ৰ লিখিছো, সেইসমূহ তেওঁ পঢ়ি মনত ৰাখিলে মোৰ ভাল লাগিব।

অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত মই অসম চৰকাৰৰ মন্ত্ৰী হিচাপে থিয় হৈছো আৰু মোৰ ব্যক্তিগত জীৱনৰ চিন্তা-চৰ্চা, কি ভাল পাওঁ বা কি ভাল নাপাওঁ সেই কথাসমূহ একাষৰীয়া কৰি এই বিধেয়কখন উত্থাপন কৰিছো। অৱশ্যে, মই নিজে বিশ্বাস কৰো যে Spiritual Science বা দৰ্শন আমি পঢ়িব লাগে, সেয়া ভাগৱত গীতাই হওঁক বা কোৰাণেই হওঁক বা বাইবেলেই হওঁক। প্ৰত্যেকটো ধৰ্মতে শিকিব লগীয়া যথেষ্ট কথা আছে আৰু Spiritual Science ৰ বিকাশৰ নামত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান যেতিয়াই ৰাইজে পাতিব বিচাৰে তাত আমি কেতিয়াও আপত্তি কৰিব নালাগে, বৰঞ্চ সহায় কৰিব লাগে। গতিকে, সেই দিশৰ পৰা মই ভাৱো যে শিলচৰতেই হঁওক বা হিন্দু ধৰ্ম তথা ইছলাম ধৰ্মৰ আধ্যাত্মিক সভাতেই হওঁক, সেই সভাত যেতিয়া মোৰ সৌভাগ্য হয়, সেই ধৰ্মৰ ধনাত্মক কথা, সেই ধৰ্মৰ আঁৰত লুকাই থকা আধ্যাত্মিক শিক্ষা, জনসাধাৰণৰ মাজত বিয়পোৱাৰ যি প্ৰচেষ্টা তাক মই সদায় আদৰণি তথা সমৰ্থন জনাই আহিছো আৰু সেই দৃষ্টিভংগীৰে আজি মই ভাৱো যে সদনত আমি এটা কথা মনত ৰাখিব লাগে যে এই বিধেয়কখনৰ জৰিয়তে আধ্যাত্মিক শিক্ষা বা কোৰাণৰ শিক্ষা বা মাদ্ৰাছা বন্ধ কৰাৰ কোনো প্ৰচেষ্টা কৰা হোৱা নাই। আমি সকলোৱে জানো যে ভাৰতৰ সংবিধানে Minority Educational Institute সমূহক নিৰাপত্তা দিছে আৰু আমি কোনেও সংবিধানৰ বাহিৰত গৈ Minority Educational Institute বন্ধ কৰিব নোৱাৰো, বৰঞ্চ আমি শিক্ষানুষ্ঠান সমূহক modernize হে কৰিব পাৰো। সেয়েহে, মই কাছিমী ডাঙৰীয়াক জনাব বিচাৰিছো যে এই বিধেয়কখনৰ জৰিয়তে ব্যক্তিগত খণ্ডৰ মাদ্ৰাছা সমূহক বন্ধ কৰা বা regulate কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। মই বিধেয়কখন পঢ়ি দিছো-“The Assam Repealing Bill, 2020” to repeal the Assam Madrassa Education Provincialization Act, 1995 and the Assam Madrassa Education Provincialization of Service of Employees and Reorganisation of Madrassa Educational Institute Act, 2018. অৰ্থাৎ মই বিধেয়কখনত কি repeal কৰিব ওলাইছো সেই বিষয়ে কৈছো। Object ৰ লগত Repeal Billৰ কি পাৰ্থক্য আছে সেইয়া মই যেতিয়া বিতংভাৱে উত্তৰ দিম, তেতিয়া উল্লেখ কৰিম। But, we are here to repeal the specific Act relating to Madrassa Education. ১৯৯৫ ত অসমত মাদ্ৰাছা শিক্ষানুষ্ঠান provincialize কৰাৰ বাবে বিধেয়ক

আহিছিল। তাৰ আগতে Deficit System ত চৰকাৰে মাদ্ৰাছা শিক্ষানুষ্ঠানসমূহ চলাই আছিল। ঠিক তেনেদৰে, সেই বিধেয়কখনৰ পৰা দূৰত গৈ ২০১৩ চনত আমি আকৌ মাদ্ৰাছা এডুকেশ্যনৰ প্ৰাদেশিকীকৰণৰ ওপৰত বিল আনিছিলো আৰু ২০১৮ চনত আমি সংশোধন কৰিছিলো। সেই দুয়োখন বিল repeal কৰাৰ বাবে আজি মই সদনৰ সন্মূখত থিয় হৈছো। প্ৰিয়েম্বলত যদি পঢ়ো তেতিয়াহ'লে 'preamble is very clear that this repeal bill is only we have introduced to repeal to specific provincialised bill' তাতো আমি কৈছো যে এই বিল দুখন যদিও আমি ৰিপিল কৰিছো এই বিল দুখনৰ অধীনত যি সমূহ মাদ্ৰাছা ইতিমধ্যে প্ৰাদেশিকৰণ কৰা হৈছিল তাৰ শিক্ষক বা কৰ্মচাৰী সকলৰ চাকৰিৰ যাতে কোনো অসুবিধা নহয় সেইবাবে আমি এটা ক্লজ ৰাখিছো যে *'not with standing such repeal of the act as mentioned in the sub-section 1 above any thing done or any action taken under the act so repeal before the date of commencement of this repeal act shall be deemed to have been validly done or taken under the repeal act'* অৰ্থাৎ কোনো শিক্ষক আৰু কৰ্মচাৰীৰ চাকৰি বা তেওঁলোকৰ ভাত মৰা ধৰণৰ শব্দ এই বিলখনৰ জৰিয়তে কৰা হোৱা নাই বৰঞ্চ এই শিক্ষক-কৰ্মচাৰী সকলে তেওঁলোকৰ অৱসৰৰ দিনলৈকে চৰকাৰী কৰ্মচাৰীৰ মৰ্যদা তেওঁলোকে পাব আৰু অৱসৰৰ পিছতো তেওঁলোকে পেঞ্চন পাই থাকিব। গতিকে যিকেইটা ধাৰণা ইয়াত কোৱা হৈছে সেইধৰণৰ উদ্দেশ্য এই বিলখনৰ জৰিয়তে বা এই বিলখনত নাই। সমস্যাটো হ'ল মাদ্ৰাছাৰ অৰ্থ কি? থিয়ল'জিকেল বিষয় থাকিলেই মাদ্ৰাছা বুলি কোৱা হয়। যিধৰণে ইয়াত সুন্দৰ ভাৱে কোৱা হৈছে যে মাদ্ৰাছাই অকল আৰবী শিকায়, তেনেকুৱা ধৰণৰ কথা হ'লে এই বিলখন অনাৰ কোনো প্ৰয়োজনীয়তা নাছিল। হাই মাদ্ৰাছা যিবিলাক স্কুল তাত দুটা শিক্ষা দিয়া হয়। এটা হয় কোৰাণৰ প্ৰাৰম্ভিক শিক্ষা আৰু এটা হ'ল আৰবী শিক্ষা। আমাৰ কেবিনেটে হাই মাদ্ৰাছা স্কুল বিলাক বিলুপ্তি কৰিছে। বিলুপ্তি কৰি সেইবিলাক সাধাৰণ স্কুললৈকে ৰূপান্তৰ কৰিছে কিন্তু আৰবী শিক্ষাটো আমি চলাই থাকিব দিছো। অৰ্থাৎ আমি অকল কোৰাণৰ শিক্ষাটোহে বন্ধ কৰিছো। কিয় বন্ধ কৰিছো, থিয়ল'জিকেল বিষয় যিটো বিদ্যালয়ত পঢ়োৱা হৈছিলে যে জাকাট কেনেকৈ দিব পাৰি, নামাজ কেনেকৈ পঢ়িব লাগে, যি এক ডিটেইল কোৰ্চ আছিলে যাৰ ওপৰত ল'ৰাই মেট্ৰিকত নম্বৰ পাইছিলে সেই বিষয়টো বন্ধ কৰা হৈছে। যেতিয়া আমি সেই বিষয়টো বন্ধ কৰিলো আৰু থিয়ল'জিকেল বিষয়টো নাথাকিলে সেইখন মাদ্ৰাছা হ'ব নোৱাৰে। Madrassa is by definition learning of theological subject. গতিকে আৰবীক শিক্ষা যিটো দশম শ্ৰেণীলৈকে প্ৰচলিত আছিল বা আমাৰ হাইস্কুল বা হাইয়াৰ চেকেণ্ডাৰীত যি আৰবীক শিক্ষা আছে যাৰ শিক্ষক আমি মোৰ দিনতেই নিযুক্তি দিছো বা দি আছো তাত কোনো ধৰণৰ সলনি কৰা হোৱা নাই। এই মাদ্ৰাছা স্কুল বিলাকো যেতিয়া এই এক্টখন পাচ হোৱাৰ পিছত আমি general institution লৈ কনভাৰ্ট কৰিম আৰবীক বিষয়টো প্ৰধান হ'ব। গতিকে তিনি কোটি মানুহৰ জীৱন, আৰবত গৈ শিক্ষা এইবিলাক কথাৰ এই বিলখনৰ লগত কোনো ধৰণৰ সম্পৰ্ক নাই। বৰ্তমানৰ যিটো আৰবীক বিষয় তাত আৰবীক শিক্ষাৰ নামত কোৰাণ শ্বৰীফ শিকোৱা হয়। আমি কৈছো স্পোকেন আৰবীক শিকোৱা, কেনেকৈ আৰবত গৈ এয়াৰপোৰ্টত নামি কথা ক'ব লাগে সেইটো শিকাওক। গতিকে আৰবীক বিষয় কটন বিশ্ববিদ্যালয় ইত্যাদি য'ত য'ত আছে that also have to be reformed in due courses of time. আমি ফ্ৰেন্স, ইংলিশ, স্পেনিচ ইত্যাদি শিকো গতিকে ব্যৱহাৰিক আৰবীক শিকোৱাত

মোৰ আপত্তি নাই। গতিকে আপোনালোকে যি ভাৱি আহিছে তাৰ লগত মোৰ উদ্দেশ্য একেবাৰে অমিল আৰু সেই উদ্দেশ্যৰে মই ইয়াত থিয় ও হোৱা নাই। মূল উদ্দেশ্যটো হ'ল থিয়'লজিকেল পাৰ্ট। আজি আপোনালোকে যিধৰণে কৈছে সেইটো সত্য নহয়। আজি ৰফিকুল ইছলাম ডাঙৰীয়াই কোৱা কথাটো যাতে বিধান সভাৰ ৰেকৰ্ডত ভুলকৈ নাযায় বা টাইটেল মাদ্ৰাছা বা আন যিবিলাক চৰকাৰী ফাণ্ডেদ মাদ্ৰাছা আছে সেই মাদ্ৰাছা বিলাকত আমি pure impure theological subject পঢ়াও। আজি theological subject যদি কোনোবাই কয় যে কোৰাণ শ্বৰীফৰ ওপৰত মই প্ৰশ্ন সুধিছো, কোৰানৰ দৰ্শনৰ ওপৰত প্ৰশ্ন সুধিছো সেই সাহস মোৰ নাই। ৰকিবুল হুছেইন ডাঙৰীয়াই শিলচৰৰ মিটিঙৰ ভাষণৰ উদ্ধৃতি দিছে মই ভাৱো যে ৰফিকুল ইছলাম ডাঙৰীয়াই জনীয়া মিটিঙৰ ভাষণৰ ও উদ্ধৃতি দিব লাগে। মোৰ বহুত ভাল ভাল ভাষণ আছে য'ত ইছলামে শিক্ষা, জ্ঞানৰ কথা কয়। আজি আমাৰ যিসমূহ পণ্ডিত আছে, যিসমূহে জেহাদৰ এটা অপ-ব্যাখ্যা কৰে, আজি আমাৰ গীতাত যেনেদৰে কৈছে যে আভ্যন্তৰিণ ফোৰ্চ বিলাকৰ ওপৰত জেহাদ হ'ব লাগে। কাম-ক্ৰোধ, লোভ-মোহ ইত্যাদিৰ ওপৰত জেহাদ হ'ব লাগে। জেহাদ মানে কোনোবা মানুহক গৈ মৰাটো নহয়। আজি পয়গম্বৰ হজৰত মহম্মদে যিসমূহ শিক্ষা দি থৈ গৈছে সেই শিক্ষাৰ অপভ্ৰংশ হৈছে নেকি? আজি ডিবেটৰ ইচ্ছ্যু কোৰাণ শ্বৰীফ নহয়, আজি কোৰাণ শ্বৰীফৰ ব্যাখ্যা সমূহহে বিতৰ্কৰ বিষয়, কোৰাণ শ্বৰীফ কেতিয়াও বিতৰ্কৰ বিষয় হ'ব নোৱাৰে। কাৰণ ভাগৱত-গীতা, কোৰাণ শ্বৰীফ, বাইবেল এইবিলাক মানুহৰ সৃষ্টি নহয়। গতিকে মোৰ আগত দিয়া বক্তব্যৰ লগত আজিৰ বক্তব্যৰ কতো পাৰ্থক্য নাই। কিন্তু মই যিটোৰ ওপৰত বিৰোধী যে চৰকাৰী ধনেৰে কোৰাণ শ্বৰীফৰ শিক্ষা হ'ব পাৰে নেকি? মোৰ মনত আছে যেতিয়া খাৰিজি মাদ্ৰাছা সমূহক তৰুণ গগৈ ডাঙৰীয়াই পাঁচ লাখকৈ দিব বিচাৰিছিল তেতিয়া মাদানী চাহাবে প্ৰতিবাদ কৰিছিল যে চৰকাৰী ধন মাদ্ৰাছাত আহিব নোৱাৰে। মাদ্ৰাছাৰ ওপৰত চৰকাৰী নিয়ন্ত্ৰণ হ'ব নোৱাৰে আৰু এই কথা যেতিয়া মাদানী চাহাবে কৈছিল তেতিয়া তৰুণ গগৈ ডাঙৰীয়াৰ কক্ষত ৰকিবুল হুছেইন ডাঙৰীয়াৰ লগত ময়ো বহি আছিলো। মাদানী চাহাবে আজি ও যদি সোধে যে চৰকাৰী ধন মাদ্ৰাছাত খৰচ হ'ব লাগে নেকি, মই ভাৱো যে on principle কোনো ইছলামিক পণ্ডিতে এইটো এগ্ৰি নকৰে। আগতে যেতিয়া মই সমষ্টিত গৈছিলো এতিয়া পৰিৱৰ্তন হ'ল, মছজিদত খোৱা পানী, ওৱাল বনোৱা পইচাও নলৈছিল, এম এল এ ফাণ্ড দূৰৰ কথা। আজিকালি পৰিবেশ অলপ অলপ পৰিবৰ্তন হ'ল। ভাৰতৰ আন আন ৰাজ্যই কিয় মাদ্ৰাছা চলোৱা নাই? অকল ইউ পি, বেংগল আৰু অসমে মাদ্ৰাছা চলাইছে। পৌৰাণিক এডুকেশ্যন চৰকাৰে লব নোৱাৰে। আজি যদি মাদ্ৰাছা বৰ্ড ত আমি যদি কোৰাণৰ শিক্ষা দিওঁ, কালি যদি মাদ্ৰাছা বোৰ্ডৰ চেয়াৰমেন হিচাপে মই যদি কোৰাণৰ দুটা শব্দ সলনি কৰি দিওঁ, ইণ্টাৰপিটেশ্যন সলাই দিওঁ। যদি চৰকাৰে মাদ্ৰাছা চলাই, চিলেবাচৰ অধিকাৰো চৰকাৰৰ থাকিব। চিলেবাচ ও চৰকাৰে প্ৰিপেয়াৰ কৰিব। সেয়ে বহু ইছলামিক পণ্ডিতে ও মাদ্ৰাছা চৰকাৰে চলোৱাৰ পৃষ্ঠপোষকতা নকৰে আৰু এইবিলাকৰ ওপৰত বহুত ভাষণ আছে। এটা ভাষণ ৰকিবুল হুছেইন ডাঙৰীয়াই ইয়াত দিছে। সৰু মানুহৰ ভাষণৰ এটা উদ্ধৃতি দিছে। মই বহু ডাঙৰ ইছলামিক পণ্ডিতৰ ভাষণৰ উদ্ধৃতি ইয়াত দিম যদি তেনেকুৱা এটা ডিবেট সেই পৰ্য্যায়লৈকে উঠে যে ইছলামিক কোনো পণ্ডিতে চৰকাৰী পৃষ্ঠপোষকতাত মাদ্ৰাছা এডুকেশ্যন হোৱাটো নিবিচাৰে। আজি আমাৰ সন্মুখত প্ৰশ্নটো হ'ল যে স্বাধীনতাৰ আগৰ পৰাই মাদ্ৰাছা শিক্ষা চলি আছিল, কিন্তু আজি যদি কোনোবাই কোৰ্টত গৈ কয় যে চৰকাৰে যদি ছশ কোটি টকা কোৰাণ শ্বৰীফ শিকোৱাৰ কাৰণে খৰচ কৰি আছে তেন্তে বাইবেল, ভাগৱত-গীতা শিকোৱাৰ কাৰণে কিয়

খৰচ নকৰে। আমাৰ অসমত সৰু সৰু বড়ো সমাজৰ বাথৌ, মিচিং সমাজৰ ডনিঅ' পল' তেওঁলোকে যদি কোনোবা দিনা কোৰ্টত কেচ কৰে যে আপোনালোকে আমাৰ বাথৌৰ ওপৰত শিক্ষা কিয় নিদিয়ে? এতিয়া ইয়াত বড়ো ভাষাৰ কথা ওলাওঁতেই কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই বঙালী ভাষাৰ কথা ক'লে। মইটো আমাৰ সহনশীলতাক ধন্যবাদ জনাওঁ যে এই হাউচত বহুতো খ্ৰীষ্ট্ৰিয়ান, হিন্দু বিধায়ক থকাৰ পিছতো আজিলৈকে ধৰ্ম নিৰপেক্ষতাৰ পৰিচয় দি ১৯৩৫ চনৰ পৰা এই institute টো চলি আছে আৰু ইয়াত কোনো এজন হিন্দু, খ্ৰীষ্ট্ৰিয়ান বিধায়কে প্ৰশ্ন অনা নাই যে আপোনালোকে যে কোৰাণৰ শিক্ষা দি আছে বাইবেল আৰু ভাগৱত-গীতাৰ শিক্ষা কিয় দিয়া নাই। আজি আমাৰ অসমৰ ইছলাম সমাজে আমাৰ বিধান সভাৰ খ্ৰীষ্ট্ৰিয়ান, জনজাতীয়, হিন্দু বিধায়ক সকলক ধন্যবাদ জনাব লাগে যে আজি স্বাধীনতাৰ সত্তৰ বছৰতো এটা প্ৰশ্ন ও নানিলে যে ভাগৱত-গীতা, বাইবেলৰ শিক্ষা কিয় হোৱা নাই? স্পিৰিচুৱেল চাইন্সৰ ভিতৰতটো ভাগৱত-গীতা, বাইবেল ও পৰে। কোৰাণ শ্বৰীফৰ শিক্ষা বন্ধ কৰিবৰ কথা কোৱা নাছিল। গুৱাহাটীত দহ বিঘা মাটি আমি যেনেকৈ তাত দিছো বাইবেল বা ভাগৱত-গীতাৰ কাৰণে ও দিব লাগিব আৰু দহ দিনৰ ভিতৰত কোনোবাই যদি মোক আজি কয় যে ভাগৱত-গীতাৰ কেন্দ্ৰ এটা হ'ব লাগে। মই ধৰ্ম নিৰপেক্ষ মানুহ হিচাপে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক কম যে দহ বিঘা মাটি এওঁলোককো দিয়ক। But there is a fundamental difference, wheather Government will fund Madrassa Education. সেই বিষয়ৰ ওপৰত মই নাভাবো। মোৰ সেই বিখ্যাত বক্তব্যটোত এষাৰ শব্দ আছে যে অসম চৰকাৰে মাদ্ৰাছাত টকা খৰচ কৰিব লাগে, চৰকাৰে মাদ্ৰাছা শিক্ষাৰ দায়িত্ব ল'ব লাগে। যদি আছে মই নাজানো। যদি আছে I stand corrected. এইটো শব্দ যদি কৰ'বাত আছে যে কোৰাণ শ্বৰীফৰ পঢ়োৱাৰ দায়িত্ব চৰকাৰে লব লাগে তেন্তে এইটো কথা মই ইকুৱেলী কম যে ভাগৱত-গীতা আৰু বাইবেল পঢ়োৱাৰ দায়িত্ব ও চৰকাৰে লব লাগে। এইটো সম্ভৱ নহয়। মই ভাৱো আজিৰ সদনত যিসকলে মাদ্ৰাছাত পঢ়ি আহিছে তেওঁলোকে আমাৰ সদস্য সকলক ধন্যবাদ জনাব লাগে, কৃতজ্ঞতা জনাব লাগে যে আজি এই দীৰ্ঘ পৰিক্ৰমাত এটা প্ৰশ্ন ও যে they have not raised a single question যে কিয় ভাগৱত-গীতাৰ ওপৰত শিক্ষা নহ'ব? আপোনালোকে ভাৱক কোৰাণ শ্বৰীফৰ ওপৰত মেট্ৰিকত এশ নম্বৰ পাই আছিল কিন্তু ভাগৱত-গীতা বা বাইবেলৰ ওপৰত কিন্তু নম্বৰ পোৱা নাছিলে। ইয়াতকৈ অসমৰ ৰাইজে ধৰ্ম নিৰপেক্ষতাৰ পৰিচয় মই ভাৱো বেলেগকৈ আৰু দিব নালাগে। আমি শিক্ষাক এটা নতুন দিশলৈ লৈ যাব লাগিব। National Education Policy য়ে এই কথাবোৰ কৈছে। সেইবাবে মই সদনত বিনম্ৰতাৰে আহ্বান জনাম যে আমি এই বিতৰ্কত সোমাব নালাগে। সত্তুৰ বছৰে কোনো বিধায়কে প্ৰশ্ন নকৰিলে ভাগৱত-গীতা, বাইবেলৰ কিয় শিক্ষা হোৱা নাই। কিন্তু অহাকালি যে নকৰিব তাৰ টো কোনো গেৰাণ্টি নাই। গতিকে মই ভাৱো যে যি হ'ব নালাগিছিল , চৰকাৰে কেতিয়াওঁ কোৰাণ শ্বৰীফ শিক্ষাৰ দায়িত্ব লব নালাগিছিল। এটা ভুল প্ৰেকটিচ আছিল। আজি আমি সেই ভুল প্ৰেকটিচটো শেষ কৰিছো যাতে অসমত আৰু কোনো বিতৰ্ক নহয়। নহ'লে সকলোৱে নিজৰ নিজৰ খন কৰিবৰ কাৰণে ক'ব। ব্যক্তিগত মাদ্ৰাছা বা খাৰিজি মাদ্ৰাছাৰ বিষয়লৈ আমি যোৱা নাই কিন্তু মেট্ৰিকত ল'ৰা-ছোৱালীয়ে এশ নম্বৰ কোৰাণ শ্বৰীফৰ ওপৰত হোৱাটো কোনো কালে হ'ব নালাগিছিল। হয়, তাত আধুনিকীকৰণ হ'ব লাগিছিল। অহা বিধান সভাত এই বিষয়ে আমি কথা পাতিম। ব্যক্তিগত মাদ্ৰাছাৰ ৰেজিষ্ট্ৰেশ্যন হ'ব লাগে। আজি যেনেকৈ আমাৰ NTPCR এ ৰিপোৰ্ট দিছে যে যিবিলাক ধৰ্মীয় শিক্ষানুষ্ঠান তাত ৰাইট টু এডুকেশ্যন অৰ্থাৎ

ল'ৰা-ছোৱালীক নিম্নতম অধিকাৰ দিয়া হোৱা নাই। গতিকে তাৰ আমি standard set কৰিব লাগে যে এখন মাদ্ৰাছা খুলিবৰ বাবে কি কি চৰ্ত পূৰণ কৰিব লাগিব। But we are not allowed to stop any Madrassa Institution or for that matter, any Education Institution run by the minorities under the mendate of the Constitution of India. I am aware about that. কিন্তু সংবিধানৰ কোনো পাতত লিখা নাই যে বাইবেল, কোৰাণ শ্বৰীফ বা ভাগৱত-গীতাৰ শিক্ষা চৰকাৰে দিব লাগে। সেইবাবে অধ্যক্ষ মহোদয়, I want to distinguised যে যিটো আপোনোলোকে কৈ আছে তাৰ লগত মোৰ কেচটো সম্পূৰ্ণ সুকীয়া। On the time of the consideration and passes of the bill, মই নিশ্চয় আপোনালোকক এই ব্যৱস্থাটোৰ গভীৰতালৈকে লৈ যাম কাৰণ এই ব্যৱস্থাত অসমক অনাগত দিনত হোৱা বিতৰ্কৰ পৰা বচাব। Timely we will be resque otherwise ইয়াত যেতিয়া কোনোবাই ভাগৱত-গীতা, কোনোবাই বাইবেল, কোনোবাই বাথৌৰ কাৰণে লাগিব it will become anarchy. আমি এটা বেয়া পৰিবেশত সোমাই যাম। So we are greatful বৰঞ্চ যিসকলে মাদ্ৰাছা শিক্ষাৰ পোষকতা কৰে মই ভাৱো ইয়াত ধন্যবাদ সূচক প্ৰস্তাৱ আনিব লাগে যে সত্তৰ বছৰ আপোনালোকে চলাই দিলে যিটো এবছৰো চলিব নালাগিছিল। So we are greatful that we are closing this chapter আৰু আমাৰ প্ৰাইভেটত যিটো চলি আছে সেইটো চলি থাকিব। ...

................................ সদনত হুলস্থুল.......................................................

মাননীয় অধ্যক্ষ মহোদয়, "The Assam Repealing Bill, 2020" বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** সচিব ডাঙৰীয়া।

**সচিব ঃ** বিধেয়কৰ শিৰোনামা "The Assam Repealing Bill, 2020" .....

................................ সদনত হুলস্থুল.......................................................

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ২৫। "The Bodo Kachari Welfare Autonomous Council Bill, 2020" মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ** "The Bodo Kachari Welfare Autonomous Council Bill, 2020" বিলখন সদনত উত্থাপন কৰিবৰ কাৰণে মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বিধেয়কখন সদনত উত্থাপন কৰিবৰ কাৰণে সদনৰ সন্মতি আছেনে?

(অনুমতি দিয়া হ'ল)

ৰাজভৱৰ পৰা বিধেয়য়কখন সদনত উত্থাপন কৰিবৰ বাবে এটা বাণী পঠিয়াইছে। মই বাণীটো পঢ়ি দিছো।

"*Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of the Bodo Kachari Welfare Autonomous Council Bill, 2020 in the Assam Legislative Assembly*".

এতিয়া মই মন্ত্ৰী ডাঙৰীয়াক বিলখন উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Bodo Kachari Welfare Autonomous Council Bill, 2020" বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** সচিব ডাঙৰীয়া।

**সচিব ঃ** বিধেয়কখনৰ শিৰোনামা "The Bodo Kachari Welfare Autonomous Council Bill, 2020"

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা। তেখেতে Public Accounts Committee ৰ ৰিপোৰ্ট দিব। .

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** Hon'ble Speakler Sir, I on behalf of the Committee beg to present the 164th, 165th, 166th and 167th Reports of the Committee on Public Accounts.

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Select Committee ত নিদিয়াৰ কাৰণে walkout কৰিলো।

**মাননীয় অধ্যক্ষঃ** মই procedure মতে যাম। Select Committee ৰ কথা সকলোৰে agree কৰিলে মই যাম। This is procedure of Parliament. This is the procedure of Assembly. আৰু কথা নাই। আপোনালোকে procedure টো মানিবই লাগিব। যি হয়। You are in the oppossition, they are in rulling. You have certain limitation. আপোনালোকে ক'ব পাৰে। Rulling য়ে accept কৰিব লাগিব, Then you can go. Otherwise you cannot. Parliamentary Affairs Minister য়ে yes ক'ব লাগিব। আপোনালোকে এইখিনি কথা পৰহিলৈ আকৌ আলোচনা কৰিব। আজি নহয়। আপোনালোকে কিয় নিয়মবিলাক নামানে। This is democracy, democracy run this way. Democracy আপোনালোকে জোৰ জবৰদস্ত লৈ যাব নোৱাৰে নহয়। আপোনালোকক কবলৈ আমি liberally দিছো। They have also spoken, but there is no unity. কথাখিনি মই কলো আৰু কথা নকব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে যিখিনি কথা উত্থাপন কৰিছে গতিকে মন্ত্ৰীয়ে আচলতে যিমান লাগে তাতকে বেছিহে উত্তৰ দিছে। Consideration stage ত তেওঁলোকে আৰু বেছিকৈ আনিব। মই এটা কথাত আচৰিত পালো যে মৃত্যুৰ প্ৰসংগত কোনো দলে কেতিয়াও এনেকৈ ওলাই গুচি নাযায়।

**মাননীয় অধ্যক্ষঃ** এতিয়া মৃত্যুৰ প্ৰসঙ্গলৈ আহিছো। মই চৰ্তুদশ অসম বিধান সভাৰ ত্ৰয়োদশ অধিবেশন সমাপ্তিৰ পৰা আজি ২৮-১২-২০২০ তাৰিখে চতুৰ্দশ তথা শীতকালীত এই অধিবেশন অনুষ্ঠিত হোৱালৈকে এই কালছোৱাৰ ভিতৰত ৰাজ্য তথা দেশৰ বিভিন্ন ক্ষেত্ৰলৈ বৰঙণি আগবঢ়োৱা ভালেকইগৰাকী বৰেণ্য ব্যক্তিৰ পৰলোকপ্ৰাপ্তি ঘটে। অতি দুখ আৰু ব্যথিত হৃদয়েৰে আজি অসম বিধান সভাৰ পৱিত্ৰ মজিয়াত এই বৰেণ্য ব্যক্তি সকলৰ বিয়োগত শোক প্ৰকাশ কৰিবলৈ লোৱা হৈছে।

১) তৰুণ গগৈ

অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, প্ৰাক্তন সাংসদ, বিধায়ক তথা জ্যেষ্ঠ ৰাজনীতিবিদ তৰুণ গগৈ ডাঙৰীয়াই ২০০১ চনৰ পৰা ২০১৬ চনলৈ তিনিটা কাৰ্য্যকালৰ বাবে অসমৰ মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত হৈ এগৰাকী দক্ষ মুখ্যমন্ত্ৰীৰূপে ৰাজ্যখনৰ আৰ্থ-সামাজিক উত্তৰণৰ দিশত অগ্ৰণী ভূমিকা পালন কৰি ৰাজ্যখনলৈ অনবৈদ্য অৱদান আগবঢ়াই থৈ গৈছে। ১৯৯৬ চনত প্ৰথম বাৰৰ বাবে গগৈ ডাঙৰীয়াই মাৰ্ঘেৰিটা বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত

হৈছিল। ২০১৬ চনতো তেখেতে তিতাবৰ বিদান সভা সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈ নিষ্ঠা আৰু ঐকান্তিকতাৰে মৃত্যুৰ আগমূহুৰ্তলৈকে ৰাজ্যলৈ সেৱা আগবঢ়ায় গৈছে। গগৈ ডাঙৰীয়াই ১৯৬৮ চনত যোৰহাট পৌৰসভাৰ সদস্য হিচাপে নিৰ্বাচিত হৈ সক্ৰিয় ৰাজনীতিত যোগদান কৰি ১৯৭১, ১৯৭৭, ১৯৮৩, ১৯৯১, ১৯৯৮ আৰু ১৯৯৯ চনত ৬ বাৰকৈ লোকসভালৈ নিৰ্বাচিত হোৱাৰ লগতে ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ কেন্দ্ৰীয় মন্ত্ৰী সভাত খাদ্য আৰু খাদ্য সংসাধন উদ্যোগ বিভাগৰ ৰাজ্যিক মন্ত্ৰীৰূপেও কাৰ্য্যনিৰ্বাহ কৰিছিল। তেখেতে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ যুটীয়া সম্পাদক, সাধাৰণ সম্পাদক আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি হিচাপেও গুৰু দায়িত্ব পালন কৰিছিল। গগৈ ডাঙৰীয়াই এগৰাকী জন দৰদী নেতা হিচাপে অসমৰ শ্ৰেণীৰ ৰাইজৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

২) ছৈয়দা আনোৱাৰা টাইমূৰ

অসমৰ প্ৰাক্তন তথা প্ৰথম মহিলা মুখ্যমন্ত্ৰী ছৈয়দা আনোৱাৰা টাইমূৰ ডাঙৰীয়ানীয়ে ১৯৮০ চনৰ ৬ ডিচেম্বৰৰ পৰা ১৯৮১ চনৰ ৩০ জুনলৈ অসমৰ ভাৰপ্ৰাপ্ত মুখ্যমন্ত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। তেখেতে ১৯৭২, ১৯৭৮, ১৯৮৩ আৰু ১৯৯১ চনত অসম বিধান সভালৈ নিৰ্বাচিত হোৱাৰ উপৰি ১৯৮৮ আৰু ১৯৯৬ চনত দুবাৰকৈ ৰাজ্যসভালৈ মনোনীত হৈছিল। তদুপৰি টাইমূৰ ডাঙৰীয়ানীয়ে অসমৰ মন্ত্ৰী সভাত ১৯৭৩ চনৰ পৰা ১৯৭৬ চনলৈ শিক্ষা আৰু সমাজ কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী আৰু ১৯৮৩ চনৰ পৰা ১৯৮৫ চনলৈ গড়কাপ্তানী আৰু ১৯৯১ চনত কৃষি, হজ আৰু ৱাকফ সম্পতি বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্ব বহন কৰি ৰাজ্যখনলৈ বিশেষ সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে।

৩) নাজনীন ফাৰুকী

ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ, ক্ৰীড়া সংগঠক, সৰ্বভাৰতীয় মহিলা কংগ্ৰেছৰ প্ৰাক্তন সভানেত্ৰী তথা বিশিষ্ট সমাজ সেৱিকা নাজনীন ফাৰুকী ডাঙৰীয়ানীয়ে ২০১০ চনত ৰাজ্যসভালৈ সাংসদ হিচাপে নিৰ্বাচিত হৈ দেশ তথা ৰাজ্যখনলৈ উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে। তেখেতে অসম মহিলা ক্ৰিকেট সন্থাৰ সভানেত্ৰী হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল।

৪) দিলদাৰ ৰেজ্জা

প্ৰাক্তন মন্ত্ৰী, প্ৰাক্তন সংসদীয় সচিব তথা নিষ্ঠাবান সমাজকৰ্মী দিলদাৰ ৰেজ্জা ডাঙৰীয়াই বাঘবৰ বিধান সভা সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে ১৯৯১, ২০০১ আৰু ২০০৬ চনত তিনিবাৰকৈ অসম বিধান সভালৈ নিৰ্বাচিত হৈ এগৰাকী দক্ষ বিধায়কৰূপে ৰাজ্যখনলৈ উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়োৱাৰ লগতে ১৯৯১ চনত চৰ উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ, ১৯৯৩ চনত চৰ উন্নযন আৰু সংখ্যালঘু পৰিক্ৰমা বিভাগৰ মন্ত্ৰী আৰু ২০০৬ চনত গৃহ বিভাগৰ সংসদীয় সচিব হিচাপে কাৰ্য্যনিৰ্বাহ কৰি ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত উল্লেখনীয় অৰিহণা আগবঢ়ায় থৈ গৈছে।

৫) ভুৱনেশ্বৰ বৰ্মন

প্ৰাক্তন বিধায়ক তথা বিশিষ্ট মুক্তিযোদ্ধা ভুৱনেশ্বৰ বৰ্মন ডাঙৰীয়াই ১৯৬৭ চনত প্ৰজাছচিয়েলিষ্ট পাৰ্টি আৰু ১৯৭৮ চনত জনতা দলৰ প্ৰাৰ্থীৰূপে পাটাছাৰকুছি বিধান সভা সমষ্টিৰ পৰা অসম বিধান সভালৈ দুবাৰকৈ নিৰ্বাচিত হৈ সমষ্টিটোৰ আৰ্থ-সামাজিক উন্নয়নৰ ক্ষেত্ৰত উল্লেখনীয় অৰিহণা আগবঢ়াইছিল। তেখেতে ভাৰতৰ স্বাধীনতা আন্দোলত সক্ৰিয়ভাৱে যোগদান

কৰি দেশ মাতৃলৈ বিশেষ সেৱা আগবঢ়ায় থৈ গৈছে।

৬) যশৱন্ত সিং

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী যশৱন্ত সিং ডাঙৰীয়াই বি জে পি দলৰ প্ৰাৰ্থীৰূপে ১৯৮০, ১৯৮৬, ১৯৯৮, ১৯৯৯ আৰু ২০০৪ চনত পাচবাৰকৈ ৰাজ্যসভালৈ আৰু ১৯৯০, ১৯৯১, ১৯৯৬ আৰু ২০০৯ চনলৈ চাৰিবাৰকৈ লোকসভালৈ নিৰ্বাচিত হৈছিল। তেখেতে ১৯৯৮ চনৰ পৰা ২০০৪ চনলৈ প্ৰতিৰক্ষা, বিত্ত বিভাগকে ধৰি ভালেকেইটা গুৰুত্বপূৰ্ণ বিভাগৰ সন্ধিক্ষণত গুৰু দায়িত্ব পালন কৰিছিল।

৭) ৰামবিলাস পাছোৱান

কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী ৰামবিলাস পাছোৱান ডাঙৰীয়াই ১৯৬৯ চনত সংযুক্ত ছ'চিয়েলিষ্ট পাৰ্টীৰ প্ৰাৰ্থী হিচাপে বিহাৰ বিধানসভালৈ প্ৰথমবাৰৰ বাবে নিৰ্বাচিত হৈ পৰৱৰ্তী সময়ত ৯ বাৰকৈ লোকসভালৈ নিৰ্বাচিত হোৱাৰ লগতে বহু গুৰুত্বপূৰ্ণ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী হিচাপে দায়িত্ব বহন কৰা পাছোৱান ডাঙৰীয়াই মৃত্যুৰ আগমূহুৰ্তলৈকে গ্ৰাহক সুৰক্ষা, খাদ্য আৰু ৰাজহুৱা বিতৰণ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

৮) সুৰেশ অংগাড়ী

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা সাংসদ সুৰেশ অংগাড়ী ডাঙৰীয়াই ২০০৪ চনৰ পৰা ২০১৯ চনলৈ কৰ্ণাটকৰ বেলগভী লোকসভা সমষ্টিৰ পৰা চাৰিবাৰকৈ লোকসভালৈ নিৰ্বাচিত হৈ দেশখনলৈ এগৰাকী দক্ষ সাংসদ হিচাপে উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে। তদুপৰি তেখেতে ২০১৯ চনত কেন্দ্ৰীয় ৰে'ল ৰাজ্য মন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰি মৃত্যুৰ আগমূহুৰ্তলৈকে সেৱা আগবঢ়াই আছিল।

৯) আহমেদ পেটেল

প্ৰাক্তন সাংসদ তথা জ্যেষ্ঠ ৰাজনৈতিক নেতা আহমেদ পাটেল ডাঙৰীয়াই ১৯৭৭ চনৰ পৰা ১৯৮৯ চনলৈ লোকসভা আৰু ১৯৯৩ চনৰ পৰা ২০২০ চনলৈ ৰাজ্যসভালৈ নিৰ্বাচিত হৈ এগৰাকী দক্ষ সাংসদৰূপে দেশৰ আৰ্থ-সামাজিক উত্তৰণৰ দিশত উল্লেখনীয় অৰিহণা আগবঢ়াই থৈ গৈছে। তেখেতে ১৯৮৬ চনত গুজৰাট প্ৰদেশ কংগ্ৰেছৰ অধ্যক্ষ আৰু ২০১৮ চনত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ কোষাধ্যক্ষ হিচাপে সেৱা আগবঢ়োৱাৰ লগতে ভাৰতীয় ৰাজনৈতিক ক্ষেত্ৰখনত বহু গুৰু দায়িত্ব বহন কৰিছিল।

১০) ড° কপিলা বাৎসায়ন

প্ৰাক্তন সাংসদ তথা ভাৰতৰ সাংস্কৃতিক আৰু সমাজ জীৱনৰ উজ্জল নক্ষত্ৰ ড০ কপিলা বাৎসায়ন ডাঙৰীয়ানীয়ে ২০০৬ আৰু ২০০৭ চনত ৰাজ্যসভাৰ সাংসদ হিচাপে মনোনীত হৈছিল। তেখেতে একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে ভাৰতৰ সমাজ জীৱনৰ বিভিন্ন দিশলৈ অনবৈদ্য সেৱা আগবঢ়াই থৈ যোৱাৰ লগতে ভাৰতীয় কলা সংস্কৃতিৰ উত্তৰণৰ দিশতো উল্লেখনীয় অৰিহণা আগবঢ়াই থৈ গৈছে। বাৎসায়ন ডাঙৰীয়ানীয়ে জীৱন কালত পদ্মভূষণ, পদ্মবিভূষণ, মেগছেছে বঁটা, সংগীত নাটক একাডেমী, শংকৰদেৱ বঁটা, ইউনেস্কো বঁটাকে ধৰি বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ বহু উচ্চস্তৰীয় বঁটা ও সন্মানেৰে বিভূষিত হৈছিল।

১১) ড° জয়ন্ত মাধৱ

বিশিষ্ট অৰ্থনীতিবিদ, এছিয়ান ডেভেলপমেণ্ট বেংকৰ প্ৰাক্তন সঞ্চালক, নেডফিৰ প্ৰাক্তন অধ্যক্ষ তথা পৰিচালন সঞ্চালক ড০ জয়ন্ত মাধৱ ডাঙৰীয়াই এগৰাকী আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ৰ

অৰ্থনীতিবিদ হিচাপে খ্যাতি অৰ্জন কৰাৰ লগতে অসম, উত্তৰ-পূৰ্বাঞ্চল আৰু দক্ষিণ এছিয়াৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছিল। মাধৱ ডাঙৰীয়াই ২০০৩ চনত অসমৰ মুখ্যমন্ত্ৰীৰ অৰ্থনৈতিক আৰু বিত্তীয় উপদেষ্টা হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল।

১২) নৰেন্দ্ৰ নাথ হালৈ

বিশিষ্ট মুক্তিযোদ্ধা নৰেন্দ্ৰ নাথ হালৈ ডাঙৰীয়াই ভাৰতৰ স্বাধীনতা আন্দোলনৰ সক্ৰিয়ভাৱে যোগদান কৰি দেশ মাতৃলৈ উল্লেখনীয় সেৱাৰ বৰঙণি আগবঢ়াই থৈ গৈছে। তেখেতে জীৱন কালত মুক্তিযুঁজাৰু পেঞ্চন আৰু তাম্ৰফলিৰে সন্মানিত হোৱাৰ উপৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বহু বঁটা ও সন্মানেৰে বিভূষিত হৈছিল।

১৩) জ্যোতিপ্ৰসাদ শইকীয়া

জেষ্ঠ্য সাংবাদিক, বিশিষ্ট লেখক তথা অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া জ্যোতিপ্ৰসাদ শইকীয়া ডাঙৰীয়াই 'দৈনিক অসম', কাকতৰ সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰাৰ উপৰিও 'দ্য আছাম ট্ৰিবিউন', কাকতকে ধৰি কে'বাখনো উল্লেখযোগ্য বাতৰি কাকতত সংবাদ সেৱা আগবঢ়াইছিল। তেখেতে এগৰাকী প্ৰশাসনিক বিষয়া হিচাপে তথ্য আৰু জনসংযোগ বিভাগৰ সঞ্চালক, মুখ্যমন্ত্ৰীৰ সচিব, গৃহ সচিবকে ধৰি বিভিন্ন পদবীত অধিষ্ঠিত হৈ ২০০৫ চনত অসম চৰকাৰৰ আয়ুক্ত সচিবৰূপে সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰে।

১৪) মহেশ চন্দ্ৰ মেধি

বিশিষ্ট সাংবাদিক তথা সাহিত্যিক মহেশ চন্দ্ৰ মেধি ডাঙৰীয়াই ৰাজ্যখনত সংবাদ সেৱা আগবঢ়োৱাৰ লগতে সৃষ্টিশীল লেখনীৰে কে'বাখনো উল্লেখযোগ্য গ্ৰন্থ, আলোচনী প্ৰকাশ, সম্পাদনা কৰি অসমৰ সাহিত্য ক্ষেত্ৰখনলৈ বহুমূলীয়া অৱদান আগবঢ়াই থৈ গৈছে। তদুপৰি তেখেতে জীৱনকালত সংবাদ পৰিৱেশণ তথা সাংবাদিকতাৰ কৰ্মৰাজিত সুস্থ সাংবাদিকতাৰ নীতি আৰু আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে।

১৫) ডাঃ নৱাব মহম্মদ ৰফিক

বিশিষ্ট চিকিৎসক, গীতিকাৰ তথা সমাজসেৱক নৱাব মহম্মদ ৰফিক ডাঙৰীয়া বিনামূলীয়া চিকিৎসা সেৱাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰা এগৰাকী সু-ব্যক্তিত্বসম্পন্ন চিকিৎসক আছিল।তেখেতে 'জনহিত' নামৰ এটা স্বেচ্ছাসেৱী অনুষ্ঠান গুৰি ধৰি জনকল্যানমূলক কাম কৰাৰ লগতে সমাজৰ দুৰ্বল শ্ৰেণীৰ বাবে সদায় সহায়ৰ হাত আগবঢ়াই আহিছে। ইয়াৰ উপৰি তেখেতে বহুসংখ্যক গীত ৰচনা কৰি সুৰ দিয়াৰ উপৰি কণ্ঠদান কৰি অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

১৬) ভগগিৰী ৰায়চৌধুৰী

বিশিষ্ট সাহিত্যিক তথা শিক্ষাবিদ ভগগিৰী ৰায়চৌধুৰী ডাঙৰীয়াই এগৰাকী শিক্ষাবিদ হিচাপে ৰাজ্যখনৰ বিদ্যায়তনিক দিশত উল্লেখনীয় অৰিহনা আগবঢ়াই থৈ গৈছে। তেখেতে বি এন মহাবিদ্যালয়ত কৰ্মজীৱনৰ পাতনি মেলি পৰৱৰ্তী সময়ত বি বৰৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰে। ৰায়চৌধুৰী ডাঙৰীয়াই 'ৰ' দৰ ৰূপালী ৰেখা', 'আয়ুস্মতী', কে ধৰি বহু কেইখন উল্লেখযোগ্য গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে।

১৭) গগন চন্দ্ৰ অধিকাৰী

বিশিষ্ট শিশু সাহিত্যিক গগন চন্দ্ৰ অধিকাৰী ডাঙৰীয়াই বিভিন্ন শিশু উপযোগী খুহুতীয়া

পদ্য, শিশুৰ মনোগ্ৰাহী কাহিনীকে ধৰি বহু কেইখন উল্লেখনীয় শিশু গ্ৰন্থ ৰচনা কৰি শিশু সকলৰ মনস্তাত্ত্বিক উত্তৰণৰ দিশত বিশেষ অৰিহণা আগবঢ়াই থৈ গৈছে। তেখেতে অসম শিশু সাহিত্য ন্যাসৰ সৈতে প্ৰতিষ্ঠা কালৰ পৰাই সক্ৰিয়ভাৱে জড়িত থাকি অনুষ্ঠানটোৰ উত্তৰণৰ দিশত অগ্ৰণী ভূমিকা পালন কৰিছিল।

১৮) ড° জীৱন চন্দ্ৰ শৰ্মা কটকী

জ্যেষ্ঠ বিজ্ঞানী ড° জীৱন চন্দ্ৰ শৰ্মা কটকী ডাঙৰীয়াই ১৯৭৩ 'নেইষ্ট'ত জুনিয়ৰ ৰিৰ্ছাচ ফেল' ৰূপে যোগদান কৰি পৰৱৰ্তী সময়ত মুখ্য বিজ্ঞানীৰ দায়িত্ব বহন কৰিছিল। তেখেতে কাজিৰঙা বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ তথা ডীন হিচাপেও সেৱা আগবঢ়াইছিল। ইয়াৰ উপৰি বিশ্বৰ বিভন্ন প্ৰসিদ্ধ বৈজ্ঞানিক গৱেষণা পত্ৰিকাত শৰ্মা কটকী ডাঙৰীয়াৰ উল্লেখযোগ্য গৱেষণা পত্ৰ প্ৰকাশ পাইছিল।

১৯) অৰ্জুন দাস

বিশিষ্ট শিক্ষাবিদ তথা বৰপেটা শিৰোমণি অৰ্জুন দাস ডাঙৰীয়াই ৰাজ্যখনৰ বিদ্যায়তনিক দিশত অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তেখেতে মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে দায়িত্ব বহন কৰি মহাবিদ্যালয়খনৰ শিক্ষাৰ উত্তৰণৰ দিশত বিশেষ অৰিহণা আগবঢ়াইছিল। দাস ডাঙৰীয়াই ২০২০ চনত বৰপেটা শিৰোমণি বঁটাৰে বিভুষিত হোৱাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি ৰাজ্যখনৰ সমাজ জীৱনলৈ উল্লেখনীয় সেৱা আগবঢ়াই থৈ গৈছে।

২০) গৌৰী বৰ্মন

প্ৰথিতযশা চিত্ৰশিল্পী, চলচিত্ৰ প্ৰযোজক-পৰিচালক তথা সাহিত্যিক গৌৰী বৰ্মন ডাঙৰীয়াই ৰাজ্যখনৰ কলা-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তেখেতে 'সুবাসিত সান্নিধ্য', কে ধৰি কে'বাখনো উল্লেখনীয় গ্ৰন্থ ৰচনা কৰাৰ লগতে এগৰাকী গল্পকাৰ, নিবন্ধকাৰ, উপন্যাসিক, কবি আৰু নাট্যকাৰ হিচাপেও অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। বৰ্মন ডাঙৰীয়াই 'অপৰাজিতা', 'জীৱন জেউতী', কে ধৰি বহুকেইখন চলচ্চিত্ৰ নিৰ্মাণ কৰাৰ লগতে ৩০ খনতকৈ অধিক তথ্যচিত্ৰ আৰু কে'বাখনো ধাৰাবাহিক প্ৰযোজনা কৰি অসমীয়া সংস্কৃতিৰ ক্ষেত্ৰখনলৈ বিশেষ অৰিহণা আগবঢ়াই থৈ গৈছে।

২১) জীৱন বৰা

বিশিষ্ট চলচ্চিত্ৰ পৰিচালক, নাট্যকাৰ তথা অভিনেতা জীৱন বৰা ডাঙৰীয়াই ৰাজ্যখনৰ সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰখনলৈ বিশেষ অৱদান আগবঢ়াই থৈ গৈছে। তেখেতে জনপ্ৰিয় চলচিত্ৰ 'পলাশৰ ৰং', 'ওপজা সোণৰ মাটি', নিৰ্মাণ কৰি অসমীয়া চলচ্চিত্ৰ জগতলৈ উল্লেখনীয় অৱদান আগবঢ়োৱাৰ লগতে 'চলচ্চিত্ৰৰ সংক্ষিপ্ত ইতিহাস' , কে ধৰি কে'বাখনো উল্লেখযোগ্য গ্ৰন্থ আৰু বহুকেইখন নাটক ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰালো চহকী কৰি থৈ গৈছে।

২২) ত্ৰৈলোক্য দত্ত

বিশিষ্ট কাৰ্টুনিষ্ট, চিত্ৰশিল্পী তথা লেখক ত্ৰৈলোক্য দত্ত ডাঙৰীয়াই ৰাজ্যখনৰ কলা-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ বিশেষ অৰিহণা আগবঢ়াই থৈ গৈছে। তেখেতে ছাত্ৰাৱস্থাৰ পৰাই ব্যংগ চিত্ৰৰে কাৰ্টুন জগতত আত্মপ্ৰকাশ কৰি পৰৱৰ্ত্তী সময়ত 'দ্য আছাম ট্ৰিবিউন', আৰু 'দৈনিক অসম', কাকতত দীৰ্ঘ সময় ধৰি কাৰ্য্যনিৰ্বাহ কৰিছিল। দত্ত ডাঙৰীয়াই চিত্ৰশিল্পৰ সমান্তৰালকৈ এগৰাকী সাহিত্যিক হিচাপেও বহুকেইখন উল্লেখযোগ্য গ্ৰন্থ প্ৰনয়ণ কৰি ৰাজ্যখনৰ সাহিত্য জগতলৈও অনবদ্য অৱদান

আগবঢ়াই থৈ গৈছে।

২৩) জয়কান্ত গন্ধীয়া

বিশিষ্ট সাহিত্যিক তথা লোক-সংস্কৃতিৰ গৱেষক জয়কান্ত গন্ধীয়া ডাঙৰীয়াই অসমৰ সাহিত্য আৰু লোক-সংস্কৃতিৰ জগতখনলৈ উল্লেখনীয় বৰঙণি আগবঢ়াই থৈ যোৱাৰ লগতে এগৰাকী বিহু বিশেষজ্ঞ হিচাপেও ৰাজ্যখনৰ সাংস্কৃতিক ক্ষেত্ৰখনলৈও অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তেখেতে 'বিহু সংস্কৃতিৰ ৰূপৰেখা', কে ধৰি বহু কেইখন মূল্যবান গ্ৰন্থ, ৩১ খনৰো অধিক উপন্যাস, কে'বাখনো শিশু সাহিত্য ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে।

২৪) তৰুণ বৰা

প্ৰবীণ লোকশিল্পী তথা ঢোলৰ ওজা তৰুণ বৰা ডাঙৰীয়াই এগৰাকী প্ৰসিদ্ধ ঢোলৰ শিল্পী হিচাপে ৰাজ্যখনৰ লোক-সংস্কৃতিৰ জগতখনলৈ বিশেষ অৱদান আগবঢ়াই থৈ গৈছে। তেখেতে আজীৱন বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওত:প্ৰোতভাৱে জড়িত থকাৰ লগতে ঢোল বাদনৰ প্ৰচাৰ আৰু প্ৰসাৰতো উল্লেখনীয় ভূমিকা পালন কৰিছিল।

২৫) বিভূৰঞ্জণ চৌধুৰী

বিশিষ্ট কণ্ঠশিল্পী, সুৰকাৰ তথা অভিনেতা বিভূৰঞ্জণ চৌধুৰী ডাঙৰীয়াই লোকসংগীত আৰু নাট্য চৰ্চাৰে ৰাজ্যখনৰ সাংস্কৃতিক জগতখনলৈ বহুমূলীয়া অৱদান আগবঢ়াই থৈ গৈছে। তেখেতে একাধাৰে সুৰকাৰ, গীতিকাৰ, কণ্ঠশিল্পী, অভিনেতা তথা লোকসংগীতৰ সাধক আছিল। চৌধুৰী ডাঙৰীয়াই গণ নাট্যসংঘৰ ৰাজ্যিক সমিতিৰ সম্পাদক হিচাপে সেৱা আগবঢ়োৱাৰ লগতে বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থাকি বহু গুৰু দয়িত্ব পালন কৰিছিল।

২৬) পৰাগ ভূএগ

বিশিষ্ট সাংবাদিক, তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ উপ-সভাপতি তথা সমাজ সংগঠক পৰাগ ভূএগ ডাঙৰীয়াই 'দৈনিক জনমভূমি' কাকতৰ জৰিয়তে সংবাদ জগতত আত্মপ্ৰকাশ কৰি পৰৱৰ্তী সময়ত 'অসমীয়া খবৰ' আৰু ' প্ৰতিদিন টাইম', ত এগৰাকী দক্ষ সাংবাদিকৰূপে নিষ্ঠা আৰু সততাৰে সংবাদ সেৱা আগবঢ়াইছিল। তদুপৰি তেখেতে এগৰাকী সমাজ সংগঠক হিচাপেও বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত সক্ৰিয়ভৱে জড়িত থাকি নিষ্ঠা আৰু ঐকান্তিকতাৰে সেৱাৰ বৰঙণি আগবঢ়াইছিল।

২৭) বাবুল খাট নিয়াৰ

ভ্ৰাম্যমাণ জগতৰ বিশিষ্ট অভিনেতা বাবুল খাটনিয়াৰ ডাঙৰীয়াই ১৯৮৪ চনত মুকুন্দ থিয়েটাৰৰ জৰিয়তে ভ্ৰাম্যমাণ নাট্য জগতত আত্মপ্ৰকাশ কৰি পৰৱৰ্তী সময়ত ৰাজ্যখনৰ বহুকেইখন আগশাৰীৰ ভ্ৰাম্যমাণ নাট্যগোষ্ঠীত সাৱলীল অভিনয়ৰে অসমৰ বিভিন্ন প্ৰান্তৰ অসংখ্য নাট্যপ্ৰেমীৰ বিপূল সমাদৰ লাভ কৰিছিল। তদুপৰি তেখেতে 'যাযাবৰ', নামৰ এখন নাট ৰচনা কৰি নাট্যকাৰ হিচাপেও প্ৰতিভা দাঙি ধৰিবলৈ সক্ষম হৈছিল।

পৰিশেষত যোৱা ইংৰাজী ১ ৩ নৱেম্বৰ, ২০২০ তাৰিখে উৰিত যুদ্ধবিৰতি উলংঘন কৰি পাকিস্তান সেনাই চলোৱা আক্ৰমণত অসম সন্তান হৰধন চন্দ্ৰ ৰায় আৰু ইংৰাজী ২৪ ডিচেম্বৰ, ২০২০ তাৰিখে শ্ৰীনগৰৰ গণ্ডীৰৱালত সন্ত্ৰাসবাদীৰ আক্ৰমনত শ্বহীদ হোৱা অসম সন্তান মৃত্যুঞ্জয় চুতীয়াৰ লগতে দুইটা ঘটনাত শ্বহীদ হোৱা ভাৰতীয় সেৱা জোৱান সকলৰ প্ৰতি সদনে গভীৰ শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

লগতে আজি সদনে সমগ্ৰ বিশ্বৰ লগতে ভাৰতত কৰ'ণা ভাইৰাছ (ক'ভিড-১৯) ত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰা ব্যক্তি সকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰি শ্ৰদ্ধাঞ্জলী জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে আৰু চিকিৎসাধীন হৈ থকা ব্যক্তি সকলৰ সদনে আশু আৰোগ্য কামনা কৰে।

কিবা যদি থাকি গৈছে ক'ব পাৰে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰথীন্দ্ৰ নাথ ভট্টাচাৰ্য্য Ex BJP President আছিল কৰিমগঞ্জৰ। মালিকুৰ ৰহমান তেওঁ Ex retired Session Judge আছিল। ইমতাজ আলি তেওঁ মিজোৰামৰ মানুহে মাৰিলে বৰ্ডাৰত।

**শ্ৰীমতী নন্দিতা দাস (বকো)ঃ** মাননীয় অধ্যক্ষ মহোদয়, নাজনীন ফাৰুকী মই জনাত তেওঁ মহিলা পৰিষদৰ চেক্ৰেটাৰী আছিল।

**মাননীয় অধ্যক্ষঃ** আমি চাই লবলৈ ক'ম। তেখেত President নাছিল।

**শ্ৰী শিলাদিত্য দেব (হোজাই)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা নাম kindly add কৰে। উজ্জ্বল দাস, BJP ৰ President আছিল, হাইলাকাণ্ডিৰ

**মাননীয় অধ্যক্ষঃ** আনদু ৰাৰি এজন আছিল। যিসকল সদস্যই কৈছে, তেখেতসকলে তেওঁলোকৰ নাম আৰু তেখেতসকলৰ বিষয়ে দুই লাইনকৈ আপোনালোকে মোৰ অফিচত জমা দি দিব। পাছত Proceedings ত তেখেতসকলৰ বিষয়ে অকনমান ক'ব পাৰিম।

এতিয়া প্ৰয়াত লোক সকলৰ পৱিত্ৰ স্মৃতিত আৰু তেখেত সকলৰ বিদেহ আত্মাৰ সদগতি আৰু চিৰশান্তি কামনা কৰি এক মিনিট কাল থিয় হৈ মৌনতা অৱলম্বন কৰিবৰ বাবে এই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ প্ৰতি মই অনুৰোধ জনালো। ঔম শান্তিঃ।

মই সদন স্থগিত কৰাৰ আগতে সকলো দলৰ দলপতি সকলক আৰু Parliament Affairs Minister ক আমি কি আলোচনা কৰিম পৰিহিলৈ তাৰ ওপৰত decide কৰিবৰ কাৰণে মই invite কৰিছো।

**এতিয়া সদন কাইলৈ পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।**